নভেম্বৰ ২০০১ Rs. 10/-

চান্দমামা

Remnants of Buddhist Heritage



কলিঙ্গ যুদ্ধত তেজৰ নৈ বোৱা দেখি মৌৰ্য্য সম্ৰাট আশোকে চন্দাশোকৰ পৰা ধৰ্মাশোকলৈ পৰিবৰ্তিত হৈছিল। এই যুদ্ধ খৃঃপূঃ তৃতীয় শতিকাত ভূবনেশ্বৰৰ ওচৰৰ দয়া নদীৰ পাৰত হৈছিল । অশোকে বৌদ্ধ ধৰ্ম গ্ৰহণ কৰাৰ ফলত এই ধৰ্মটো অকল উৰিষ্যাতে প্ৰসাৰতা লাভ নকৰি দেশৰ বাকী অংশটো প্ৰচাৰ হৈছিল, আনকি চীন, জাপান আৰু শ্ৰীলঙ্কাকো এই ধৰ্ম বিস্তাৰিত হৈছিল । ভূৱনেশ্বৰৰ পৰা ৮ কি.মি. দূৰত থকা ধৌলিৰ শিলালিপি অশোকৰ অন্তৰ পৰিবৰ্তনৰ এক নীৰৱ সাক্ষী । তাৰ স্মৃতি স্বৰূপে ভাৰত-জাপানৰ যৌথ প্ৰচেষ্টাত তাত এটা শান্তিৰ পেগোদা নিৰ্মাণ কৰা হৈছে ।

ইয়াৰ উপৰিত্ত কটকৰ পৰা ৭০ কি.মি. দূৰৰ উদয়গিৰি, ৰত্নগিৰি, ললিতগিৰি আৰু ইয়াৰ আশেপাশে থকা লাংগুড়ি পাহাৰ আৰু কায়মা পাহাৰ অঞ্চলত অলপতে কৰা খনন কাৰ্য্যত সেই যুগৰ বহুতো আশ্চৰ্য্যজনক স্মৃতিচিহ্ন পোৱা গৈছে । এই পাহাৰবোৰ এক বৃহৎ বৌদ্ধ মঠৰ চৌহদৰ অন্তৰ্ভুক্ত আছিল, যিবোৰ চীনা পৰিব্ৰাজক হিউয়েন চাঙৰ টোকাত থকা পুষ্পগিৰি বৌদ্ধ বিশ্ববিদ্যালয়ৰ লগতে ধবংস হৈছিল বুলি অনুমান কৰিব পাৰি ।

Orissa
The Soul of India





For more information contact: Director, Tourism; Paryatan Bhavan; Bhubaneswar-751014, Orissa, India
Tel: (0674) 432177, Fax: (0674) 430887, e-mail:ortour@sanchamet.in, website:www.orissa-tourism.com
Tourist Offices at; **Chennai:** Govt. of Orissa, Tourist Office, Tamilnadu Tourism Complex, Ground Floor, Near Kalaivanar Arangam, Wallajah Road, Chennai-600002, Tel: 8360891
Calcutta: Utkal Bhawan, 55, Lenin Sarani, Pin-700013, Tel: (033) 2443653
New Delhi: Utkalika, B/4 Baba Kharak Singh Marg, Pin - 110001, Telefax (011) 3364580

ORISSA TOURISM

NATURATA

A
ACTIVE
B
BUZZ
BOSS
C
CADET DX
D
DEVIL DX
E
ELEPHANT
F
FISH
G
GIRAFFE
H
HEN
I
INSECT
J
JOKER
K
KIDD DX
L
LI'L ANGEL
LAMBADA
LIMBO
M
MISSILE
MISS INDIA Jr
N
NEST
O
ORANGE
P
PIRANHA
Q
QUEEN Jr
R
ROBO COP
S
SPARKY
SALSA
T
TERMINATOR
V
W
HERO CYCLES
HTA 5979.2001
The largest range of kids bikes
HERO CYCLES
THE ABC OF CYCLING

ভাৰত কথা

৪৭

বিশ্বসেনৰ দিগ্‌ভ্ৰান্তি (বেতাল কথা)

১৯

যক্ষ পৰ্বত

১১

দেৱী ভগৱত

৫১

এই মাহৰ বিশেষ আকৰ্ষণ

★ অজ্ঞানতা দূৰ ...৭ ★ যক্ষ পৰ্বত-৯...১১ ★ বিশ্বসেনৰ দিগ্‌ভ্ৰান্তি (বেতাল কথা) ...১৯ ★ মাহুৰে পোতক তুলিলে ...২৫
★ সৰ্পৰ বৰদান ...২৮ ★ গাধৰ শিকনি...৩০
★ তাত মাথোঁ একমাত্ৰ গছডাল আছিল ! ...৩২
★ ৰঙৰ আলোড়ন ...৩৪ ★ কুকৰ্মৰ ফল ...৩৬
★ যাদুকৰী বাঁহী...৩৮ ★ বন্ধুত্ব ...৪০ ★ উভতি আহিব নোৱাৰা পৰ্বতখন ...৪৪ ★ ভাৰতৰ বিষয়ে জানি লোৱা ...৪৬ ★ ভাৰত কথা ...৪৭ ★ দেৱী ভগৱত ...৫১
★ কৃষ্ণভূপতি ...৫৬ ★ অজেয় গৰুড় ...৬১
★ ফটো নামকৰণ প্ৰতিযোগিতা ... ৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of Chandmama India Ltd.
to
Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিৱীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফট্ বা মণিঅৰ্ডাৰ যোগে
'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক
চেন্নাই
ফোন : ০৪৪-২৩৪৭৩৮৪, ২৩৪৭৩৯৯
e-mail : advertisements@chandamama.org
দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১ / ৬৫৬৫৫১৩ / ৬৫৬৫৫১৬
মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬ / ২৬৫৩০৫৭

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers.
Copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক
বি.নাগি ৰেড্ডি আৰু চক্ৰপাণি

8-11-2001

শিশুসকলৰ বাবে এক বিশেষ সংখ্যা

যেতিয়া আমি নৱেম্বৰ মাহটোৰ কথা ভাবো, আমাৰ তৎক্ষণাত মনলৈ আহে শিশু দিৱসৰ কথা । যোৱা ১৯৫০-ৰ দশকৰে পৰা ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ জন্মদিন ১৪ নৱেম্বৰৰ দিনটো শিশু দিৱস হিচাবে পালন কৰি আহিছো ।

আমি এই শিশু দিৱস পালন কৰাৰ আগতে ৰাষ্ট্ৰসঙ্ঘৰ সাধাৰণ সভাই শিশুসকলৰ কল্যাণৰ কাৰনে এটা বিশ্বজনীন শিশু দিৱস পালন কৰাৰ বাবে পৰামৰ্শ আগবঢ়াইছিল। সেয়া আছিল ১৯৫৪ চনৰ কথা । ১৯৫৯ চনৰ ২০ নৱেম্বৰত সাধাৰণ সভাই শিশুসকলৰ অধিকাৰৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছিল । ইয়াৰ পিছত ২০ নৱেম্বৰত ইউনিচেফ (Unicef) -এ বিশ্বজনীন শিশু দিৱসৰ কথা ঘোষণা কৰিছিল ।

তেতিয়াৰ পৰাই নৱেম্বৰ মাহটো শিশুসকলৰ হাঁহি আনন্দৰ সৈতে যুক্ত হ'ল ।

নৱেম্বৰ মাহৰ আন এটা বৈশিষ্ট্য হ'ল পোহৰৰ উৎসৱ দীপাৱলী এই মাহতে হয় । আগৰ বছৰবোৰতকৈ এই বছৰ দেৱালীয়ে শিশুসকলৰ জীৱনলৈ অধিক পোহৰ আনিব বুলি আমি আশা কৰো । কাৰণ, আতচবাজি তৈয়াৰ কৰা সন্থাই অলপতে ঘোষণা কৰিছে যে তেওঁলোকে এই বিপদজনক কামত শিশুসকলক নিযুক্ত নকৰে । এইটো শিশুসকলৰ বাবে সঁচাকৈয়ে সুখৰ খবৰ ।

চান্দমামাই ইয়াৰ কিশোৰ পঢ়ুৱৈসকলৰ বাবে সদায়ে পোহৰ আৰু আনন্দ লৈ আহে । আজি কিছু দিনৰ পৰা, এই আলোচনীৰ বাবে নৱেম্বৰ মাহটো অৰ্থসূচক হৈ পৰিছে । যোৱা দুবছৰে শিশুসকলৰ পৰা পোৱা গল্প, চিত্ৰ আদিৰে নৱেম্বৰ সংখ্যাটো এক বিশেষ শিশু সংখ্যা হিচাবে প্ৰকাশ কৰি আহিছো ।

চান্দমামাই বিশ্বাস কৰে শিশুসকলে ভালদৰে জীয়াই থাকিবলৈ কেৱল যে খাদ্য, বস্ত্ৰ, আশ্ৰয় আৰু শিক্ষাৰে অধিকাৰ আছে সেইটো নয়, তেওঁলোকৰ সৃজনীমূলক শক্তি প্ৰকাশ পোৱাবো অধিকাৰ থাকিব লাগে । আমি আশা কৰো চান্দমামাৰ বিশেষ নৱেম্বৰ শিশু সংখ্যাই শিশুসকলৰ এই অভাৱ পূৰণ কৰিব পাৰিব আৰু ইয়াৰ মাজেৰে তেওঁলোকে নিজৰ প্ৰতিভা প্ৰকাশ কৰিব পাৰিব ।

সম্পাদক : বিশ্বম

হিৰোজ অফ ইণ্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

হিৰোজ অফ ইণ্ডিয়া -২

তুমি খেলা-ধূলা ভাল পোৱা নহয়নে ? ইয়াতে তোমাৰ ভাল লগা খেল সম্পৰ্কীয় প্ৰশ্ন সোধা হৈছে ।

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হব ।*

1. ১৯৩২ চনত লচ এঞ্জেলচত হোৱা অলিম্পিকত সোণৰ পদক লাভ কৰাৰ বাবে তেওঁ ভাৰতীয় হকী দলৰ দলপতি আছিল । তেওঁ ১৯২৬ চনৰ পৰা ১৯৪৮ চনলৈ হোৱা আন্তৰ্জাতিক হকী খেলত এহেজাৰতকৈও বেছি গল দিছিল বুলি কোৱা হয় । তেওঁৰ নাম কি ?
....

2. এসময়ত তেওঁ জুনিয়ৰ উইম্বলদন চেম্পিয়ন আছিল; বৰ্ত্তমানে তেওঁ ভাৰতলৈ বিজয় কঢ়িয়াই অনা টেনিচ যুটিৰ ভিতৰত এজন । তেওঁৰ নাম কি ?...

3. ১০,০০০ তকৈও বেচি ৰাণ কৰা প্ৰথম লিটিল মাষ্টাৰ বেটচমেনজন কোন ?...

4. তেওঁ দবাখেলৰ বিশ্ব চেম্পিয়ন । প্ৰতিজন ভাৰতীয়ই তেওঁক জানে । নিশ্চয় তুমিও জানা !
....

5. ১৯৮০ চনত তেওঁ অল ইংলেন্ড বেডমিন্টন চেম্পিয়নচিপত জয় লাভ কৰি বেডমিন্টন জগতত ভাৰতৰ নাম ৰাখিছে । তেওঁ একেৰাহে নবাৰ জাতীয় বেডমিন্টন চেম্পিয়ন হৈছিল। তুমি তেওঁক জানানে ?
....

প্ৰতিটো প্ৰশ্নৰ তলত থকা খালি ঠাই শুদ্ধ উত্তৰেৰে পূৰ্ণ কৰিবা। এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা স্পোৰ্টচ হিৰো কোনজন আৰু কিয় ভাল লাগে ? মোৰ ভাললগা হিৰোজনৰ বিষয়ে ১০ টা শব্দ লিখা ।

....

....

প্ৰতিযোগীৰ নাম...

বয়স........................শ্ৰেণী..............................

ঠিকনা...

পিন........................ফোন..............................

প্ৰতিযোগীৰ চহী...

দেউতাক/মাকৰ চহী...

এই পৃষ্ঠাটো ফালি তলৰ ঠিকনালৈ পঠাবা

Heroes of India Quiz-2
Chandamama india limited
No 82, Defence Officers Colony
Ekkatuthangal, Chennai-600097.

২০০১ চনৰ ৫ ডিচেম্বৰৰ আগতে পোৱাকৈ পঠাবা ।

নিয়মাৱলী :

১.এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে ।

২.সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰ পৰা ৩ জন বিজয়ী প্ৰতিযোগী বাচনি কৰা হব । বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব । যদি শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচি হয়, তেতিয়াহলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগী বাচনি কৰা হব ।

৩.বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত ।

৪.এই সম্পৰ্কে কোনো চিঠি পত্ৰ আদান প্ৰদান কৰা নহব ।

৫.সকলো বিজয়ী প্ৰতিযোগীকে ডাকযোগে জনোৱা হব ।

তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES



অজ্ঞানতা দূৰ

ৰামপুৰ গাঁৱত ৰণধীৰ নামৰ এজন খেতিয়ক আছিল । তেওঁৰ যি অলপ মাটি আছিল, তাত তেওঁ নিজে হাল বাই খেতি কৰি আৰামত দিন কটাইছিল ।

এদিনখন ৰাজগড়ৰ পৰা ৰণধীৰৰ শহুৰেক গোবিন্দই গাখীৰ দি থকা ম'হ এজনী জোৱায়েকলৈ আনিলে । তেওঁ ৰণধীৰক কলে, "খুব ভালদৰে তুমি খেতি-বাতি কৰিছা । কিন্তু ইয়াৰ লগতে গাখীৰ দিয়া জন্তু থাকিলে তোমাৰ বাবে আৰু ভাল হ'লহেতেন । কথাতে কয় সে শষ্য গাখীৰৰ ভাই । আজিকালি মোৰ ঘৰত বহুত গৰু ম'হ হৈছে । সেয়েহে গাখীৰ দিয়া এজনী মহ তোমাৰ বাবে লৈ আহিছো । খেতি কৰি পোৱা শস্যৰ লগতে দৈ-গাখীৰৰো সোৱাদ লোৱা।

শহুৰেকৰ কথাত হাঁহিমাৰি ৰণধীৰে কলে "গাখীৰ দি থকা ম'হ এজনীক খোৱাৰ যোগাৰ ধৰাতো কম ডাউৰ কাম নহয় কিন্তু । ইয়াত সুখ পালেও যদি তাইক ঠিকমতে খোৱাৰ যোগান ধৰা নাযায় তেতিয়াহলে দুখো পাব লগা হয় । খেতিত হোৱা শষ্যৰ পৰা আমাৰ দিন সুন্দৰ ভাবে চলি যায় । শুকান খেৰ, ঘাঁহ মোৰ মেষ গৰুকেইটাৰে চলি যায়। এতিয়া কিজানি এই ম'হ জনীৰ বাবে মোৰ কষ্ট হব । দৈ, গাখীৰ সদায় খাবলৈ পালেতো ভালেই লাগিব, পিছে ইয়াক চৰাবলৈ নিয়া, চোৱাচিতা কৰাৰ শক্তি মোৰ নাই ।"

তেতিয়াই ৰণধীৰৰ পত্নী মালতীয়ে কথাৰ মাজতে কলে, "আজি কলি আপুনি এলেহুৱা হৈ গৈছে । আমাৰ গৰুবোৰৰ লগত এই ম'হটোও থাকিব । ইহঁতৰ লগত তাইকো চৰাবলৈ নিব । শস্য আৰু গাখীৰ দুয়োতে লক্ষ্মীয়ে বাস কৰে । মহালক্ষ্মীৰ দৰে ঘৰলৈ অহা ম'হটোক অবজ্ঞা নকৰিব । কথাতে কয় প্ৰসূতি ৰু পশু ঘৰলৈ আহিলে শুভ হয়।

পত্নী আৰু শহুৰেকে কোৱাত ৰণধীৰে তেওঁলোকৰ কথা শুনিব লগা হ'ল । তেওঁ

হেমলতা পোড়ুৱাল



বলধ হালৰ সৈতে ম'হ আৰু পোৱালিটোও গোহালীত বান্ধি থলে ।

গোবিন্দই সন্তুষ্ট মনে ৰাজগড়লৈ উলতি আহিল । তেওঁৰ এই কাৰণে ভাল লাগিছিল যে জোৱায়েকে তেওঁৰ কথা শুনিছে । পিছদিনা ৰণধীৰে গাখীৰ খীৰাই অনাৰ পিছত তেওঁৰ পত্নীয়ে কলে, "পিতাই ম'হজনী লৈ আহি আমাৰ উপকাৰ কৰিছে । আগলৈ গাখীৰ আৰু দৈৰ নাটনি নহব । এই খীৰতী ম'হ আমাৰ ঘৰত এই প্ৰথম । সেইকাৰণে তাইৰ গাখীৰ ভগবান বেনুগোপাল স্বামীকো দিব লাগিব । কি ঠিক, গভবানৰ কৃপাত ম'হৰ কাৰণে এটা বেলেগ গোহালী বনাব লগা হব পাৰে ।" এইবুলি কৈ গাখীৰৰ বাচনটো চাই পুনৰ পতিৰ হাতত দিলে ।

ৰণধীৰে গাখীৰৰ বাচনটো লৈ মন্দিৰ পালে । সেই সময়ত মন্দিৰৰ পূজাৰী এজন সাধুৰ সৈতে কথা কোৱাত ব্যস্ত আছিল । ৰণধীৰে পূজাৰীক মন্দিৰলৈ অহাৰ উদ্দেশ্যৰ কথা কলে ।

পূজাৰীয়ে আশ্চৰ্য্যজনক দৃষ্টিৰে ৰণধীৰৰ ফালে চাই কলে, "ৰণধীৰ, বেণুগোপাল স্বামীক গৰুৰ গাখীৰ আৰু গৰুৰ গাখীৰৰ পৰা বনোৱা বস্তুহে নৈবদ্য হিচাবে আগবঢ়োৱা হয়। এইটো প্ৰথাই চলি আহিছে । তুমি যে আগতে ম'হৰ গাখীৰ বুলি কোৱা বাবে ভালেই হ'ল । নহলে এইটো অনাচাৰ হলহেতেন । তথাপি তোমাক মই নিৰাশ কৰিব খোজা নাই । তুমি নিজেই এই গাখীৰখিনি ভগবানৰ ওচৰত নৈবদ্য হিচাবে অৰ্পণ কৰা । তাৰ পিছত এটা কাম কৰা, এই সাধুজন কুম্ভমেলালৈ যাব । ৰাতি তেওঁ মন্দিৰৰ বাৰান্দাতে থাকিব । এই গাখীৰখিনি তেওঁকে দিয়া, তোমাৰ পূণ্য হব ।"

ৰণধীৰে মন্দিৰৰ বাহিৰতে থিয় হৈ বেণুগোপাল স্বামীক শ্ৰদ্ধাপূৰ্বক এটা প্ৰণাম জনালে তাৰপাছত গাখীৰৰ বাচনটো সাধুৰ সন্মুখত ৰাখিলে । সাধুয়ে এই সকলো কথা শুনি আছিল । তেওঁ গাখীৰখিনি পি খাই কবলৈ ধৰিলে, "ৰণধীৰ, চেনি নোহোৱা-কৈয়ে গাখীৰখিনি খুব মিঠা লাগিছে। তোমাৰ মঙ্গল হব ।" এইবুলি কৈ সাধুয়ে ধ্যান কৰিবলৈ বহিল আৰু শূণ্যতে হাতখন ঘূৰাই দিলে ।

তাৰ পাছত তেওঁ হাতৰ মুঠি খুলি দিয়াত দুটা ৰুদ্ৰাক্ষৰ গুটি দেখা গ'ল । সেই দুটা ৰণধীৰৰ হাতত দি কলে, "এই দুটা তোমা-লোকৰ গোসাই ঘৰত ভালদৰে ৰাখিবা। তোমাৰ বংশ উদ্ধাৰ কৰিব পৰা দুই পুত্ৰ জন্ম

হব ।" এইবুলি সাধুয়ে ৰণধীৰক আশীৰ্বাদ দিলে ।

ঘৰলৈ আহি ৰণধীৰে পত্নীৰ আগত গোটেইখিনি কথা কলে । দুয়ো লগহৈ ভক্তিভাবে ৰুদ্ৰাক্ষৰ গুটি দুটা গোসাই ঘৰত ভালদৰে ৰাখিলে । সেইদিনাৰ পৰা ৰণধীৰৰ ভাগ্যৰ পৰিবৰ্তন হ'ল । কিছুদিনৰ ভিতৰতে তেওঁ দুই একৰ মাটি কিনিলে, তিনিজনী খীৰতী ম'হ কিনিলে আৰু এজনী গাই গৰু কিনিলে । সাধুয়ে কোৱা মতে ক্ৰমে তেওঁৰ দুজন পুত্ৰৰো জন্ম হ'ল ।

কিন্তু দুয়োৰে স্বভাৱ বেলেগ বেলেগ আছিল । ডাঙৰ পুতেকে খেতি-বাতিৰ কাম ভাল পাইছিল । তেওঁ দিনে ৰাতিয়ে খেতিৰ কামে কৰি আছিল । লগতে তেওঁ উন্নত বীজ ৰোপন কৰি অধিক উৎপাদন কেনেকৈ পাব পাৰি তাৰে চেষ্টা কৰিছিল ।

দ্বিতীয় পুত্ৰজনে পশুক খুব ভাল পাইছিল। গৰু গায়ে যদি কৰবাত দুখ পাই বা কিবা অসুখ হয় তেওঁৰ মনত খুব বেয়া লাগিছিল । তেওঁ পশুৰ ৰোগ চিকিৎসা সম্বন্ধে বহুতো কথা শিকি লৈছিল । সেই বিদ্যাৰে তেওঁ নিজেই পশু চিকিৎসা কৰিছিল ।

ৰণধীৰ আৰু তেওঁৰ পত্নী মালতীৰ বিশ্বাস হৈছিল যে, এই সকলোবোৰ সাধুয়ে দিয়া ৰুদ্ৰাক্ষৰ গুটিৰ বাবেই সম্ভব হৈছে ।

এইদৰে বহুদিন পাৰ হ'ল । ৰণধীৰৰ ডাঙৰ পুতেকৰ বয়স এতিয়া ২০ বছৰ হ'ল। ভাল ভাল ঘৰৰ পৰা বিয়াৰ প্ৰস্তাৱ আহিবলৈ ধৰিলে । ৰণধীৰ আৰু মালতীয়ে নিজৰ এই স্বচ্ছল অৱস্থাৰ কাৰণে সাধুক কৃতজ্ঞতা জনাবলৈ এদিন দুই পুত্ৰক লগত লৈ বেণুগোপাল স্বামীৰ মন্দিৰলৈ গ'ল ।

পূজা সমাপ্ত কৰি যেতিয়া মন্দিৰৰ পৰা বাহিৰ ওলাই আহিছিল তেওঁলোকে মন্দিৰৰ সন্মুখত এজন সাধুক দেখিবলৈ পালে ।



তেওঁৰ চুলি দাড়ি সম্পূৰ্ণভাবে পকিছিল । কঁকালখন অলপ হালিছিল । ৰণধীৰে চিন্তাত পৰি গৈছিল, এইজনে সেইজন সাধুনে, এনেতে সাধুয়ে হাঁহিমাৰি কলে, "ৰণধীৰ, ৰাতি মই যেতিয়া মন্দিৰৰ বাৰন্দাত শুই আছিলো, তেতিয়া গাঁৱৰ মানুহৰ মুখত তোমাৰ বিষয়ে শুনিছিলো । মোৰ মনত খুব আনন্দ লাগিছে ।"

এতিয়া ৰণধীৰে সাধুক চিনিব পাৰিলে । তৎক্ষণাত তেওঁ সাধুক প্ৰণাম কৰি কলে, "ক্ষমা কৰিব প্ৰভু । আপুনি দিয়া ৰুদ্ৰাক্ষৰ গুটি আৰু আপোনাৰ আশীৰ্বাদৰ কাৰণে মই আজি অৱস্থাপন্ন হব পাৰিছো । দুই পুত্ৰৰে সৈতে সুখেৰে জীৱন কটাইছো ।" এইবুলি কৈ তেওঁ গাখীৰৰ বাচনটো সাধুৰ ফালে আগবঢ়াই দি কলে, "প্ৰভু, এইখিনি গৰুৰ গাখীৰ । এই মাত্ৰ ভগবানৰ ওচৰত অৰ্পণ কৰি লৈ আহিছো ।"

সাধুয়ে গাখীৰৰ বাচনটো স্পৰ্শ নকৰাকৈয়ে কলে, "ৰণধীৰ, সেইদিনা যি হৈছিল, মোৰ ভালদৰে মনত আছে । পূজাৰীয়ে ভাবিছিল বেণুগোপাল স্বামী কেৱল গাই গৰুৰহে ৰক্ষক। তেওঁৰ অজ্ঞানতাই মোক আচৰিত কৰি দিছিল। সেই কাৰণে তেওঁ যেতিয়া তোমাৰ ম'হৰ গাখীৰ লবলৈ অস্বীকাৰ কৰিছিল তেতিয়া মই সেই গাখীৰখিনি খাইছিলো । তেওঁ তোমাৰ শ্ৰদ্ধা আৰু ভক্তিৰ কথা বুজা নাছিল । তোমাৰ দৰে ভক্তৰ শুভ হোৱাতো কামনা কৰিছিলো সেই কাৰণে মই তোমাক ৰুদ্ৰাক্ষৰ গুটি দিছিলো আৰু আশীৰ্বাদো দিছিলো । ভগবান বেণুগোপাল স্বামীয়ে মোৰ কথা সত্য বুলি প্ৰমাণিত কৰিলে ।

সেই সময়তে লাঠিৰ ওপৰত ভৰ দি পূজাৰীয়ে তালৈ আহি সাধুক নমস্কাৰ কৰি কলে, "প্ৰভু, ভগবান সৰ্ববিদ্যমান এই কথা জানিও মই অজ্ঞানতাৰ বশ হৈ এনে ব্যৱহাৰ কৰিছিলো যেন মই সৰ্বজ্ঞ, যেন মইহে ভগবানৰ একমাত্ৰ প্ৰতিনিধি । মই এই কথা পাহৰি গৈছিলো, ভক্তই ভক্তিভাবে যি বস্তুয়ে অৰ্পণ কৰে ভগবানে তাকে গ্ৰহণ কৰে আৰু তাৰ দুগুন ভক্তক দিয়ে । এতিয়াহে মোৰ অজ্ঞানতা দূৰ হ'ল ।

সাধুয়ে পূজাৰীৰ লগতে আটাইকে আশীৰ্বাদ দি তাৰপৰা গুচি গ'ল ।



যক্ষ পৰ্বত

(৯)

(গুৰু ভালুকক লগত লৈ খৰ্গবৰ্মা আৰু জীৱদন্ত্ৰ অৰণ্যৰ মাজত থকা সৰোবৰৰ ওচৰলৈ আহিল । তাত তেওঁলোকে স্বৰ্ণাচাৰীক দেখিবলৈ পালে । সমৰবাহুৰ উপস্থিতিত তেওঁৰ অনুচৰবোৰ আৰু বীৰপুৰৰ সৈনিকসকলৰ মাজত যুদ্ধ আৰম্ভ হ'ল । বীৰপুৰৰ সৈনিকসকলে খাপৰ পৰা তৰোৱাল উলিয়াই লৈ সমৰবাহুৰ অনুচৰ সকলৰ ওপৰত জপিয়াই পৰিল ।) ইয়াৰ পিছত ।

বীৰপুৰৰ ৰজাৰ চিৰিয়াখানাৰ অধিকাৰীৰ লগত এতিয়া মাত্ৰ সাতজন সৈনিক হে থাকিল । তাৰ ভিতৰৰে এজন আহত হ'ল আৰু খোৰাই খোৰাই বাকীবোৰৰ পাছে পাছে আহিবলৈ ধৰিলে । যদিও সমৰবাহুৰ অনুচৰৰ সংখ্যা চাৰিজন আছিল, তথাপি সিহঁতে বীৰপুৰৰ ৰাজসৈনিকৰ লগত যুদ্ধ কৰিবলৈ স্থিৰ কৰিলে ।

চিৰিয়াখানাৰ অধিকাৰী সমৰবাহুৰ অনুচৰ সকলৰ ওচৰ পোৱাৰ আগতে সৈনিকসকলক ৰবলৈ কৈ তেওঁলোকক কলে, "সেইবোৰতো বেপাৰী যেন লাগিছে। সিহঁতক দেখি অনুমান হৈছে সিহঁতে যুদ্ধ কৰিবই নাজানে । এনেদৰেও কৰবাত পাগুৰি মাৰেনে ? সিহঁতে তৰোৱাল চলাবও নোৱাৰে যেন পাইছো ।"

তেওঁৰ এই কথা সমৰবাহুৰ অনুচৰসকলে শুনিবলৈ পালে । তেওঁলোকৰ খুব খং উঠিল। নিজৰ গোঁফত আঙুলি বুলাই বাহুত থপৰিয়াই থপৰিয়াই সমৰবাহুৰ অনুচৰ-সকলে কবলৈ ধৰিলে - "আমাৰ সন্মুখীন হৈ এবাৰ চোৱা । তেতিয়া জানিব পাৰিবা আমি তৰোৱাল চলাব জানো নে নাজানো । সমৰবাহুৰ জয়" বুলি কৈ খুব জোৰে আগবাঢ়ি আহি সৈনিকসকলৰ ওপৰত জপিয়াই পৰিল । বীৰসিংহৰ সৈন্যসকলৰ

ভিতৰত তিনিজনে সমৰবাহুৰ অনুচৰ-সকলৰ তৰোৱালৰ আগত তিষ্ঠিব নোৱাৰি ধৰাশায়ী হৈ গ'ল । তাৰপাছত খোৰা সৈনিকজন আৰু চিৰিয়াখানাৰ অধিকাৰী গছৰ মাজে মাজে দৌৰি পলাবলৈ ধৰিলে । অধিকাৰীক পলোৱা দেখি বাকী দুজন সৈনিকে হাৰ মানি সমৰবাহুৰ অনুচৰসকলৰ আগত আত্মসমৰ্পন কৰিলে।

যুদ্ধ চলি থকাৰ সময়ত দুয়োপক্ষৰ মানুহে খুব চিঞৰ বাখৰ কৰি আছিল । জঙ্ঘলী-জাতিৰ কিছুমান লোকে এই চিঞৰ বাখৰ শুনিবলৈ পাই তালৈ দৌৰি আহিছিল। তেওঁলোকে জানিব পৰা নাছিল কাৰ কাৰ মাজত এই যুদ্ধ লাগিছে আৰু কোনেইবা জয় লাভ কৰিছে কোনেইবা হাৰিছে ।

তেওঁলোক আচৰিত হোৱা দেখি সমৰ-বাহুৰ অনুচৰসকলে জঙ্গলীসকলক কলে- 'তোমালোক এই হাবিতে থাকা নহয়? এতিয়াৰ পৰা বীৰপুৰৰ ৰজাক খাজনা দিয়াৰ কোনো আৱশ্যক নাই । আমাৰ ৰজা সমৰবাহু এতিয়াৰ পৰা তোমালোকৰ নতুন ৰজা হব।"

জঙ্ঘলীসকলৰ মাজৰ পৰা এজন বুঢ়া মানুহ আগবাঢ়ি আহি কলে "বীৰসকল, আপোনালোকে যি কয় তাকে কৰিম । বেয়া নেপাই যদি মই এটা কথা জানিব পাৰোনে, আপোনালোকৰ ৰজাৰ ৰাজধানী ক'ত ?" ভয় ভয় কৰি বুঢ়াই সুধিলে ।

সমৰবাহুৰ অনুচৰবোৰৰ ভিতৰৰে এজনে উত্তৰ দিব খুজিছিল, এনেতে দুজন জঙ্ঘলীয়ে দুটা ঘোঁৰা লৈ তালৈ আহিল । বুঢ়ামানুহজনে সিহঁতক সুধিলে, "এই ঘোঁৰা দুটা তোমা-লোকে ক'ত ধৰিলা ?"

"বীৰপুৰৰ ৰজাৰ দুজন সৈনিক ঘোঁৰাত উঠি পলাব ধৰিছিল আৰু যাওঁতে তেওঁলোকে এই বান্ধিথোৱা ঘোঁৰা দুটাৰ ৰচী খুলি দি গৈছিল । তেতিয়া এই ঘোঁৰা দুটা ইফালে সিফালে দৌৰি গৈ আছিল । গৰাকী-নোহোৱা এই ঘোঁৰা দুটা দৌৰি গৈ থকা দেখি আমি ধৰি ইয়ালৈ লৈ আহিছো ।" জঙ্ঘলীদুজনে কলে।

"তোমালোক দুয়োৰে কাৰ্য্যত আমি অতি সন্তুষ্ট হৈছো । আমাৰ ৰজাক কৈ তোমা-লোকক আমি ভাল পুৰস্কাৰ দিয়াম । এই ঘোঁৰা দুটা লৈ পাহাৰী দুৰ্গ থকা নগৰলৈ আমাৰ লগত আহি থাকা ।" সমৰবাহুৰ এজন অনুচৰে কলে ।

সমৰবাহুৰ অনুচৰসকলে বীৰসিংহ ৰজাৰ বন্দী সৈনিকসকলক লৈ যাবলৈ ধৰিলে । ঘোঁৰা দুটা লৈ সেই জঙ্ঘলী দুজনো পিছে পিছে যাবলৈ ধৰিলে । ইয়াৰ পিছত তেওঁলোকে চিৰিয়াখানাৰ অধিকাৰীয়ে ধৰি ৰখা পশুবোৰ দেখিলে ।

সেইবোৰ দেখি সমৰবাহুৰ অনুচৰসকল অতি উৎসাহিত হ'ল । তেওঁলোকে কবলৈ ধৰিলে, এতিয়াৰ পৰা এই ক্ৰুৰ জন্তুবোৰ সমৰবাহু ৰজাৰ চিৰিয়াখানাত আৰামেৰে থাকিব । ইহঁতকো দুৰ্গলৈ লৈ যাম ।"

এনে সময়তে আৰু কিছুমান জঙ্ঘলী-লোক তালৈ আহিল । সিহঁতক দেখি সমৰ-বাহুৰ এজন অনুচৰে সুধিলে, "সকলোবোৰ ঠিকেই আছে । পিচে আজিলৈকে আমি এনে ক্ৰুৰ জন্তু পোহা নাই। এইজন্তুবোৰ দুৰ্গলৈ কেনেকৈ লৈ যাম বাৰু?"

তেতিয়া বুঢ়া মানুহজন আগবাঢ়ি আহি কলে, "মহাশয়, এই পিঁজৰাবোৰৰ তলত সৰু সৰু চকা আছে । আপুনি ঘোঁৰ বা উটৰ দ্বাৰাই এইবোৰ দুৰ্গলৈকে টানি লৈ যাব পাৰিব।"

জঙ্গলী বুঢ়াই দিয়া পৰামৰ্শ সমৰবাহুৰ অনুচৰ সকলৰ মনত ঠিক যেন লাগিল । জঙ্গলীসকলে তৎক্ষণাত ৰচী আনি দুটা উটৰ পিচফালে পিঁজৰা দুটা বান্ধি দিলে । আৰু এটা উটৰ পিঠিত পক্ষী থকা জালখন বান্ধি দিলে । ইয়াৰ পিছত তেওঁলোক পাহাৰী দুৰ্গৰ ফালে আগবাঢ়ি গ'ল ।

স্বৰ্ণাচাৰী দুৰ্গ নিৰ্মাণৰ কামত লাগি আছিল। পাহাৰৰ তলৰ পৰা আহি থকা ঘোঁৰা, উট আৰু জঙ্ঘলী মানুহবোৰক দেখি তেওঁ খুব আচৰিত হ'ল । কাম কৰি থকা মজদুৰ-বোৰেও এক আশ্চৰ্য্যজনক চাৱনিৰে সেই দৃশ্য চাবলৈ ধৰিলে ।

ঘোঁৰাত উঠি অহা সমৰবাহুৰ এজন অনুচৰে কবলৈ ধৰিলে, "চোৱা, মহামন্ত্ৰী স্বৰ্ণাচাৰীয়ে আমাক দেখি কিমান আচৰিত হৈছে? প্ৰথমতে মই গৈ তেওঁক সবিশেষ বাতৰি জনাম ।" তাৰপিছত তেওঁ ঘোঁৰাৰ পৰা নামি শিলৰ মাজে মাজে গৈ স্বৰ্ণাচাৰীৰ ওচৰ পালে ।



তেওঁ গৈ পোৱাৰ লগে লগে স্বৰ্ণাচাৰীয়ে সুধিলে, 'তোমালোকতো চিকাৰ কৰিবলৈ গৈছিলা । এই ঘোঁৰা ক'ত পালা ? এই পিঁজৰাবোৰ কৰ পৰা লৈ আহিছা ? এই জঙ্গলী মানুহবোৰ তোমালোকৰ লগে লগে কিয় আহিছে ?"

সমৰবাহুৰ অনুচৰজনে স্বৰ্ণাচাৰীক নমস্কাৰ জনাই কলে--"মহামন্ত্ৰী ডাঙৰীয়া, আমি অৰণ্যত বীৰপুৰৰ সৈনিকসকলক এশিকনি দিলো । সিহঁতক আমি পৰাস্ত কৰি তাৰে দুজন সৈনিকক বন্দী কৰিও লৈ আহিছো । সাতজন সৈনিকক আমি হত্যা কৰিছো । মাথোঁ দুজন সৈনিকে কোনোমতে প্ৰাণ লৈ পলাই সাৰিছে ।"

দুজন সৈনিক বীৰপুৰলৈ পলাই যোৱাৰ কথা শুনিয়ে স্বৰ্ণাচাৰী ভয়তে কাঁপি উঠিল । বাকী কথাবোৰে তেওঁক সিমান আনন্দিত কৰিব নোৱাৰিলে । তেওঁ খঙতে চকু ৰঙা কৰি চিঞৰি উঠিল, "তোমালোকে কৈছা বীৰপুৰৰ দুজন সৈনিক বীৰপুৰৰ ফালে পলাই গৈছে । এই ঘটনাই আমাক অতিশীঘ্ৰে বিপদত পেলাব । তুমিতো ইমান আনন্দিত হৈছা যেন যজ্ঞৰ ঘোঁৰাহে বান্ধি লৈ আহিছা। সেই ৰাজ সৈনিকসকলৰ লগত যুদ্ধ কৰাৰ তোমালোকৰ কি আৱশ্যক আছিল ?"

"আমাৰ কিছুমান সৈন্য আহত হৈছে । কিছুমান সৈন্যই যুদ্ধ কৰি কৰিয়ে মৃত্যু বৰণ কৰিছে । মই আৰু এই সৈনিকজন মাত্ৰ প্ৰাণ ৰক্ষা কৰি আহিছো । শত্ৰুসকলৰ এই খবৰ দিবলৈকে কোনোমতে আপোনাৰ ওচৰ আহি পাইছো ।" চিৰিয়াখানাৰ অধিকাৰীয়ে কলে। ৰজা বীৰসিংহই মন্ত্ৰীক কলে, মহামন্ত্ৰী, মোৰ অনুমান হৈছে আমাৰ ৰাজ্যৰ চাৰিসীমাত বলবান শত্ৰুয়ে শিৱিৰ পাতিছে । তৎক্ষণাত সেনাপতিক এই খবৰ দিয়া ।

চিৰিয়াখানাৰ অধিকাৰীৰ কথা মন্ত্ৰীৰ বিশ্বাস নহল । মন্ত্ৰীয়ে অধিকাৰীক তেওঁৰ ওচৰলৈ আহিবলৈ নিৰ্দেশ দিলে আৰু চাৰিওফালে ঘূৰিবলৈ কলে । মন্ত্ৰীয়ে অধিকাৰীৰ শৰীৰত কোনো আঘাত দেখা নাপালে অথবা শত্ৰুপক্ষৰ তৰোৱালৰ খোচ লাগি পিন্ধি থকা কাপোৰো কটা যোৱা দেখা নাপালে ।

ইতিমধ্যে সেনাপতি আহি তাত উপস্থিত হ'ল । তেওঁ আহিয়েই ৰজা আৰু মন্ত্ৰীক নমস্কাৰ জনালে । মন্ত্ৰীয়ে অধিকাৰীয়ে কোৱা গোটেইখিনি কথা সেনাপতিৰ আগত কলে।

সেনাপতিয়ে বিনীতভাবে কলে-"মহামন্ত্ৰীৰ ওচৰত মই ক্ষমা বিচাৰিছো । মই উটত উঠি অহা মানুহবোৰৰ বিষয়ে সবিশেষ জানিবলৈ নিৰঞ্জন নামৰ এজন অধিনায়কৰ

নেতৃত্বত কিছুমান গুপ্তচৰ পঠাইছো । কিন্তু তালৈ গৈ তেওঁ এজনী ধুনীয়া বন কন্যাক বিয়া কৰাই তেওঁৰ লগতে থাকি গ'ল । সেই কাৰণে সম্পূৰ্ণ বাতৰি পোৱাত পলম হৈছে।"

"মোৰ অনুমানহয়, পলম হোৱাৰ কাৰণে শত্ৰুৱে ইয়াৰ সম্পূৰ্ণ সুযোগ গ্ৰহণ কৰিছে । সেনাপতি, আপুনি যেতিয়া গুপ্তচৰ নিযুক্ত কৰিব তেতিয়া আপুনি এইটোও জনা উচিত আছিল সেই মানুহজনে বিয়া কৰাইছে নে নাই, তেওঁৰ সন্তান আছে নে নাই । আপুনি এতিয়া জানিব পাৰিছে চাগে ব্ৰহ্মচাৰীক গুপ্তচৰৰ কাম কৰিবলৈ দিলে কি কি অসুবিধা হয় ।"

তেতিয়া ৰজাই হস্তক্ষেপ কৰি কলে, সেনাপতি, আপুনি এতিয়াই সৈন্যবাহিনী লৈ গৈ শত্ৰু ৰজাৰ দুৰ্গ আক্ৰমণ কৰক আৰু সকলোবোৰ ধবংস কৰি পেলাওক । শত্ৰু ৰজাক জীয়াই জীয়াই মোৰ ওচৰলৈ ধৰি লৈ আহক এয়া মোৰ আদেশ ।"

সেনাপতিয়ে এশ অশ্বৰোহী আৰু দুশ সৈনিক লগত লৈ দুৰ্গৰ ফালে আগবাঢ়ি গ'ল, য'ত শত্ৰুপক্ষৰ দুৰ্গ নিৰ্মাণৰ কাম চলি আছিল।

যিদিনাৰ পৰা সমৰবাহু গুৰু ভালুকৰ শিষ্যবোৰৰ হাতত বন্দি হৈছিল সেইদিনাৰ পৰা স্বৰ্ণাচাৰীয়েই চৰ্দাৰ হৈ সিহঁতৰ নেতৃত্ব দিছিল । হাবিলৈ চিকাৰ কৰিবলৈ যোৱা সৈনিকসকলে যেতিয়া পিঁজৰাত ভৰাই সিংহ আৰু বাঘ লৈ আহিছিল আৰু হাবিৰ মাজত ঘটা ঘটনাবোৰৰ কথা শুনিছিল তেতিয়াৰ পৰাই তেওঁ সাৱধান হৈ আছিল । তেওঁ ভাবিছিল যি কোনো সময়তে বীৰসিংহৰ সৈন্যই তেওঁলোকৰ ওপৰত আক্ৰমণ কৰিব পাৰে । সেই কাৰণে তাৰ সন্মুখীন হবলৈ

আৱশ্যকীয় ব্যৱস্থা কৰিছিল । সমৰবাহুৰ অনুচৰজনে ভাবিলে তেওঁ অক্ষমনীয় অপৰাধ কৰিছে, তেওঁ বহুত ভয় খালে । নিজক বচাবলৈ তেওঁ স্বৰ্ণাচাৰীৰ আগত সঁচা-মিছা কিছুমান অৱাস্তৱিক কথা বেছি বেছিকৈ কলে । তেওঁ কলে যে, সৈনিক-বোৰে আমাক অপমান কৰিছে আৰু সমৰ-বাহুক গালি পাৰিছে । আমি এই অপমান সহ্য কৰিব নোৱাৰি বাধ্যত পৰি যুদ্ধ কৰিব লগা হৈছে ।

স্বৰ্ণাচাৰী মহা চিন্তাত পৰিল । যেতিয়া বাকী অনুচৰবোৰো আহি পালে তেতিয়া স্বৰ্ণাচাৰীয়ে তেওঁলোকক কলে, "আমি অকাৰণে সেই ৰজাৰ লগত শত্ৰুতা চপাই লৈছো । এইটো আমাৰ বাবে ভাল নহব । ৰজাই বিশাল সৈন্যবাহিনী লৈ আহি আমাৰ দুৰ্গ আগুৰি পেলাব, যাৰ নিৰ্মাণ কাৰ্য্য

এতিয়াও চলি আছে । এই সময়ত সমৰবাহু মহাৰাজো ইয়াত নাই । অন্ততঃ খৰ্গবৰ্মা আৰু জীৱদন্ত্ৰ এই ক্ষত্ৰিয় বীৰ দুজন থাকিলেও আমি বীৰসিংহৰ সৈন্যৰ সম্মুখীন হব পাৰিলো-হেতেন ।

স্বৰ্ণাচাৰীয়ে যি ভাবিছিল তাকে হ'ল । পলাই যোৱা চিৰিয়াখানাৰ অধিকাৰী আৰু খোৱা সৈনিকজনে বীৰপুৰৰ ৰাজপথত জোৰে জোৰে চিঞৰি কবলৈ ধৰিলে, "দেশ খুব সঙ্কতত পৰিছে । খুব দুখৰ দিন আহিছে। বীৰপুৰ ৰাজ্য বিপদত পৰিছে । শত্ৰুৰজাই হাবিৰ মাজত দুৰ্গ নিৰ্মাণ কৰিব ধৰিছে । আমাৰ দেশ আক্ৰমণ কৰিবলৈ সৈন্যবাহিনী লৈ এই ফালে আগবাঢ়ি আহিছে ।"

সেই সময়ত ৰাজপ্ৰাসাদৰ ওপৰত থিয় হৈ ৰজা বীৰসিংহ আৰু মন্ত্ৰীয়ে আলোচনা কৰি আছিল । অধিকাৰীৰ চিঞৰ শুনি তেওঁলোক আচৰিত হ'ল । ইতিমধ্যে অধিকাৰী আৰু সৈনিকজন আহি দুৰ্গৰ দুৱাৰমুখ পালে । প্ৰহৰীয়ে তেওঁলোকক ঘোঁৰাৰ পৰা নামি খোজকাঢ়ি ভিতৰলৈ যাবলৈ কলে ।

তেতিয়া চিৰিয়াখানাৰ অধিকাৰীয়ে প্ৰহৰীক কলে "তুমি কি কৈছা ? এফালে দেশ বিপদত পৰিছে, শত্ৰু পক্ষই যি কোনো সময়তে দেশ আক্ৰমণ কৰিব পাৰে, এই সময়ত তুমি নিয়ম দেখুৱাবলৈ আগিছা, এনেয়ে মোৰ সময় নষ্ট কৰিব খুজিছা ?"

সুযোগ পাই খোৱা সৈনিকজনে ভিত ৰসৈ যাব খুজিছিল, কিন্তু প্ৰহৰীয়ে বৰ্শাপাত তাৰ পেটত সোমাই দিলে । সৈনিকজনে "বীৰসিংহ মহাৰাজৰ জয়" বুলি কৈ ঘোঁৰাৰ পৰা বাগৰি পৰিল ।

মন্ত্ৰীয়ে প্ৰহৰীক আদেশ দি কলে, "তেওঁলোক দুয়োকে অতি সোনকালে দুৰ্গৰ ভিতৰলৈ আহিবলৈ দিয়া ।"

অধিকাৰী আৰু সৈনিকজন প্ৰাসাদৰ ওপৰলৈ উঠি আহি ৰজা আৰু মন্ত্ৰীক নমস্কাৰ জনালে । তেতিয়া মন্ত্ৰীয়ে অধিকাৰীক সুধিলে, 'কিহৰ দেশ বিপত্তিগ্ৰস্ত ? আমাক কোনে আক্ৰমণ কৰিব ?"

অধিকাৰীয়ে ৰজা আৰু মন্ত্ৰীক আকৌ এবাৰ প্ৰণাম কৰি কলে, "প্ৰভু, আপুনি জানেই মই চিৰিয়াখানাৰ অধিকাৰী । চিৰিয়া খানাৰ কাৰনে পশুপক্ষী ধৰিবলৈ আমি জঙ্গললৈ গৈছিলো । মোৰ লগত কেইজনমান সৈনিকো গৈছিল । তাতে সমৰবাহু নামৰ পৰ্বত দুৰ্গৰ ৰজাৰ সৈনিকে উটত উঠি আহি আমাৰ ওপৰত আক্ৰমণ কৰিছিল । আমি সাহসেৰে তেওঁলোকৰ সম্মুখীন হৈ

তেওঁলোকৰ কেইজনমান সৈনিকক বধ কৰিছিলো ।

ইফালে স্বৰ্ণাচাৰীয়ে যি কোনো অৱস্থাতে নতুনকৈ নিৰ্মাণ কৰি থকা দুৰ্গটো ৰক্ষা কৰাৰ কথা ভাবিলে । যদি এই যুদ্ধত বীৰপুৰৰ ৰজাৰ জয় হয় আৰু তেওঁলোক হাৰি যায়, তেতিয়া সেই দুৰ্গৰ পৰা ওলাই যাবলৈ দুটা সুৰঙ্গ পথ ৰাখিলে । তেওঁ জঙ্গলী জাতিৰ লোক-সকলকো থকা খোৱাৰ ব্যৱস্থা কৰি দি ৰাখি থলে । যিফালৰ পৰা শত্ৰুসেনা আহিব পাৰে সেইফালৰে এটা গুহাত তেওঁলোকক লুকাই ৰাখিলে । বাঘ আৰু সিংহৰ পিঁজৰা দুটাও জঙ্গলী সকলৰ লগতে থলে আৰু এইবুলি আদেশ দিলে যে, যেতিয়া সেইফালেৰে শত্ৰু সৈন্য আহিব তেতিয়া যেন এই জন্তুদুটাক মুকলি কৰি দিয়ে, যাতে সিহঁতে শত্ৰুৰ ওপৰত জপিয়াই পৰে । তেওঁলোকক আৰু কোৱা হ'ল যে, যদি তেওঁলোকে সমৰবাহুৰ সৈন্যসকলক যুদ্ধত সহায় কৰে তেতিয়া তেওঁলোকক উপযুক্ত পুৰস্কাৰ দিয়া হব ।

এইদৰে স্বৰ্ণাচাৰীয়ে দুৰ্গ ৰক্ষাৰ কাৰণে আৱশ্যকীয় ব্যৱস্থা ললে । এদিন ৰাতিপুৱা তেওঁ খবৰ পালে যে, বীৰপুৰৰ সৈন্যসকল দুৰ্গৰ ফালে আগবাঢ়ি আহিছে । জঙ্ঘলত লুকাই থকা সমৰবাহুৰ অনুচৰ সকলে স্বৰ্ণাচাৰীক এই গুপ্ত সংবাদটো দিলে । স্বৰ্ণাচাৰীয়ে তেওঁলোকৰ মানুহবোৰক বিভিন্ন অস্ত্ৰ-শস্ত্ৰ দিলে আৰু যি কামকে কৰে চুপেচাপে কৰিবলৈ আদেশ দিলে ।

অলপ পিছতে বীৰপুৰৰ সেনাপতি সৈন্যবাহিনী লগত সৈ পাহাৰৰ তলত আহি উপস্থিত হ'ল । তেওঁ খাপৰপৰা তৰোৱাল উলিয়াই লৈ সমৰবাহুৰ সৈন্যসকলক গৰজি কলে, "হে অধমহঁত, মই বীৰপুৰৰ সেনাপতি । তোমালোক সকলোৱে অস্ত্ৰ পেলাই দি আত্মসমৰ্পন কৰা । নহলে মৃত্যু সুনিশ্চিত ।"

পাহাৰৰ ওপৰত থকা সমৰবাহুৰ অনুচৰ বোৰে কোনো উত্তৰ নিদিয়াকৈ শত্ৰুসেনাৰ ওপৰত যাঠি, বৰ্শা আদি দলিয়াবলৈ ধৰিলে। এপাত যাঠি গৈ সেনাপতিৰ কান্ধত লাগিল।

(ক্ৰমশঃ)



ORISSA
The soul of India

তোমালোকৰ বাবে কুইজ

পুৰী

December
1-5, 2001
Konark Festival

পৰ্য্যটকক আকৰ্ষণ কৰিব পৰা পুৰীৰ বিভিন্ন ধৰণৰ উপাদান আছে। যদি তোমাৰ ধৰ্মৰ প্ৰতি ভাব আছে, তেতিয়াহলে তোমাৰ কাৰণে জগন্নাথ মন্দিৰ আছে। তুমি সমুদ্ৰ উপকূল ভাল পোৱানে? পুৰীৰ সমুদ্ৰতীৰ চাবলৈ নাপাহৰিবা। তুমি খাবলৈ ভাল পোৱা নেকি? পুৰীত খোৱা লোৱাৰো সুন্দৰ ব্যৱস্থা আছে।

আমাৰ দেশৰ ধুনীয়া উপকূলবোৰৰ ভিতৰত পুৰীৰ উপকূলো এটা। সাঁতোৰা আৰু স্নান কৰাৰ বাবে এই উপকূল অতি প্ৰশস্ত।

মন্দিৰৰ কাৰণে পুৰী অতি বিখ্যাত, বিশেষকৈ ১২শ শতিকাত নিৰ্মাণ কৰা ৬৫ মিটাৰ উচ্চতাৰ জগন্নাথ মন্দিৰৰ কাৰনে। নীলাচল নামৰ পাহাৰ এখনৰ ওপৰত নিৰ্মিত এই মন্দিৰটো জগন্নাথ বা ভগবান বিষ্ণুৰ মন্দিৰ।

মন্দিৰৰ প্ৰৱেশ পথত থকা ৮ মিটাৰ ওখ সূৰ্য্য স্তম্ভটো এসময় কোনাৰ্কৰ সূৰ্য্য মন্দিৰত আছিল।

বছৰেকীয়া ৰথ যাত্ৰা আৰু বিশ্বৰ বিহত্তম খাদ্য বজাৰা, আনন্দ বজাৰ এই দুটা পুৰীৰ বিশেষ বৈশিষ্ট্য। এই মন্দিৰে ২০,০০০ তকৈও অধিক মানুহক ভৰণ-পোষণ দি আছে।

কিনা-কটাৰ বাবেও পুৰীত বিভিন্ন ধৰণৰ সামগ্ৰী আছে। সেইবোৰ হ'ল - শিলত কটা মূৰ্ত্তি, কাঠত কটা মূৰ্ত্তি, সাগৰীয় শামুকৰ খোলাৰে বনোৱা বিভিন্ন বস্তু, কাপোৰৰ ওপৰত কৰা পট্টা পেইন্টিং আৰু এপ্লিকৰ কাম।

পুৰীলৈ কেনেকৈ যাব: পথ পৰিবহনেৰে গলে পুৰীলৈ ভূৱনেশ্বৰৰ পৰা ৬০ কি:মি: আৰু কোনাৰ্কৰ পৰা ৩৫ কি:মি: দূৰত্ব।

তোমালোকৰ বাবে কুইজ

১৪ বছৰৰ তলৰ শিশুৰ বাবে

প্ৰতিযোগিতা-৩

১. জগন্নাথৰ ভনীয়েক আৰু ভায়েকৰ নাম কি ? ৰথ যাত্ৰাত তেওঁৰ লগত কোন যায় ?

---

২. ৰথ যাত্ৰাৰ সময়ত মূৰ্ত্তিবোৰ এসপ্তাহৰ বাবে ২ কি:মি: দূৰত থকা এটা সৰু মন্দিৰলৈ লৈ যোৱা হয়। কোনটো মন্দিৰলৈ ?

---

৩. ভাৰতত থকা চাৰিটা ৬৪ যোগিনিৰ মন্দিৰৰ ভিতৰত এটা উৰিষ্যাৰ ক'ত আছে ?

প্ৰশ্নৰ তলত দিয়া খালি ঠাইত উত্তৰবোৰ স্পষ্টকৈ লিখিবা।

তলত দিয়া কূপণখন ভৰ্ত্তি কৰি এই ঠিকনাত পঠোৱা -

Orissa Tourism Quiz Contest
Chandamama India Limited
No.82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097

নাম : ....
বয়স : ....
ঠিকনা : ....
: ....
পিন.................ফোন.................

ORISSA TOURISM

Winners picked by Orissa Tourism in each contest will be eligible for **3-days, 2-night** stay at any of the **OTDC Panthanivas**, upto a maximum of four members of a family. Only original forms will be entertained. The competition is not open to CIL and Orissa Tourism family members. Orissa Tourism, Paryatan Bhaven, Bhubaneswar - 751 014. Ph : (0674) 432177, Fax : (0674) 430887, e-mail : ortour@sancharnet.in. Website : Orissa-tourism.com

বেতাল কথা

বিশ্বসেনৰ দিগ্‌ভ্ৰান্তি

পবন কুমাৰৰ
কাহিনীৰ আধাৰত
বেলাৰী

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ গছজেপাৰ ওচৰলৈ গ'ল । গছৰপৰা মৰাশটো নমাই আনি কান্ধত পেলাই ললে। তাৰ পাছত মৌন হৈ শ্মশানৰ ফালে আগবাঢ়িবলৈ ধৰিলে । তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, বাৰে বাৰে মই বুজোৱা স্বত্বেও কিয় বিপদ চপাই লৈছা ? এই মাজনিশা কোনোবাই শ্মশানত ঘূৰিফুৰে নে ? তুমিতো জানাই, ইয়াত ভূত-প্ৰেত আছে,



হিংস্ৰ জন্তু আছে, যিয়ে যিকোনো সময়তে তোমাৰ অপকাৰ কৰিব পাৰে । এজন ক্ষত্ৰিয়ই এনে কৰা উচিত নহয় । এইটো কেতিয়াও ক্ষত্ৰিয়োচিত নহয় । তুমি ইমান কঠোৰ পৰিশ্ৰম কৰা দেখি মোৰ অনুমান হৈছে তুমি ৰাজ্য বিস্তাৰ কৰিব ওলাইছা, ইয়াৰ বাবে এক ডাঙৰ সৈন্য বাহিনী গঠন কৰিব খুজিছা, মন্ত্ৰ-তন্ত্ৰৰ সহায়ত সম্পদবোৰ গোটাব খুজিছা । যদি তুমি এনে কিবা ভাবিছা তেতিয়াহলে ইয়াক পাহৰি যোৱা, কাৰণ এইটো সম্ভব নহব । তোমাক সাৱধান কৰি দিয়াতো আৰু উচিত পথ দেখুৱাতো মোৰ কৰ্ত্তব্য । তোমাক সাৱধান কৰি দিয়াৰ উদ্দেশ্যে মই তোমাক বিশ্বসেন নামৰ এজন ৰজাৰ কাহিনী শুনাব খুজিছো । যেতিয়া তেওঁৰ সকলো ইচ্ছা পূৰ্ণ হব ধৰিছিল, নিজৰ চঞ্চল স্বভাৱৰ বাবে নিজৰ হাতৰ কুঠাৰ ভৰিত মাৰিছিল । মোৰ ভয় হৈছে তুমিও সেই ৰজাৰ দৰে অন্তিম ক্ষণত এনে কোনো ভুল কৰিব পাৰা, যাৰ কাৰণে তোমাৰ সকলো আশাই নিৰাশাত পৰিণত হব । তোমাৰ চিন্তা ভাবনাৰ পৰিবৰ্তন ঘটোৱা, সজাগ হোৱা, নিজকে নিয়ন্ত্ৰন কৰা, নহলে তোমাৰ অনৰ্থ হব। পথৰ ভাগৰ দূৰ কৰিবলৈ ৰজা বিশ্বসেনৰ কাহিনী মনোযোগেৰে শুনা ।" এইবুলি তেওঁ কাহিনী কবলৈ আৰম্ভ কৰিলে ।

বিশ্বসেন মৈথিলি ৰাজ্যৰ ৰজা আছিল । তেওঁ চিকাৰ কৰিবলৈ খুব ভাল পাইছিল । চিকাৰ বুলিলে তেওঁ পাগল আছিল । ৰজা শাসনৰ যিমান মুখ্য কামেই তেওঁ নকৰক তথাপি তাৰ মাজতে তেওঁ চিকাৰলৈ গৈছিল । এবাৰ তেওঁ কিছুমান সৈন্য লগত লৈ চিকাৰলৈ ওলাইছিল । দুদিন ধৰি চেওঁ বিভিন্ন জন্তু চিকাৰ কৰিছিল ।

তৃতীয় দিনাখন তেওঁ যেতিয়া ৰাজধানীলৈ আহিবলৈ ওলাইছিল সেইসময়ত দুজন সৈনিকে আশ্ৰমৰ বিষয়ে কোৱা কথা শুনি আছিল । তেওঁলোকৰ কথা শুনি ৰজাৰ আশ্ৰম চোৱাৰ ইচ্ছা হ'ল । তেওঁ তৎক্ষণাত সৈনিকসকলক কলে, "তোমালোক মোৰ লগত অহাৰ কোনো আৱশ্যক নাই । মই ইয়াৰ ঋষিসকলক দেখা কৰিবলৈ যাও । সূৰ্য্যাস্তৰ আগতে উভতি আহিম।"

ইফালে দুবছৰ ধৰি পৰ্যাপ্ত পৰিমাণৰ বৰষুণ নোহোৱা বাবে ৰাজ্যত আকালে দেখা দিছিল । মানুহৰ মাজত হাহাকাৰ লাগি গৈছে । গৈ থাকোতে ৰজাই এইবোৰ কথাই চিন্তা কৰি আছিল। তেওঁ ভাবি পোৱা নাছিল এই সমস্যা কেনেকৈ সমাধান কৰা যায় ।

এইদৰে গৈ থাকোতে ৰজাই হঠাতে দেখিবলৈ পালে বান্দৰৰ পোৱালি এটা গছৰ পৰা পৰি দুখতে চিঞৰি আছে ।

"বেচেৰা তেনেই অকণমান পোৱালি । ইয়াৰ মাক মৰিছে কিজানি । গছৰ ডাল বগাই ফুৰা ভাল অভ্যাস হোৱা নাই চাগৈ । মই ইয়াক লৈ যোৱাই ঠিক হব । কোনো সৈনিকক লালন-পালন কৰিবলৈ দিম ।" ইয়াকে ভাবি ৰজাই

পোৱালিটোক ধৰিবলৈ হাতখন আগবঢ়াই দিলে। এনেতে বান্দৰৰ পোৱালিটোৰ মাকে গছৰ পৰা জাপ মাৰি মাটিত পৰি পোৱালিটো লৈ গছৰ ওপৰলৈ উঠি গ'ল । বান্দৰীয়ে নখেৰে ৰজাক খামুচিও দিছিল ।

এই ঘটনাই ৰজাৰ মনতো অশান্ত কৰি দিলে। অলপ দূৰ গৈ তেওঁ এজন ঋষিৰ আশ্ৰম পালে । ঋষিয়ে ৰজাক সম্ভাষণ জনাই কলে, "ৰাজন, চিকাৰ কৰিবলৈ আপুনি ইমান দূৰলৈ আহিছে, কিন্তু আপোনাৰ মুখমন্ডলত কোনো আনন্দৰ ভাব দেখা নাই । ইয়াৰ কাৰণ কি মই জানিব পাৰোনে ?"

ৰজা বিশ্বসেন এটা দীৰ্ঘশ্বাস লৈ বাটত ঘটা বান্দৰৰ ঘটনাটোৰ কথা কলে আৰু বান্দৰীজনীয়ে তেওঁৰ হাতত খামুচি দিয়াৰ কথাও কলে । নিজৰ মনৰ কথা প্ৰকাশ কৰি ৰজাই ঋষিক কলে, "মানুহে অন্য প্ৰাণীৰ প্ৰতি দয়া আৰু সহানুভূতি দেখুৱাব খোজে । অসহায়ক সহায় কৰিব খোজে, কিন্তু ইয়াতো যেন মানুহৰ অধিকাৰ নাই। চাওঁতে চাওঁতে দিনে দিনে পৰিস্থিতি সলনি হব ধৰিছে । কাৰোবাৰ ভাল কৰিবলৈও মানুহে ভয় কৰিব লগা হৈছে ।"

ৰজাৰ কতা শুনি ঋষিয়ে হাঁহিমাৰি কলে, "মহাৰাজ, মোৰ অনুমান হয় আপুনি সেই সকল লোকৰ ভিতৰত নাই, যিয়ে কোনো বিষয় লৈ ইমান গভীৰভাবে চিন্তা কৰে, নিজে নিজে তৰ্ক বিতৰ্ক কৰে । আপুনি কিমান যে নিৰিহ জন্তুক বধ কৰিছে, তেতিয়া আপুনি সেই জন্তুবোৰৰ পোৱালিৰ কথা চিন্তা কৰা নাছিল কিজানি । আপুনি ইয়াকো চিন্তা কৰা নাছিল কিজানি সেই জন্তুবোৰ মাৰিলে তাৰ পোৱালিবোৰে কেনেকৈ ডাঙৰ হব, মনত কিমান কষ্ট পাব । সেই এটা মাথোঁ বান্দৰৰ পোৱালিৰ বাবে আপোনাক খুব চিন্তিত যেন দেখা গৈছে । এইটোতো সঁচাকৈয়ে আচৰিত হব লগা কথা । ইফালে আজি দুবছৰ ধৰি বৰষুণৰ অভাবত দেশত আকাল হৈছে ।

ভৱিষ্যতলৈ এই সমস্যাই বিশাল ৰূপ ধাৰণ কৰিব। আপুনি দেশৰ ৰজা । প্ৰজাক ৰক্ষা কৰা আপোনাৰ ধৰ্ম । এই সমস্যা কেনেকৈ সমাধান কৰা যায়, প্ৰজাসকলক এই আকালৰ পৰা কেনেকৈ ৰক্ষা কৰা যায় এই বিষয়ে আপুনি কেতিয়াব চিন্তা কৰিছেনে ?"

ঋষিৰ এই কথা শুনি ৰজা হতভম্ব হৈ গ'ল। তেওঁ ঋষিক কলে, "ঋষিবৰ এইটো কোনো অসাধাৰণ পৰিস্থিতি নহয় । চাৰি-পাঁচ বছৰৰ ভিতৰত এবাৰ বৰষুণৰ অভাবত এনে আকাল হৈছে । দীৰ্ঘ দিন ধৰি এইটো চলি আহিছে । মোৰ পূৰ্বপুৰুষৰ শাসন্ কালতো এনে আকাল বহুবাৰ হৈছে ।

"তেতিয়াহলে ইয়াক দূৰ কৰাৰ কোনো উপায় নাই ?" ঋষিয়ে অলপ খং ভাবে কলে ।

বিশ্বসেনে কিছুসময় চিন্তা কৰি, ঋষিক হাতযোৰ কৰি প্ৰণাম কৰি কলে, "অৱশ্যেই ইয়াৰ উপায় আছে ঋষিবৰ । অধিককৈ সম্পত্তি



অৰ্জন কৰি, সৈন্য বল বঢ়াই লৈ অন্যৰ ৰাজ্য নিজৰ অধীন কৰি লৈ তাৰ পাছত সেইবোৰ ৰাজ্যৰ পৰা খাদ্যবস্তু আৰু অনান্য সামগ্ৰী আনিব পাৰি । ইয়াৰ দ্বাৰা সমস্যাৰ সমাধান হব, আকাল দূৰ হব আৰু প্ৰজাসকলে সুখেৰে দিন কটাব পাৰিব ।''

''বাঃ, কি সুন্দৰ পৰিকল্পনা । ইয়াৰ এইটোৱে অৰ্থ যে আপুনি ধনবল আৰু সেনাবলৰ সহায়ত সম্ৰাট হবলৈ আকাংক্ষা কৰিছে । যদি আপোনাৰ ইটোৱে উদ্দেশ্য তেতিয়াহলে এটা কাম কৰক, ইয়াৰ পৰা চাৰি ক্ৰোশ দূৰত্ব উত্তৰলৈ গলে আপুনি এখন ৰূপৰ পাহাৰ দেখিবলৈ পাব । আপুনি যিমান ৰূপ বিচাৰে, নিজৰাজ্যৰ বাবে সিমানে নিব পাৰিব।'' ঋষিয়ে এটা হাঁহিমাৰি কলে ।

ঋষিয়ে কোৱা অনুসাৰে বিশ্বসেনে সেইফালে আগবাঢ়ি গ'ল । কিছুদূৰ যোৱাৰ পিছত সূৰ্যৰ কিৰণ পৰি চিকমিকাই থকা ৰূপৰ পাহাৰ দেখিবলৈ পালে । ইমান ৰূপ দেখি আনন্দতে নিজকে নিজে কবলৈ ধৰিলে, ''বাপৰে বাপ, ইমান ৰূপ । এইবোৰ নিজ ৰাজ্যলৈ লৈ যাবলৈ শ শ বাহন লাগিব ।'' তাৰপাছত তেওঁ উভতিবলৈ ঘূৰিলে ।

তেতিয়া তেওঁ তাৰ ওচৰতে মুনিৰ এটা পৰ্ণকূটীৰ দেখিলে । সেই সময় মুনিয়ে দুটা হৰিণৰ পোৱালিক গছৰ কোমল পাত খুৱাই আছিল । তাৰ পৰা কিছু দূৰত থিয় হৈ হৰিণ হৰিণীয়ে সিহঁতৰ পোৱালি দুটাৰ ফালে এক প্ৰেমপূৰ্ণ দৃষ্টিৰে চাই আছিল । এই দৃশ্য দেখি ৰজাৰ মনত খোকোজা লাগিল । তেওঁ ভাবিবলৈ ধৰিলে, ''আঃ ! ইমান নিৰীহ জন্তুক মাৰিবলৈ মই চিকাৰলৈ আহিছো ? মই কিমান অধম ।'' তেওঁ আগবাঢ়িবলৈ সংকোচ কৰি আছিল, এনেতে মুনিয়ে তেওঁক দেখি কলে, ''ৰাজন, কিহৰ সংকোচ কৰিছে । আহক । দেহৰক্ষী লগত নোহোৱাকৈ ইমান দূৰ কেনেকৈ আহিলে ?''

বিশ্বসেনে মুনিক সবিনয়ে প্ৰণাম কৰিলে । তেওঁ মুনিৰ আগত কোনো কথা লুকুৱাব খোজা নাছিল, সেয়ে তেওঁ ৰূপৰ পাহাৰৰ কথা উল্লেখ কৰিলে আৰু তালৈ অহাৰ কাৰণৰ কথা কলে ।

সকলো কথা শুনাৰ পাছত মুনিয়ে ৰজাৰ ফালে এবাৰ চাই কলে, ''ৰাজন, ৰূপৰ পাহাৰ দেখি আপোনাক খুব আনন্দিত যেন দেখা গৈছে। ইয়াৰ পৰা আৰু চাৰি ক্ৰোশ আগবাঢ়ি গলে তাত আপুনি এখন সোণৰ পাহাৰ দেখিবলৈ পাব ।''

সোণৰ পাহাৰৰ কথা শুনিয়ে বিশ্বসেনৰ মনত আনন্দৰ সীমা নোহোৱা হ'ল । ৰজাই মুনিক নমস্কাৰ কৰি মুনিয়েকোৱাৰ ফালে আগবাঢ়ি গ'ল । তেওঁ সেই ঠাইত গৈ উপস্থিত হৈ চিকমিকাই থকা সোণৰ পাহাৰ দেখিবলৈ পালে । ৰজাই আশ্চৰ্য্য আৰু আনন্দতে কবলৈ ধৰিলে, ''বাঃ, মোৰ জীৱন ধন্য হ'ল । সোণৰ এই পাহাৰ এতিয়া মোৰ নিজৰ সম্পত্তি হ'ল।'' তেওঁ আনন্দতে চিঞৰি উঠিল ।

তাৰ অলপ দূৰত এটা সৰোবৰ আছিল ।

এজন যোগীয়ে স্নান কৰি সৰোবৰৰ পৰা উঠি আহিছিল। তেওঁ ৰজাৰ সকলো কথাই শুনিবলৈ পাইছিল। মুনিয়ে হাতৰ দন্ডডাল ৰজাৰ ফালে দাঙি কবলৈ ধৰিলে, "ৰাজন, এই সোণৰ পাহাৰ দেখি আপোনাক খুব আনন্দিত যেন দেখা গৈছে। এইতো হীৰাৰ খনিৰ তুলনাত একোৱে নহয়। সেই খনি ইয়াৰপৰা চাৰি ক্ৰোশ দূৰত আছে।"

"সঁচা কথানে যোগীবৰ ?" এইবুলি কৈ তেওঁ যোগীক প্ৰণাম কৰি তাৰপৰা হীৰাৰ খনি থকা ঠাইৰ ফালে আগবাঢ়ি গ'ল।

যোগীয়ে কোৱা অনুসাৰে তেওঁ হীৰাৰ খনি দেখিবলৈ পালে। তাৰ ওপৰত সূৰ্য্যৰ কিৰণ পৰি চিকমিকাই আছিল। সেই হীৰাৰ ওপৰত সাপে ফণা তুলি থকা দেখা পাইছিল।

ৰদতে চিকমিকাই থকা হীৰাৰ খনি দেখি বিশ্বসেন আনন্দতে পাগলৰ দৰে হৈ গ'ল। তেওঁ কবলৈ ধৰিলে, "মোৰ সুনিপুণ সৈনিকসকলে একোপাত বাণেৰে দুই-তিনিডাল সাপ মাৰিব পাৰে। এই আটাইবোৰ হীৰাই মই হাতী আৰু উটৰ ওপৰত তুলি লৈ নিজ ৰাজ্যলৈ লৈ যাম। ইয়াৰে মই মোৰ ৰাজ্যখন ধনী কৰি লম, সৈন্যবাহনী ডাঙৰ কৰি লৈ ওচৰৰ ৰাজ্যবোৰ নিজৰ অধীন কৰি লম। গোটেই দেশৰ সম্ৰাট হৈ মই শাসন কৰিম। মোৰ এই সপোন বাস্তৱত পৰিণত হলে মোতকৈ ডাঙৰ আৰু কোনো নহব।"

এনেতে এক গম্ভীৰ কন্ঠস্বৰ শুনা গ'ল, "ৰাজন, তোমাতকৈও অধিক ধনবান, তোমাতকৈও অধিক ভাগ্যবান, তোমাতকৈও অধিক মহান ব্যক্তি এই সংসাৰাত কিমান যে আছে। সেইসকলৰ ভিতৰত ময়ো এজন।" এই কথা শুনি বিশ্বসেনে চক্‌খাই উঠিল।

অলপ পিছতে দিব্য জ্যোতিৰে প্ৰকাশমান এক আকাৰ তেওঁৰ সন্মুখত দেখা দিলে। সেইটোৰ ফালে ৰজাই আচৰিত হৈ চাই ৰল।



তেতিয়া সেই তেজস্বীয়ে গম্ভীৰ স্বৰে কলে, "তোমাৰ সপোন বাস্তৱত পৰিণত হ'ল নহয়নে? সোণ, ৰূপ, হীৰা নিজৰ ৰাজলৈ লৈ যাব বিচাৰিছা, সেনা বল বৃদ্ধি কৰিব বিচাৰিছা, ওচৰৰ ৰাজ্যবোৰ নিজৰ অধীন কৰি লব বিচাৰিছা, সম্ৰাট হব খুজিছা। কিন্তু এই পৰম সত্যটো পাহৰি গৈছা নেকি, এই যুদ্ধৰ কাৰণে অসংখ্য ধন-জন নষ্ট হব ?

ইয়াৰ পিছত বিশ্বসেনে তেজস্বী ব্যক্তিৰ প্ৰতি সম্বোধন কৰি কলে, "মহাপুৰুষ, আপুনিতো জানেই কিজানি ৰাজ্য বিস্তাৰ ক্ষত্ৰিয়ৰ বাবে কোনো নতুন আকাংক্ষা নহয়। এইটো ক্ষত্ৰিয় ধৰ্ম। ইয়াৰ বাবেই ক্ষত্ৰিয়ই জীয়াই থাকে আৰু মৃত্যু বৰণ কৰে।"

তেতিয়া তেজস্বী পুৰুষজনে হাঁহি মাৰি কলে, "প্ৰজাসকলৰ কল্যাণত যিয়ে বিঘিনি ঘটায় তাক ধৰ্ম বুলি কব নোৱাৰি। সকলো ৰজাই ক্ষত্ৰিয় ধৰ্মৰ নামত অন্য ৰাজ্য অধিকাৰ কৰিলে, যুদ্ধ হলে, প্ৰজাৰ কি দুখলগা অৱস্থা হয় তুমি নাজানা

নেকি ? তাৰোপৰি জয়-পৰাজয় জন্মান্ধৰ হাতত থকা চাকিৰ দৰে । ৰাজন, মই তোমাক ইয়াকে আশীৰ্বাদ দিলো, হয়তো তুমি যুদ্ধত জয় লাভ কৰি সম্ৰাট হবা অথবা ভৱিষ্যতে যাতে আকাল নহয় তাৰে চেষ্টা কৰি সফল হবা, ইয়াৰ যিকোনো এটাত কৃতকাৰ্য্য হব পাৰিবা ।" ইয়াকে কৈ সেই তেজস্বী পুৰুষজন অদৃশ্য হৈ গ'ল ।

ইয়াৰ পিছত বিশ্বসেনে য'ত তেওঁ সৈনিকসকলক এৰি আহিছিল তালৈ উলতি গ'ল। কিন্তু এইবাৰ ৰজাই যি বাটেৰে আহিছিল সেই বাটেৰে নগৈ অন্য এটা বাটেৰে উলতি গ'ল । তাত গৈ পায়ে ৰজাই সৈনিক সকলক কলে, "আজিৰ পৰা তোমালোকে নিজৰ অস্ত্ৰ নিজৰ ঘৰতে ৰাখিবা । ভৱিষ্যতে তোমালোকে গাঁৱে গাঁৱে গৈ তাৰ পৰিস্থতিৰ বুজ লৈ সময়ে সময়ে মোক জনাই থাকিবা । এতিয়া ৰাজধানীলৈ উভতি বলা ।"

বেতালে বিশ্বসেনৰ কাহিনী কোৱাৰ পিছত ৰজা বিক্ৰমক সুধিলে, "ৰাজন, বিশ্বসেনে দীৰ্ঘদিন ধৰি অপাৰ ধন অৰ্জন কৰা আৰু সৈন্যবল বঢ়োৱাৰ কথা ভাবি আছিল । তেওঁ অন্য ৰাজ্য আক্ৰমণ কৰি নিজৰ অধীন কৰি লোৱাৰ কথাও চিন্তা কৰিছিল । নিজকে সম্ৰাট বুলি কোৱাৰ তেওঁৰ মহৎ আকাংক্ষা আছিল । তেওঁ অপাৰ সম্পদ পালে । ইয়াৰ উপৰি তেওঁ তেজস্বী পুৰুষৰ এই আশীৰ্বাদো লাভ কৰিছিল যে, যুদ্ধত জয়লাভ অথবা আকাল দূৰ কৰা যিকোনো এটা কামতহে সফল হব পাৰিব । তথাপি তেওঁ যুদ্ধত জয়লাভ কৰিবলৈ কিয় ইচ্ছা নকৰিলে ? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি তুমি মৌন হৈ থাকা তোমাৰ মূৰটো টুকুৰা-টুকুৰ হৈ যাব ।"

তেতিয়া বিক্ৰমে মাত লগালে, "এইটো সদায় সত্য নহয় যে, য'ত ধন যশ পোৱাৰ আকাংক্ষা হয়, তাত মনৱতা, দয়া, সহানুভূতি, সমবেদনাৰ ভাব নাথাকে । বান্দৰৰ পোৱালিক জীৱন দানৰ বিষয়ত আৰু ঋষিৰ হৰিণা পোৱালি দেখি তেওঁৰ মনত যি মনোবেদনাৰ সৃষ্টি হ'ল তাকে দেখি এইটো স্পষ্ট বুজা যায় যে ৰজা বিশ্বসেনৰ হৃদয়তো মানৱতা লুকাই আছে । তেজস্বী পুৰুষে যুদ্ধৰ পৰিণামৰ বিষয়ে যি কলে, তাৰ নিহিত সত্য তেওঁ বুজিব পাৰিলে । এই কাৰণে তেওঁ প্ৰজাৰ মঙ্গলৰ কাৰণ নিজকে উছৰ্গা কৰাৰ সিদ্ধান্ত ললে আৰু সেইটোৱে হ'ল আচল সিদ্ধান্ত।

ৰজাৰ মৌনতা ভঙ্গকৰাত সফল হৈ বেতালে শটোৰে সৈতে অদৃশ্য হৈ গ'ল আৰু পুনৰ গছৰ ডালত গৈ ওলমি থাকিল।



মাল্লুৱে পোতক তুলিলে
কাহিনী:
এম.শঙ্কৰ ৰাও
বিজয়নগৰম
এদিন ৰাতিপুৱা মাল্লুৱে টোপনিৰ পৰা উঠি সতেজতা অনুভৱ কৰিছিল আৰু তাৰ ভোক লাগিছিল ।
ৰাতিপুৱা খাবলৈ মাথোঁ গাজৰ হে আছে ।
গাজৰ ! মোৰ গাজৰ খাই আমনি লাগিছে ।
মোক সুস্বাদু কিবা খাবলৈ লাগে ।
ক'ত মই সুস্বাদু আহাৰ পাম ?
আঃ ! কি বঢ়িয়া গোন্ধ !
সি ভোলা ভালুকৰ ৰান্ধনিশালত ৰন্ধা খাদ্যৰ গোন্ধ পালে ।
সি পোনে পোনে ভোলাৰ ঘৰলৈ আগবাঢ়ি গ'ল...।
ফিল্টি শিয়ালৰ লগত তাৰ মূৰে মূৰে খুন্দা লাগিল ।
ফিল্টিয়ে খঙতে দাঁত কৰচি মাল্লুক খেদি আহিল ।
মোক খুন্দিয়াবলৈ সাহস কৰিছা? মই তোমাক জীয়াই জীয়াই খাম ।
বেচেৰা মাল্লুৱে ভয় খাই ফিল্টিক ক্ষমা খুজিলে ।
ফিল্টিয়ে মাল্লুক খাবলৈ আঁকোৰগোজ হৈ লাগিল ।
মই তোমাক কেনেকৈ খাম : কেঁচাই নে সেকি ?
ফিল্টক মুখ বনাবলৈ মাল্লুৰ এটা বুদ্ধি খেলালে ।

তুমি যদি ইচ্ছা কৰা মোক খাব পাৰা ফিল্টি ! মহৎ কামৰ বাবে মৰিবলৈ মই ভয় নকৰো ।
কিন্তু সদায় শহাৰ মাংস খাই তোমাৰ আমনি লগা নাই নে !
শ্ৰীমতী ভোলাই ৰন্ধা আহাৰ খাবলৈ চেষ্টা নকৰা কিয় ?
হাঁ মু ম্ । তুমি ঠিক কৈছা । নতুন আহাৰ খাবলৈ চেষ্টা কৰাতো বেয়া নহব ।
কিন্তু, শ্ৰীমতী ভোলাৰ আহাৰ কেনেকৈ পাম ?
মাল্লুৱে সাজু হৈয়ে আছিল ।
মই তাৰ বাবে এটা পৰিকল্পনা কৰিছো । মই যি কও তাকে কৰিবা । তেতিয়া শ্ৰীমতী ভোলাই ৰন্ধা খাদ্য খাব পাৰিবা ।
মাল্লু আৰু ফিল্টিয়ে ডাঃ ভোলাৰ ঘৰৰ ফালে আগবাঢ়ি গ'ল । হঠাতে ফিল্টি পৰি গ'ল আৰু দুখ পোৱা বুলি কলে ।
মাল্লুৱে ডাঃ ভোলাৰ তালৈকে আহিল ।
ডাক্তৰ, মোৰ বন্ধুজনৰ বেমাৰ হৈছে, সহায় কৰিব পাৰিবনে ?
তেওঁক মোৰ ঘৰলৈ লৈ আহা । মই তেওঁক পিল খাবলৈ দিম ।
এইটোৱে ঠিক হব !
ফিল্টিয়ে ডাঃ ভোলাৰ ঘৰৰ ওলোমা বিছনা এখনত পৰি আছে । মাল্লুৱে তাক ৰখি আছে ।
শ্ৰীমতী ভোলাই খাদ্য বনাই আছিল। মাল্লু আৰু ফিল্টিৰ মনত ভাল লাগিছিল ।
অলপ পিছতে ডাঃ ভোলা আৰু পত্নীয়ে হাবিৰ মাজলৈ ঘূৰিবলৈ গ'ল ।
আঃ, এইটোৱে সুযোগ...!
এইটো যুম্মী !
ফিল্টিয়ে পুলুকা মাৰি ৰান্ধনিশালত সোমাই টপাটপে খাদ্যবোৰ খাবলৈ ধৰিলে ।
মাল্লুৱে যেতিয়া খাবলৈ আহিছিল ফিল্টিয়ে তাৰফলে গেপেৰি মাৰি উঠিছিল।
অকণমানি শহা, আমনি নকৰিবা !

খোৱাৰ পিছত ফিল্টিয়ে ডাঙৰকৈ উগাৰ মাৰিলে ।
ফিল্টিৰ স্বাৰ্থপৰতাত মাল্লু বিৰক্ত হৈছিল । সি ইয়াৰ প্ৰতিশোধ লবলৈ প্ৰতিজ্ঞা কৰিলে ।
তুমি ইয়াৰ মজা পাবা ।
ফুঃ..... !
ফিল্টিয়ে মাল্লুৰ ফালে মন নকৰি শুবলৈ গ'ল । মাল্লুৰ মনত এটা বুদ্ধি খেলালে ।
খকুৱা কৰবাৰ, ৰবি ।
সি ৰান্ধনিশালালৈ আহি মাছৰ কাঁইট কেইডালমান বুটলি ললে ।
পাত্ৰটাৰ পৰা ওলমা বিছানাখনলৈ সি কাঁইটবোৰ শাৰী পাতি থলে ।
ফিল্টিয়ে আনন্দ মনে নাক বজাই শুই আছে ।
এতিয়া মোক আচল ধেমালিতো চাবলৈ দিয়া ।
মোৰ ভোক লাগিছে ।
ব'লা দুপৰীয়াৰ আহাৰ খাওঁ ।
ডাঃ ভোলা আৰু তেওঁৰ পত্নী অলপ পাচতে ঘৰলৈ উভতি আহিল
শ্ৰীমতী ভোলাই আচৰিত হ'ল, পাত্ৰবোৰ খালী ।
কোনে আমাৰ আহাৰবোৰ খালে?
তাই ওলমা বিছানালৈ শাৰীপাতি থকা মাছৰ কাইটবোৰ দেখিলে ।
এতিয়াহে মই জানিছো ।
ডাঃ ভোলা আৰু শ্ৰীমতী ভোলাই ফিল্টিৰ ফালে সন্তৰ্পনে আগুৱাই গৈ তাক মাৰিবলৈ ধৰিলে ।
খকুৱা কৰবাৰ, উচিত শিক্ষাই পাইছা !
এইটো বৰ বেদনাদায়ক । মোৰ সঁচাকৈয়ে এজন ডাক্তৰৰ আৱশ্যক ।
লোভে একো নামানে ।
সমাপ্ত

সৰ্পৰ বৰদান

জয়ন্ত নন্দ
সম্বলপুৰ

পি. অভিশেক
হায়দৰাবাদ

উত্তৰ প্ৰদেশৰ সৰু গাওঁ এখনত ৰুমা নামৰ এজনী ধুনীয়া ছোৱালী আছিল । তাই সৰু থাকোতে তাইৰ মাকৰ মৃত্যু হৈছিল । তাইৰ মাহীমাক আৰু মাহীমাকৰ জীয়েক শ্যামলাই ৰুমাক খুব বেয়া ব্যৱহাৰ কৰিছিল । ঘৰৰ সকলোবোৰ কাম কাজ ৰুমাই কৰিব লাগিছিল ।

তাইৰ মাহীমাকে তাইক ধমক দি কৈছিল, "অকৰ্মন্য ছোৱালী কৰবাৰ ! তাৰাতাৰি কাপোৰবোৰ ধো । তাই পিতাৰালৈ দুপৰীয়াৰ আহাৰ লৈ যাব লাগিব তাৰ আগতে মোৰ কাৰণে একাপ চাহ বনাবি...।" এইটো আছিল ৰুমাৰ জীৱনৰ দৈনন্দিন কাৰ্য্যসূচী ।

এদিনাখন ৰুমাই যেতিয়া পিতাকৰ বাবে জলপান লৈ পথাৰলৈ গৈ আছিল হঠাতে গছৰপৰা কিবা এটা তাইৰ সন্মুখত পৰিছিল । তেতিয়া তাই চিঞৰিবলৈ ধৰিলে । সেই সময়ত সেইপিনেৰে এটা সাপ আহি আছিল । তাই



চিঞৰি থকা দেখি সাপটোৱে সুধিছিল, "অকণমণি ছোৱালী, কিয় কান্দিছা ?"

ৰুমাই চকুপানী মচি গোটেই কথাখিনি কৈছিল। তেতিয়া সাপটোৱে কৈছিল, তুমি যদি মোৰ ভনীজনীৰ বাবে এডাল মালা গাঠি দিয়া মই তোমাক সহায় কৰিব পাৰো । অহাকালি মোৰ ভনীজনীয়ে এখন অনুষ্ঠানলৈ যাব লাগে ।

ৰুমাই ওচৰতে থকা ফুলৰ গছৰ পৰা কিছুমান ফুল সংগ্ৰহ কৰি আনি এধাৰি মালা গাঠিছিল । ধুনীয়া মালাডাল দেখি সাপটোৰ খুব ভাল লাগিছিল । সাপটোৱে কৈছিল "তুমি এটা সাপৰ কথা ৰাখিছা । সঁচাকৈয়ে তুমি বৰ মৰমীয়াল । মই তোমাক দুটা বৰ দিলো- ..তুমি বৰ ধুনীয়া হবা আৰু তোমাৰ মাতটো খুব মধুৰ হব ।" এইবুলি কৈ সাপটো তাৰপৰা গুচি গৈছিল ।

ৰুমা যেতিয়া ঘৰলৈ ঘূৰি আহিছিল, তাইৰ সুমধুৰ মাত শুনি মাহীমাক খুব আচৰিত হৈছিল আৰু তাই হঠাতে কেনেকৈ ইমান ধুনীয়া দেখা হল সেইটো ভাবিও তেওঁ আচৰিত হৈছিল । এই বিষয়ে মাহীমাকে তাইক সুধিছিল । তেতিয়া ৰুমাই সাপটোৰ লগত দেখা হোৱা কথাখিনিৰ বাহিৰে বাকী সকলোবোৰ কথাই মাহীমাকৰ আগত কৈছিল ।

পিছদিনাখন মাহীমাকে পিতাকক জলপান দিবলৈ শ্যামলাক পঠাইছিল । শ্যামলাৰো সাপটোৰ লগত দেখা হৈছিল । সেইটোৱে যে ৰুমাক বৰ দিয়া সাপটো এই কথা শ্যামলাই জনা নাছিল । তাই ভাবছিল এইটো সাধাৰণ বৰ্ণৰীয়া সাপ । সেয়েহে সাপটোৱে যেতিয়া তাইক এডাল মালা খুজিছিল তাই সাপটোক লঠিয়াই দিছিল ।

তেতিয়া সাপটোৱে শ্যামলাক শাপ দি কৈছিল "তুমি পৃথিবীৰ ভিতৰতে দেখিবলৈ কুৰূপা হবা আৰু সকলোৱে তোমাক ঘৃণা কৰিব ।"

তাই যেতিয়া ঘৰ আহি পাইছিল জীয়েকৰ কুৎচিৎ মুখ দেখি মাকে মনত বৰ বেজাৰ পাইছিল। শ্যামলাই এতিয়া কি কৰিব ভাবি পোৱা

নাছিল । মাহীমাক আৰু শ্যামলাৰ মনৰ দুখ দেখি ৰুমাৰো মনটো খুব বেয়া লাগিছিল ।

ৰুমা বৰ দয়ালু আছিল । তাই সাপটোৰ ওচৰলৈ গৈ ভনীয়েকৰ হৈ ক্ষমা খোজাৰ সিদ্ধান্ত কৰিছিল ।

ৰুমাই যেতিয়া সাপটোক লগ পাইছিল তেতিয়া তাই শ্যামলাৰ আগৰ ৰূপটো ঘূৰাই দিবলৈ অনুৰোধ কৰিছিল । তাই অনুৰোধ কৰা দেখি সাপটোৱে কৈছিল, "তুমি এজনী খুব ভাল ছোৱালী । তোমাক তেওঁলোকে ইমান অত্যাচাৰ কৰা সত্বেও তুমি তেওঁলোকৰ মঙ্গলৰ কথাই চিন্তা কৰা। মই তোমাৰ অনুৰোধ ৰাখিলো।"

সাপটোৱে ৰুমাক আকৌ কলে, "অহা সপ্তাহ এই দেশৰ ৰজা এই গাঁৱৰ মাজেৰে যাব । তুমি যদি ৰজাক এটা অতি সুমধুৰ গীত শুনুৱা তেওঁ তোমাক পুৰস্কাৰ দিব লগতে তুমি সেই দেশৰ ৰাণী হব পাৰিবা ।"

সাপটোৱে কোৱা মতে পিছৰ সপ্তাহত সেই দেশৰ ৰজা ৰুমাহঁতৰ গাঁৱৰ মাজেৰে গৈছিল। গাঁৱৰ মুখীয়াল মানুহবোৰে ৰজাক সম্বৰ্দ্ধনা জনাবলৈ গাঁৱৰে প্ৰেক্ষাগৃহত উপস্থিত হৈছিল, তেওঁলোকে ৰুমাক এটা গীত গাবলৈ অনুৰোধ কৰিছিল । ৰুমাৰ সুমধুৰ গীত শুনি ৰজা খুব মোহিত হৈছিল । ৰজাই ৰুমাৰ পিতাকক মাতি পঠাইছিল আৰু তাইক তোলনীয়া কন্যা কৰি লোৱাৰ কথা কৈছিল । ৰুমাৰ পিতাকৰ মনত ভাল লাগিছিল যদিও ৰুমাক হেৰুৱাব লগা হোৱা বাবে দুখো পাইছিল । কিন্তু ৰুমাই ৰজাৰ কথাত সন্মত হোৱা নাছিল । তাই কৈছিল, "মই মোৰ পিতা মাতা আৰু ভনীজনীক এৰি কলৈকো নাযাওঁ!"

তেতিয়া ৰজাই ৰুমাৰ গোটেই পৰিয়ালটোকে ৰাজধানীলৈ লৈ যোৱাৰ বাবে প্ৰস্তাৱ দিছিল, যাতে ৰুমাৰ লগতে তেওঁলোকে থাকিব পাৰে । কিয়নো, ৰুমা সেই দেশৰ ৰাজকুমাৰী হব । ৰুমাৰ কথা শুনি তাইৰ মাহীমাক আৰু ভনীয়েকে খুব লাজ পাইছিল । কাৰণ আগতে তেওঁলোকে তাইক খুব কষ্ট দিছিল । সেয়েহে তাইৰ ওচৰত ক্ষমা বিচাৰিছিল।

মৰমে দুষ্টৰ মনো জয় কৰিব পাৰে ।

গাধৰ শিকনি

বসুয়ে এটা কুকুৰ, এটা গাধ আৰু এজনী কুকুৰা পুহিছিল। গাধটো তেওঁ ঘৰৰ পিছফালে বান্ধি ৰাখিছিল আৰু কুকুৰটো বান্ধি ৰাখিছিল বাৰান্দাত। বসুয়ে যেতিয়া কামৰ পৰা উভতি আহিছিল কুকুৰটোৱে নেজ লৰাই লৰাই তেওঁক আদৰণি জনাইছিল আৰু আনন্দতে তেওঁৰ গালে জপিয়াইছিল। তাৰ উৎসাহ দেখি বসুয়েও কুকুৰটোক মৰম কৰিছিল। তেওঁ কুকুৰটোক কোলাত তুলি লৈছিল, তাৰ গাটো পিহি দিছিল আৰু তাৰ লগত খেলিছিল। বসুয়ে তাক বিস্কুট আৰু ৰুটিৰ টুকুৰা দলিয়াই দিছিল আৰু কুকুৰটোৱে জপিয়াই জপিয়াই সেইবোৰ ওপৰতে ধৰি খাইছিল।

বেচেৰা গাধটোকহে টান কাম কৰিবলৈ দিছিল। তাক তেলপেৰাত লগাই দিছিল আৰু সি ঘূৰি ঘুৰি তেল পেৰিব লাগিছিল। সি হাবিৰ পৰা খৰিৰ বোজা বৈ আনিব লাগিছিল। সি খেতিৰ সঁজুলিবোৰ ঘৰৰ পৰা খেতিপথাৰলৈ বৈ নিব লাগিছিল।

এদিনাখন গাধটোৰ মনত খুব দুখ লাগিছিল। ইমান কঠিন জীৱন যাপন কৰিব লগা হোৱাত তাৰ নিজৰ ওপৰতে ধিক্কাৰ লাগিছিল। কুকুৰটোৰ প্ৰতি সি খুব ঈৰ্ষান্বিত হৈছিল। সন্ধিয়া গাধটোৱে তাৰ মনৰ বেজাৰৰ কথা প্ৰকাশ কৰি কুকুৰটোক কৈছিল, "তুমি কোনো কাম কৰিব নালাগে তথাপি তুমি খাবলৈ ভাল বস্তু পোৱা। মই ইমান গধুৰ বোজা বব লাগে তথাপি মোক খাবলৈ ভাল খাদ্য নিদিয়ে। হে ভগবান! কেতিয়ানো এই অবিচাৰ দূৰ হব?"

কুকুৰটোৱে প্ৰতিবাদ কৰি কৈছিল "তুমি ভবাৰ দৰে মোৰ জীৱনটো সিমান সহজ নহয়। মোক ঘৰটো পহৰা দিবলৈ ৰাতিহে বান্ধৰ পৰা মুকলি কৰি দিয়ে। সেই সময়খিনিয়ে মই মুকলিকৈ ঘূৰিব পাৰো। বাকী গোটেই দিনটো মোক বাৰান্দাতে বান্ধি থয়। আনহাতে দিনটো তোমাক সেইদৰে বান্ধি নথয়। তুমি মুকলি মনেৰে পৃথিৱীখন ঘূৰি ফুৰি চাব পাৰা, তাতকৈও ডাঙৰ কথা তুমি মালিকৰ লগতে গোটেই দিনটো থাকিব পাৰা!"

কুকুৰটোৰ কথাত গাধাটোৱে কিন্তু পতিয়ন যোৱা নাছিল। সিহঁতৰ কথা শুনি কুকুৰাজনীয়ে হাঁহি হাঁহি কৈছিল,

প্ৰাছি চি চন্দ্ৰভূষণ
পৰ্কাৰ, মুম্বাই

আশীশ জি শেট্টি
মুম্বাই

“বন্ধুসকল, আমি সকলোৱে নিজৰ নিজৰ কৰ্ত্তব্য কৰিব লাগিব । মই কণী পাৰো আৰু তেওঁলোকে সেইবোৰ লৈ যায় । কণী পাৰি গৰাকীক দিয়াটো মোৰ কৰ্ত্তব্য । এই কাম কৰি মোৰ ভাল লাগে । আমি কিয় অইনৰ কামত নজৰ দিব লাগে ? মই জানো যেতিয়া মই কণী পাৰিব এৰিম মোক তেওঁলোকে খাই পেলাব পাৰে ! তথাপি মই নাভাবো যে এজনে আনজনক ঈৰ্ষা কৰিব লাগে।”

গাধটোৱে দিনে দিনে কুকুৰটোৰ প্ৰতি বেচিহে ঈৰ্ষাপৰায়ণ হৈ উঠিছিল । এদিনাখন গাধটো ঘৰত সোমাই বসুয়ে বহি থকা ঠাইৰ চাৰিওফালে নেজ লৰাই লৰাই ঘুৰিব ধৰিছিল । সি বসুৰ ভৰিদুখন চেলিকিব খুজিছিল । সি বসুৰ কোলাতো বহিব খুজিছিল, কিন্তু নোৱাৰিলে...। কুকুৰটোৱে যেনে কৰে গাধাটোৱেও বসুৰ সম্মুখত তেনে কৰিছিল । সিও গৰাকীক সন্তুষ্ট কৰি ভাল খাদ্য খাব বিচাৰিছিল ।

কিন্তু গাধৰ ব্যৱহাৰত বসুৰ খংহে উঠিছিল । কাৰণ গাধটোৱে ঘৰত সোমাই ঘূৰি থাকোতে ঘৰৰ বহুটো আচবাব ভাঙিছিল আৰু বহুতো বস্তু ইফালে সিফালে সিচৰতি হৈ পৰিছিল । গাধৰ ভৰিত লাগি থকা বোকাই বসুৰ কাপোৰ লেতেৰা কৰিছিল আৰু এঠাইত তেওঁ আঘাতো পাইছিল। গাধাটোৱে তেনে আচৰণ কৰা দেখি বসুৰ সহায়ৰ বাবে চাকৰটো দৌৰি আহিছিল । তেওঁলোক দুয়ো দুডাল লাঠিৰে কোবাই গাধটোক ঘৰৰ পৰা বাহিৰ কৰি দিছিল । তাৰপিছত তাক পিছচোতালত বান্ধি লৈ ভালদৰে এশিকনি দিছিল।

গাধাটো খুব বিমৰ্ষ হৈ পৰিছিল ।

আন্ধাৰতে সি কক্ কক্ শব্দ শুনিবলৈ পাইছিল। সেইটো আছিল জ্ঞানী কুকুৰাজনী । “মই তোমাক কোৱা নাছিলো নে আনক ঈৰ্ষা কৰিব নাপায় ? আনৰ ভালটো দেখি উচ্চাকাঙ্ক্ষা কৰিব নালাগে। আমাৰ প্ৰত্যেকৰে জীৱনত নিজৰ নিজৰ কৰ্ত্তব্য আছে আছে আৰু সেইবোৰ জ্ঞানীৰ দৰে পালন কৰিব লাগে ।” কুকুৰাজনীয়ে কৈছিল ।

গাধটোৱে দুখ মনে মূৰটো লৰাইছিল । তেতিয়াহে সি বুজিব পাৰিছিল।

তোমাৰ ভাগ্যত যি আছে তাকে লৈ সন্তুষ্ট হবা ।

তাত মাথোঁ একমাত্ৰ গছডাল আছিল !

কাৰ্ত্তিক ৰামস্বামী
চেন্নাই

আশীশ জি শেট্টি
মুম্বাই

এইটো আছিল ১৯৯৯ চনৰ ৩১ ডিচেম্বৰ । তাৰ পিছদিনাই আৰম্ভ হব নতুন বছৰ আৰু নতুন সহস্ৰাব্দ । তেতিয়া সন্ধিয়া প্ৰায় ৮ বাজিছিল । লণ্ডনৰ আকাশ আতচবাজিৰে ভৰি পৰিছিল । চহৰখনৰ চাৰিওদিশে উলহ মালহেৰে পৰিপূৰ্ণ হৈ উঠিছিল । ৰকীয়ে চিন্তাৰ সাগৰত ডুব গৈ এখন খিৰিকিৰ কাষত বহি আছিল । মাকে সেই কথাটো মন কৰি আছিল । মাকে তাক সুধিছিল "ৰকী, তুমি কি চিন্তা কৰি আছা?"

ৰকীয়ে কৈছিল, "মা, মোৰ ড্ৰইঙৰ শিক্ষকে কম্পিউটাৰত মোক এডাল গছৰ ছবি আঁকিবলৈ কৈছে, কিন্তু গছ দেখিবলৈ কেনে মইতো নাজানো । গছ বোলা বস্তুটো কি মা?"

"ৰকী, প্ৰথমতে তুমি প্ৰোটিন আৰু ভিটামিন টেবলেট খাই লোৱা । তাৰ পাছত তোমাক গছৰ বিষয়ে কম ।" মাকে কলে ।

ৰকীয়ে টেবলেট দুটা খাই ললে । তাৰ পাছত মাকৰ ওচৰত বহি কলে, "মা, এতিয়া গছৰ বিষয়ে কোৱা ।"

তেতিয়া মাকে গছৰ বৈশিষ্ট্যৰ কথা বৰ্ণনা কৰিলে ।

"বাচা, তোমাৰ ককাদেউতাইহে মোক এইবোৰ কথা কৈছিল, কিন্তু মইও জীৱনত

গছ দেখা নাই । আনকি ককাদেউতাইও গছ দেখা নাছিল । কিন্তু লণ্ডন মিউজিয়ামত এডাল গছ আছে । বহুদিন আগতে গছডালৰ পাত, গাগছ আৰু ডাল আছিল । পতাবোৰ সেউজীয়া আৰু গা-গছডাল বাদামী ৰঙৰ আছিল । হাজাৰ বছৰ আগতে পৃথিবীত বহুতো

ধৰণৰ গছ আছিল । দুৰ্ভাগ্যবশতঃ এতিয়া এডাল হে মাথো গছ আছে । ইয়াৰ কাৰণ মানুহৰ দূৰদৰ্শিতা আৰু বিবেচনাহীনতাৰ অভাব । গছ-গছনি নাথাকিলে বৰষুণ নহয়। কিন্তু বিজ্ঞানীসকলে কৃত্ৰিমভাবে বৰষুণ দিয়াৰ ব্যৱস্থা কৰিছে । তুমি জানাই, পানী নহলে মানুহ জীয়াই থাকিব নোৱাৰে ।

মাজতে ৰকীয়ে মাকক কলে, “মা, মই এখন পুৰণি কিতাপত পঢ়িছিলো বহুদিন আগতে আমিষাহাৰী আৰু নিৰামিষাহাৰী মানুহ আছিল । তেওঁলোক কোন ? মই আৰু পঢ়িবলৈ পাইছো মিউজিয়ামত থকা গছৰ ফুল, ফল নহয় । কিয় ?”

“হয়, এইটো সঁচা । নিৰামিষাহাৰী সকলে শাক পাচলি খায় আৰু আমিষাহাৰী সকলে জন্তু, চৰাই-চিৰিকতিৰ মাংস, মাছ আদি খায় । মিউজিয়ামত থকা গছে বংশ বৃদ্ধি কৰিব নোৱাৰে, কাৰণ সেই গছ বহুবছৰ পুৰণি যি কোনো সময়তে মৰি যাব পাৰে ।”

ৰকীয়ে মাকৰ কথাবোৰ মনোযোগেৰে শুনি আছিল । মাকে আৰু কৈছিল, “এডাল মাথোঁ গছে নিজে বংশ বৃদ্ধি কৰিব নোৱাৰে। তাৰ ফুল আৰু ফল থাকিব লাগিব । চৰাইবোৰে ফলৰ বীজবোৰ এঠাইৰ পৰা আন এঠাইলৈ নিব লাগিব । পখিলাবোৰে ফুলৰ ৰেণু এটা ফুলৰ পৰা আন এটা ফুললৈ লৈ যাব লাগিব । সেইদৰেহে গছৰ বংশ বৃদ্ধি হয়।”

“আঃ ! কি মজাৰ কথা, ” ৰকীয়ে কৈছিল । “গছে আৰু কি কৰিব পাৰে ?”

“পৃথিবীত যেতিয়া প্ৰচুৰ গছ আছিল তেতিয়া খহনীয়া হোৱা নাছিল আৰু পৰ্যাপ্ত পৰিমাণৰ বৰষুণ হৈছিল । গছে চৰাই আৰু জন্তুক সুৰক্ষা দিছিল আৰু মানুহেও নানা কামত গছ ব্যৱহাৰ কৰিছিল।” এইদৰে তাৰ মাকে গছৰ উপকাৰি-তাৰ বিষয়ে বৰ্ণনা কৰিছিল।

ৰকীয়ে মাকৰ কথা শুনি উৎসাহিত হৈ উঠিছিল । সি মাকক কৈছিল, “মা, তুমি মোক এখন গছৰ ছবি আকি দিব পাৰিবানে ?”

“হয় বাচা, তোমাৰ বাবে এটা আচৰিত খবৰ আছে । অহাকালি আমি লণ্ডন মিউজিয়ামত থকা গছডাল চাবলৈ যাম । তুমি কি কোৱা ?”

“আঃ মা, তুমি কিমান ভাল।” ৰকীয়ে চিঞৰি দিছিল ।

চাৰিপাত বিচাৰি উলিয়া



বৃত্তৰ ভিতৰত থকা চাবিৰে বাকচটো খোলা যাব। তুমি দ্বিতীয় চাবি এপাত উলিয়াব পাৰিবানে ?

এ.অনিথা
ৰাণী, থানে

উত্তৰ: জি

Answer : g

উত্তৰ পুৰুষৰ বাবে সংৰক্ষণ কৰিবা ।

ৰঙৰ আলোড়ন

আমাৰ এই বিশেষ সংখ্যাৰ গল্পবোৰৰ বাবে ছবি আঁকিবলৈ চিত্ৰশিল্পী নিৰ্বাচনৰ বাবে আমি শিশুসকলৰ পৰা চিত্ৰৰ নমুনা আহ্বান কৰিছিলো । আমি ইমান সঁহাৰি পাম বুলি আশা কৰা নাছিলো। দেশৰ বিভিন্ন ঠাইৰ শিশুৰ পৰা দমে দমে ছবি আহিছিল । আমাৰ কাৰ্য্যালয়ত ৰঙৰ অতিশয্যা হৈছিল : উজ্বল, চিকমিকিয়া, আৰু আশ্চৰ্য্যজনক । সেই আশ্চৰ্য্যজনক চিত্ৰবোৰৰ পৰা আমাৰ গল্পবোৰৰ বাবে চিত্ৰশিল্পী নিৰ্বাচন কৰাতো দুৰুহ হৈ উঠিছিল । আমি দেশৰ বিভিন্ন ঠাইৰ পৰা পাঁচজন চিত্ৰশিল্পীক চেন্নাইলৈ নিমন্ত্ৰন জনাইছিলো । দুৰ্ভাগ্যবশত তাৰ ভিতৰৰে দুজন চেন্নাইলৈ আহিব নোৱাৰিলে । আমি ইয়াত কেইখনমান ধুনীয়া চিত্ৰ প্ৰকাশ কৰিছো যিয়ে আমক শিল্পী নিৰ্বাচনত সহায় কৰিব ।

ইয়াতে চিত্ৰশিল্পী সকলৰো ফটো দিয়া আছে, তেওঁলোকৰ চিত্ৰ সম্বন্ধে আমাৰ কাৰ্য্যালয়ত জনাওক যাতে আমি তেওঁলোকক নিৰ্বাচিত কৰিব পাৰো !

হায়দৰাবাদৰ পৰা
অভিশেক পি.

তেওঁৰ চিত্ৰ

মুম্বাইৰ পৰা
অঞ্জুল লুনীয়া



তেওঁৰ চিত্ৰ

তেওঁৰ চিত্ৰ

মুম্বাইৰ পৰা
আশীশ শেট্টি

কটকৰ পৰা
ৰাশ্মি ৰঞ্জন দেৱতা

তেওঁলোকে
চেন্নাইলৈ
আহিব নোৱাৰিলে

উত্তৰ ২৪ পৰগনাৰ পৰা
প্ৰিতম দাস

উত্তৰ ২৪ পৰগনাৰ পৰা

বিশেষ প্ৰদৰ্শন

এই প্ৰতিযোগিতাত ভাগ লোৱা দুজন কণিষ্ঠতম চিত্ৰশিল্পীৰ ছবি আমি বিশেষ ভাবে উল্লেখ কৰিব খুজিছো ।

এচ.ভি.এচ.ভীমেশ্বৰ
মুম্বাই, ৭ বছৰ

শ্ৰুতি চৌধুৰী
হায়দৰাবাদ, ১০ বছৰ

বন্ধুসকল,
বঢ়িয়া
হৈছে !

কুকৰ্মৰ ফল



মধুকৰ শেট্টি
মাঙ্গালোৰ

এডাল ডাঙৰ গছত এহাল কপৌ চৰায়ে বাস কৰিছিল । সিহঁতে সেই গছডালত সুখে শান্তিৰে জীৱন কটাইছিল। সেই গছডালৰ তলৰ গাঁত এটাত এটা সাপে বাস কৰিছিল । সাপটোৱে কপৌহালে সুখেৰে বাস কৰাতো সহ্য কৰিব পৰা নাছিল । সি কপৌহালৰ সুখৰ জীৱন নষ্ট কৰিব বিচাৰিছিল আৰু তাৰ বাবে সুযোগ বিচাৰি আছিল ।

এদিনাখন মাইকী কপৌজনীয়ে দুটা কণী পাৰিছিল । কপৌহালে যেতিয়া আহাৰ বিচাৰি দুৰলৈ গৈছিল তেতিয়া সাপটোৱে গছত উঠি কপৌৰ কণীদুটা পেলাই দিছিল । ইয়াৰ পিছত সাপটোৱে মনে মনে গৈ গাঁতত সোমাই আছিল।

অলপ সময় পিছত কপৌহালে বাহলৈ ঘূৰি আহি দেখে যে বাহটো খালী । খালী বাহটো দেখি মাইকী কপৌজনীৰ খুব দুখ লাগিছিল । তাই উচুপিবলৈ ধৰিলে । এনেতে কপৌজনীয়ে সাপটো গাতৰ পৰা ওলাই অহা দেখিছিল । তাই সাপটোক সুধিছিল, "হে বন্ধু, মোৰ সৰ্বনাশ হ'ল । কোনোবাই মোৰ কণীদুটা পেলাই দিছে। তুমি গোটেই দিনটো ইয়াতে আছিলা । তুমি বাৰু কোনোবাই মোৰ কণীদুটা লৈ যোৱা বা পেলাই দিয়া দেখিছা নেকি ?"

কপৌহালে চকুপাণী টুকি থকা দেখি সাপটোৱে ভাল পাইছিল । সি অনুমান কৰিছিল কপৌহালে এই দুষ্কৰ্মৰ কাৰণে তাক সন্দেহ কৰা নাই । সি যে ইয়াৰ বাবে দোষী নহয় এইটো বুজাবলৈ সাপটোৱে ইয়াৰ দোষৰ ভাৰ আনৰ ওপৰত জাপি দিব বিচাৰিছিল । সি কৈছিল, "কিছু সময় আগতে আমাৰ ওচৰৰে চিলাটো তোমালোকৰ বাহলৈ অহা দেখিছিলো আৰু তাৰ ঠোঁটত দুটা কণীও দেখিছিলো । যেতিয়া মই তাক দেখিছিলো সি তোমালোকক ঘৃণা কৰে বুলি কৈছিল আৰু সেয়ে তোমালোকৰ কণীদুটা নষ্ট কৰিব বিচাৰিছে । মই তাক বাধা দিব বিচাৰিছিলো । কিন্তু



সি মোতকৈ বলবান হোৱা বাবে মই তাক বাধা দিব নোৱাৰিলো । সি কণীদুটা তললৈ পেলাই দিছে । মই খুব দুঃখীত ভনীটি ।”

কিন্তু সাপটোৱে বুজিব পৰা নাছিল যে, চিলাটো গছৰ ওপৰতে আছিল আৰু তাৰ মিছা ওজৰবোৰ শুনি আছিল । এই কথা শুনি চিলাটোৰ খুব খং উঠিছিল । সি চোঁমাৰি তললৈ নামি আহি সাপটোক ঠেঙেৰে তুলিলৈ দূৰলৈ দলিয়াই দিছিল আৰু তাতেই সাপটোৰ মৃত্যু হৈছিল । ইয়াৰ পাছত চিলাটোৱে কপৌহালক বুজাই কৈছিল যে সি সিহঁতৰ কণীবোৰ নষ্ট কৰা নাই । সাপটো অকল মিছলীয়াই নহয় সি খুব নীচ মনৰো । সিয়ে তোমালোকৰ কণীবোৰ পেলাই দিছে ।

কপৌহালে বুজিব পাৰিছিল চিলাটোৱেহে সঁচা কথা কৈছে । লাহে লাহে সিহঁতে দুখবোৰ পাহৰি গৈছিল । মাইকী কপৌজণীয়ে আকৌ কণী পাৰিছিল আৰু সিহঁতৰ পোৱালি হৈছিল । সিহঁতে সুখেৰে জীৱন যাপন কৰিছিল । সাপটোৰ দৰে দুষ্ট প্ৰতিবেশীৰ পৰা ৰক্ষা কৰা বাবে সিহঁতে ভগবানক ধন্যবাদ জনাইছিল ।

তিনিজন শিক্ষক

তিনিজন শিক্ষক ৰাস্তাৰে খোজকাঢ়ি গৈ আছিল । ওচৰেৰে খোজকাঢ়ি গৈ থকা এজনী মহিলাৰ পৰা কোনোবাই এটা পাৰ্চ চুৰি কৰি নিছিল । কানাড়া শিক্ষকজনে চিঞৰি উঠিছিল, “কল্লা কল্লা” । হিন্দী শিক্ষকজনে চিঞৰি কৈছিল, “চোৰ, চোৰ ।” গণিতৰ শিক্ষকজনে অলপ সময় ভাবি তেওঁও চিঞৰি চিঞৰি কৈছিল, “৪২০,৪২০ !”

-এম.চি.নিখিলেশ, বাঙ্গালোৰ

গ্ৰাহক: কুকুৰটো যে প্ৰভুভক্ত তুমি নিশ্চিত নে ?

কুকুৰবিক্ৰেতা: ও, সেইটো মই নিশ্চিত । এতিয়ালৈ মই তাক পাঁচবাৰ বিক্ৰী কৰিছো আৰু প্ৰতিবাৰেই সি মোৰ ওচৰলৈ তৎক্ষণাত ঘূৰি আহিছে ।

যি গুটি সিচিবা তাৰ ফল হে পাবা।

যাদুকৰী বাঁহী

সাৰ্থক শোভন
সতপথী, কটক

এসময়ত সুমন নামৰ এজন খুব দুখীয়া ল'ৰা আছিল । বুঢ়ী আইতাকৰ বাহিৰে এই পৃথিবীত তাৰ আৰু কোনো নাছিল । যিহেতু বুঢ়ীয়ে কোনো কাম বন কৰিব নোৱাৰিছিল সেয়ে তেওঁলোকে প্ৰায়ে নোখোৱাকৈয়ে থাকিব লাগিছিল । বুঢ়ীয়ে গাটো যেতিয়া ভাল পাইছিল তেতিয়া তাই হাবিলৈ খৰি কাটিবলৈ গৈছিল আৰু সেইবোৰ বিক্ৰি কৰিছিল । অলপ টান কাম কৰিলেই বুঢ়ীয়ে একেৰাহে কিছুদিন বিচনা লব লগা হৈছিল সৰু থকা বাবে সুমনেও কাম বন কৰিব নোৱাৰিছিল । এইটোৱে তাৰ মনত খুব দুখ দিছিল । এই দুৰ্দশা দূৰ কৰিবলৈ সি আইতাকক সহায় কৰিব বিচাৰিছিল ।

এদিনাখন সুমনে হাবিৰ মাজৰ এডাল গছৰ তলত কান্দি কান্দি শুই আছিল । এজনী ধুনীয়া পৰী আহি তাক টোপনিৰ পৰা জগাই দিছিল । পৰীজনীয়ে কৈছিল, "যোৱা কিছুদিন ধৰি মই তোমাক মন কৰি আছো । তুমি বিমৰ্ষ হৈ থাকা । তুমি কিয় কান্দি থাকা সেইটো জানিবলৈ ভগবানে মোক ইয়ালৈ পঠাইছে ।"

এজনী ধুনীয়া পৰীয়ে তাক জগাই দিয়া দেখি সি অতি আচৰিত হৈছিল । সি তাৰ দুখৰ কথাবোৰ পৰীজনীৰ আগত কৈছিল । সি কৈছিল যে তাৰ বুঁঢ়ী আইতাকক সহায় কৰিবলৈ তাৰ কিছু টকাৰ আৱশ্যক ।



পৰীয়ে সুমনৰ মনৰ কথা বুজি পাইছিল । তেওঁ সুমনক এটা যাদুকৰী বাঁহী দি বুজাই কৈছিল, "তুমি যদি এই বাঁহীটো অনিষ্টকাৰীৰ সম্মুখত বজোৱা তেতিয়া তেওঁলোক শিলত পৰিণত হব। যদি তুমি দ্বিতীয়বাৰ বাঁহীটো বজোৱা তেতিয়া তেওঁলোক আকৌ মানুহলৈ ৰূপান্তৰিত হব ।"

পৰীয়ে তাক সাৱধান কৰি দি কৈছিল, "যদি তুমি এই বাঁহীটো ঠিকমতে ব্যৱহাৰ কৰা তেতিয়া ই ভালদৰে কাম কৰিব, কিন্তু যদি ইয়াক অপব্যৱহাৰ কৰা তেতিয়া ই কোনো কাম নিদিব ।" এইবুলি কৈ পৰীজনী অদৃশ্য হৈ গৈছিল ।

এই ঘটনাৰ পিছত সুমনৰ মনটো

ভাল লাগিছিল । সি পৃথিৱীত ভাল কাম কৰিব বিচাৰিছিল । যেতিয়া সি বাঁহীটো লৈ হাবিলৈ গৈছিল সি কিছুমান ঘোঁৰাৰ খোজৰ শব্দ শুনিবলৈ পাইছিল । সি জোপোহাৰ মাজত লুকাই তাৰপৰা জুমি চাই আছিল । সি এদল ডকাইত দেখিবলৈ পাইছিল । সিহঁতৰ লগত এজনী যুৱতীও আছিল ।

সুমনে জানিব পাৰিছিল সেইজনী সেই দেশৰ ৰাজকুমাৰী । সি অনুমান কৰিছিল ডকাইতকেইজনে ৰাজকুমাৰীক অপহৰণ কৰি আনিছে । সেয়ে সি তেওঁক ৰক্ষা কৰিব বিচাৰিছিল । সি যাদুকৰী বাঁহীটো বজাই দিছিল। কিন্তু কি আচৰিত, ডকাইতকেইজন শিলত পৰিণত হৈছিল । তেতিয়া সুমনে ৰাজকুমাৰীক প্ৰাসাদলৈ উভতি যাবলৈ অনুৰোধ কৰিছিল আৰু কিছুমান সৈন্য পঠাই দিবলৈ কৈছিল । ৰাজকুমাৰীয়ে এটা ঘোঁৰাত উঠি ৰাজপ্ৰাসাদলৈ উভতি আহিছিল আৰু ৰজাৰ আগত সকলো কথা বিবৰি কৈছিল । ৰজাই কিছুমান সৈন্য ৰাজকুমাৰীৰ লগত পঠাই দিছিল । তেওঁলোক আহি পোৱাত সুমনে আকৌ বাঁহীটো বজাই দিয়াত ডকাইত কেইজন আকৌ মানুহলৈ ৰূপান্তৰিত হৈছিল । সৈন্যবোৰে সিহঁতক বন্দী কৰি জেলালৈ পঠাই দিছিল । ৰাজকুমাৰীয়ে সুমনক ৰাজপ্ৰাসাদলৈ আমন্ত্ৰন জনাইছিল ।

ৰাজকুমাৰীয়ে তাক ৰজাৰ লগত পৰিচয় কৰাই দিছিল আৰু তাৰ যাদুকৰী বাঁহীটোৱে কেনেদৰে সহায় কৰিছিল তাৰ কথাও কৈছিল ।

ৰাজকুমাৰীৰ কথা শুনি ৰজাই ভাবিছিল যদি এনে এজন ন্যায়বান ল'ৰা আৰু যাদুকৰী বাঁহীটো মোৰ ৰাজ্যত ৰাখিব পৰা যায় তেতিয়া ৰাজ্য শাসন কৰাত সুবিধা হব । কিন্তু তাৰ আগতে তেওঁ ইয়াক পৰীক্ষা কৰিব বিচাৰিছিল । তেওঁ কৈছিল, "কোনোবাই মোৰ ৰাজভঁৰালৰ পৰা টকা আৰু গহনা চুৰি কৰি নিছে, কিন্তু মই তাক বিচাৰি উলিয়াব পৰা নাই । যদি তুমি চোৰটো ধৰি দিব পাৰা মোৰ বৰ উপকাৰ হব ।"

সেই নিশা ৰজা আৰু সুমনে ৰাজভঁৰালৰ ওপৰত লুকাই আছিল । তেওঁলোকে দেখি আচৰিত হৈছিল যে ধনভঁৰালী আৰু সেনাপতিয়ে এখন ডাঙৰ মোনা লৈ আহি ৰাজভঁৰালৰ পৰা গহনাবোৰ নি তাত ভৰাই আছে ।

সুমনে তৎক্ষণাত বাঁহীটো উলিয়াই বজাবলৈ ধৰিলে । লগে লগে চোৰ দুজন শিল হৈ গৈছিল। ৰজাই ৰাজপ্ৰাসাদৰ পৰা প্ৰহৰী মাতি আনিছিল আৰু সুমনক আকৌ বাঁহীটো বজাবলৈ অনুৰোধ কৰিছিল । চোৰ দুজন আকৌ জীৱিত হৈ উঠাত দুয়োকে বন্দী কৰা হৈছিল । সুমনৰ কাৰ্য্য দেখি ৰজা অত্যন্ত সুখী হৈছিল । ৰজাই সুমনক তেওঁৰ লগতে ৰাখি ৰাজ্য শাসন কৰাৰ সকলোবোৰ কথাই শিকাইছিল । ৰাজকুমাৰীৰ বিয়া হোৱাৰ পিছত তেওঁ যেতিয়া সেই ৰাজ্যৰ ৰাণী হৈছিল সুমনক তেওঁৰ প্ৰধান মন্ত্ৰী পতা হৈছিল। ৰাজ্য শাসন কৰাত সুমনে ৰাণীক সকলো প্ৰকাৰে সহায় কৰিছিল।

ভাল কাম কৰিলেহে সুনাম অৰ্জন কৰিব পাৰিবা।

বন্ধুত্ব

সাবিনা য়াচমিন
উত্তৰ ২৪ পৰগণা

ক'লকাতা মহানগৰীৰ ওচৰৰে এখন গাঁৱত জাফৰ নামৰ এজন ল'ৰাই বাস কৰিছিল । তাৰ সৈতে মাক, লাজ্জো বেগম আৰু ভনীয়েক নীলিমাও আছিল । যদিও তাৰ বয়স কম আছিল তথাপি সি পৰিয়ালৰ বোজা কান্ধ পাতি লব লগা হৈছিল। পিতাকৰ মৃত্যুৰ পিছত সিয়েই ঘৰখন চোৱা-চিতা কৰিছিল ।

এদিনাখন ৰাতিপুৱা জাফৰে ওচৰৰে চহৰখনৰ এক সম্ভ্রান্ত পৰিয়াল, ৰমাপতি বাবুৰ ঘৰলৈ কাম কৰিবলৈ যাবলৈ ওলাইছিল । বজাৰৰ পৰা কিনি অনা ফুলৰ গুটিৰ পেকেটবোৰ বান্ধি লৈ জাফৰে ভাবিছিল, মই এই কামটো পাই সঁচাকৈয়ে ভাগ্যবান । যদি মই খান চাচাৰ পৰা ফুলৰ বাগিচা কৰা বিদ্যাটো নিশিকিলোহেতেন ৰমাপতি বাবুয়ে মোক কামটো নিদিলে হেতেন ।

সি খৰকৈ খোজ কাঢ়ি ৰমাপতি বাবু আৰু তেওঁৰ পত্নী মৌচুমিৰ কথাই ভাবি গৈ আছিল। তেওঁলোক দুয়ো সঁচাকৈয়ে মৰামীয়াল লোক ।

ৰমাপতি বাবুয়ে তেওঁৰ বাবেই অপেক্ষা কৰি আছিল । "সুপ্ৰভাত বাবু মহাশয়," জাফৰে আনন্দতে কৈছিল । "আমাৰ বাগিচাখন দেখিবলৈ ধুনীয়া হৈছে, নহয়নে বাৰু ?"

ৰমাপতি বাবুয়ে তেওঁৰ কাষতে থিয় হৈ থকা ল'ৰাটোৰ ফালে দেখুৱাই দি কৈছিল, "জাফৰ, এইটো মোৰ ল'ৰা অৰ্জুন । সি যোৱা কালি চহৰৰ স্কুলৰ পৰা ঘৰলৈ আহিছে । কেইসপ্তাহমান সি ঘৰতে থাকিব । তুমি তাক সৰুবাবু বুলিয়ে মাতিব পাৰা ।" ইয়াৰ পিছত জাফৰক দেখুৱাই দি পুতেকক কৈছিল "এইটো জাফৰ । আমাৰ ইয়াতে কাম কৰে৷"

অলপ সময় দুয়ো দুয়োৰে ফালে চালে, তাৰ পাছত ৰমাপতি বাবুয়ে কলে, "অৰ্জুন ভিতৰলৈ যোৱা, তোমাৰ কিতাপ পঢ়া গৈ ।

অলপ পিছত মই তোমাৰ লগত কথা হম ।" তাৰপাছত তেওঁ জাফৰক বাগিচা সম্পৰ্কে কিবা কথা কলে ।

"পিতা," অৰ্জুনে পিতাকক মাতিলে, "মই জাফৰৰ লগত কথা হব খোজো ......"।

ৰমাপতিবাবুয়ে তাৰ কথাত বাধা দি কলে, "অৰ্জুন, মই যি কৈছো শুনি । ভিতৰলৈ যোৱা !" অৰ্জুনে অনিশ্চা স্বত্বেও ভিতৰলৈ গৈছিল । জাফৰে মৌন হৈ বাবুয়ে দিয়া পৰামৰ্শবোৰৰ কথা শুমি আছিল । তাৰ সকলো উৎসাহ নোহোৱা হৈছিল ।

জাফৰে গোটেই দিনটো কঠোৰ পৰিশ্ৰম কৰিছিল । সি কামৰ মাজতে ভাবিছিল 'অৰ্জুন দেখাত মোৰ বয়সৰে হব...তেওঁ বা কেনে ধৰণৰ ল'ৰা । মই তেওঁৰ লগত কথা হব বিচাৰিছিলো, যদিও আমাৰ মাজত বন্ধুত্ব গঢ়ি উঠাতো সম্ভৱ নহয় ।' জাফৰে জানিছিল ৰমাপতিবাবুৰ পৰিয়াল আৰু তাৰ মাজত এখন ওখ দেৱাল আছে - সি দুখীয়া, তেওঁলোক ধনী । সি চাকৰ আৰু তেওঁলোক গৰাকী । সেইদিনা সন্ধিয়া জাফৰ যেতিয়া যাবলৈ ওলাইছিল, তেতিয়া অৰ্জুন তাৰফালে আগবাঢ়ি অহা দেখি সি আচৰিত হৈছিল । "জাফৰ, ৰাতিপুৱা তোমাৰ লগত কথা হব নোৱাৰি মোৰ বেয়া লাগি আছে । মই তোমাক এটা কথা সুধিব খোজো । তুমি মোৰ বন্ধু হবা নে ?" অৰ্জুনে হাতখন তাৰ ফালে আগবঢ়াই দি সুধিছিল ।

জাফৰে আচৰিত হৈ অৰ্জুনৰ ফালে চাই আছিল । সি কি কব ভাবি পোৱা নাছিল । মৌন হৈ থকা বাবে সম্মতি থকা বুলি ভাবি লৈ অৰ্জুনে কৈছিল "জাফৰ, তোমাক বন্ধু কৰিবলৈ পাই মোৰ খুব ভাল লাগিছে । স্কুল হোষ্টেলত মোৰ কোনো ভাল বন্ধু নাই ।"

সিহঁতৰ মাজত ভাল বন্ধুত্ব গঢ়ি উঠিছিল । কেইসপ্তাহমানৰ পিছত মৌচুমীয়ে জাফৰ আৰু অৰ্জুনৰ মাজত গঢ়ি উঠা বন্ধুত্ব এক বেলেগ চকুৰে চাবলৈ ধৰিলে । অৰ্জুনে



চুবুৰীৰ অন্যান্য বন্ধু বান্ধবৰ লগত খেলি ভাল পোৱা নাছিল । সি জাফৰৰ লগতহে থাকিব বিচাৰিছিল । মাকে এদিন অৰ্জুনৰ আগত তেওঁৰ অসন্তুষ্টিৰ কথা কৈছিল । তেতিয়া অৰ্জুনে এইবুলি উত্তৰ দিছিল --"মা, জাফৰ খুব ভাল ল'ৰা । সঁচাকৈয়ে মোৰ তাক ভাল লাগে !"

এদিনাখন অৰ্জুনে জাফৰৰ গাঁৱলৈ গৈ তাৰ মাক আৰু ভনীয়েকক লগ কৰিছিল । লাজ্জো আৰু

বন্ধুত্বৰ কোনো সীমা নাই

নীলিমাই অৰ্জুনৰ বন্ধুত্বপূৰ্ণ স্বভাৱ দেখি তাক খুব ভাল পাইছিল। সি তেওঁলোকৰ তাতেই আহাৰ খাইছিল।

তেওঁলোকে গোটেই দিনটো হাঁহি ধেমালি কৰি কটাইছিল। "এতিয়া সন্ধিয়া হৈছে অৰ্জুন। আমি উভতি যোৱাই ভাল হব।" জাফৰে কৈছিল। সিহঁতৰ গাঁৱলৈ অৰ্জুনক লৈ অহা বাবে ৰমাপতিবাবুয়ে খং কৰিব বুলি জাফৰৰ মনত অস্বস্তি লাগি আছিল। তাতে আকৌ গাঁৱলৈ আহোতে সিহঁতে অৰ্জুনৰ মাকৰ অনুমতি লৈ অহা নাছিল।

জাফৰে ভবাটোৱে সঁচা হৈছিল। ৰমাপতিবাবু আৰু মৌচুমীয়ে অস্বস্তিৰে সৈতে সিহঁত দুয়ো অহালৈকে বাট চাই আছিল। অৰ্জুন ভালে ভালে আহি পোৱা দেখি ৰমাপতি বাবুয়ে অতি খঙেৰে জাফৰক সুধিছিল, "কলৈ গৈছিলা? মোক নোসোধাকৈ অৰ্জুনক তোমাৰ লগত লৈ যোৱাৰ সাহস কেনেকৈ হ'ল? তুমি নিজকে কি বুলি ভাবা? ইয়াৰ পৰা বাহিৰ হৈ যোৱা আৰু ইয়ালৈ কেতিয়াও নাহিবা!" তেওঁ খঙতে উগ্ৰমূৰ্ত্তি ধৰি কথাখিনি কৈছিল।

এক মুহূৰ্ত্তৰ বাবে সকলোৱে মৌন হৈ আছিল। তাৰ পাছত অৰ্জুনে কৈছিল --

"পিতাদেউ, এইটো জাফৰৰ দোষ নহয়। মইহে তেওঁলোকৰ গাওঁখন চাব খুজিছিলো। তাত মোৰ খুব ভাল লাগিল। খং নকৰিব পিতা! তাক কামৰ পৰা খেদি নিদিব!" অৰ্জুনৰ অনুৰোধ ৰমাপতি বাবুৰ কানত সোমোৱা নাছিল। তেওঁ জাফৰকে জোৰেৰে গতিয়াই দিছিল। তাকে দেখি অৰ্জুনে কান্দিবলৈ ধৰিছিল। ৰমাপতিবাবুয়ে গালি পাৰি থকা স্বত্বেও জাফৰে মুখেৰে এষাৰো কথা কোৱা নাছিল।

হঠাতে অৰ্জুনে মূৰ্চ্ছা গৈ পৰি গৈছিল।



ৰোহিত: ৰবি, তুমি জানানে কোন আতাইতকৈ শক্তিশালী মানুহ?

ৰবি: ট্ৰেফিক পুলিচ। তেওঁ এখন হাতেৰে সকলোবোৰ গাড়ী ৰখাই দিব পাৰে।

বীৰেন্দ্ৰ সিং, কোটা

মৌচুমীয়ে ভয়তে চিঞৰি উঠিছিল । ৰমাপতিবাবুয়ে ভিতৰলৈ আহি অর্জুনক অচেতন হৈ পৰি থকা দেখি তেওঁৰ পত্নীক কৈছিল, "মৌচুমী, ডাঃ চেটাৰ্জীক ফোন কৰি দিয়া । তৎক্ষণাত আহিবলৈ কোৱা ।"

ডাক্তৰে আহি দেখে যে অর্জুনৰ খুব জ্বৰ উঠিছে । তেওঁ অর্জুনক এটা বেজী দিছিল । পিছদিনা অর্জুনৰ আকৌ জ্বৰ উঠিছিল । জ্বৰৰ প্ৰকোপতে কিবাকিবি বলকি আছিল । ডাক্তৰে কৈছিল --"ৰমাপতিবাবু, অর্জুনে বোধহয় মনত কিবা আঘাত পাইছে ।" অর্জুনে ভোৰ ভোৰাই কৈ আছিল, "পিতা, জাফৰক খেদি নিদিব !" মাক, পিতাক আৰু জাক্তৰে তাৰফালে অসহায় ভাবে চাই আছিল।

ডাক্তৰে ৰমাপতিবাবুক একাষলৈ মাতি নি কৈছিল-"এইটো ঠিক যে তেওঁ মনত কিবা আঘাত পাইছে । এই জাফৰজন কোন? তাক তৎক্ষণাত ইয়ালৈ লৈ আহক ।"

ৰমাপতিবাবুয়ে অতি সোনকালে ঘূৰি আহিব বুলি পত্নীৰ আগত কৈ জাফৰৰ গাঁৱলৈ যাত্ৰা কৰিছিল । জাফৰৰ ঘৰ পাই ৰমাপতি-বাবুয়ে জাফৰক কৈছিল "মই অতিকৈ দুঃখিত জাফৰ । মই খঙৰ ভমকতে কি কৈছিলো কবই নোৱাৰিলো । তুমি বেয়া নাপাবা । তুমি মোৰ লগতে আহা । অর্জুনে তোমাক বিচাৰিছে ।" এইবুলি কৈ জাফৰৰ আগত তেওঁ গোটেই কথা খিনি কলে ।

জাফৰে অর্জুনৰ বিচনাৰ ওচৰত থিয় হৈ কৈছিল - "অর্জুন, চকু মেলি চোৱা । মই জাফৰ আহিছো । তোমাৰ বন্ধু !"

চিনাকি মাত শুনি অর্জুনে চকুমেলিবলৈ চেষ্টা কৰিছিল । জাফৰে আকৌ মতাত সি জাফৰৰ ফালে চকুমেলি চাই লাহে লাহে উঠি বহিছিল । তাৰ মুখত হাঁহি বিৰি- ঙিছিল । ৰমাপতিবাবু, মৌচুমী, লাজ্জো আৰু নীলিমাই দুই বন্ধুৰ ফালে একেথৰে চাই আছিল ।

এই ঘটনাৰ পিছত এক ডাঙৰ পৰিবৰ্তন হৈছিল । ৰমাপতি বাবুয়ে তেওঁলোকৰ বাহিৰা ঘৰ এটাত জাফৰৰ পৰিয়ালক থকাৰ কথা কৈছিল । অর্জুনৰ লগতে জাফৰ আৰু নীলিমাক চহৰৰ স্কুলত নাম লগাই দিছিল । তেওঁলোকৰ ঘৰলৈ আকৌ হাঁহি আনন্দ ঘূৰি আহিছিল । দুই বন্ধুয়ে মিলিজুলি আছিল ।

বন্ধুত্বই কোনো বাধা নামানে

সংখ্যাৰ খেল

এই হাহটোৰ ভিতৰত থকা লুপ্ত সংখ্যাবোৰ বিচাৰি উলিয়া ।

উত্তৰ: এক দুই তিনি চাৰি পাঁচ ছয় সাত আঠ ন এঘাৰ

এ.অনিতা ৰাণী, থানে

উভতি আহিব নোৱাৰা পৰ্বতখন

পূজা চৌবে
বিশাখাপট্টনম

অজ্জুল লুনীয়া
মুম্বাই

এসময়ত জাপানত এখন আইন বলবৎ কৰা হৈছিল যে, যিসকল লোকৰ ৭০ তকৈ বেচি বয়স হয় তেওঁলোকক এখন পৰ্বতলৈ লৈ গৈ তাত এৰি থৈ অহা হব । তেওঁলোকে বিশ্বাস কৰিছিল মানুহ বুঢ়া হলে জ্ঞান, বুদ্ধি আৰু শাৰীৰিক শক্তি হেৰুৱায় । সেয়েহে তেওঁলোক পৰিয়াল তথা সমাজৰ বোজা স্বৰূপ হয় ।

এখন গাঁৱত ইছিৰো আৰু ছিৰো নামৰ দুজন ভাই ককায়ে বাস কৰিছিল । তেওঁলোকে গোটেই দিনটো খেতি পথাৰত কঠোৰ পৰিশ্ৰম কৰিছিল । সন্ধিয়া তেওঁলোক যেতিয়া ঘৰলৈ ঘূৰি আহিছিল তেওঁলোকৰ বুঢ়ীমাক চুমিয়ে আদৰ সাদৰ কৰি মাতিছিল । কিন্তু লাহে লাহে ইছিৰো আৰু ছিৰোয়ে মনৰ দুখতে মৌন হৈ থাকিছিল । তেওঁলোকে প্ৰায়ে খিৰিকিৰ কাষত থিয় হৈ কুঁৱলীৰে আবৰা দূৰৰ পৰ্বতৰ ফালে চাই আছিল । তেওঁলোকে ভাবিছিল যে বয়সস্থ সকলে বয়সৰ অভিজ্ঞতাৰ পৰা যি জ্ঞান আহৰণ কৰে সেই জ্ঞানেৰে শিশুসকলক যে শিক্ষা দিব পাৰে সেই কথা হয়তো আইনখনে পাহৰি গৈছে ।



এদিন সন্ধিয়া চুমিয়ে পুতেকহঁতক মাতি আনি কৈছিল, "বাচাহঁত, আজি মোৰ ৭০ বছৰ পূৰ্ণ হ'ল । গতিকে এই দেশৰ আইন অনুসাৰে তোমালোকে মোক উভতি আহিব নোৱাৰা পৰ্বতখনলৈ লৈ বলা ।" পৰ্বতখনক এইবুলি কোৱাৰ কাৰণ হ'ল যিসকল বুঢ়া মানুহ তালৈ গৈছিল তেওঁলোক কেতিয়াও ঘূৰি অহা নাছিল ।

এই কথা শুনি দুখতে পুতেকহঁতৰ চকুপানী বৈ আহিছিল । তেতিয়া চুমিয়ে তেওঁলোকক সান্ত্বনা দি কৈছিল, কোনেওটো দেশৰ আইনৰ বিৰুদ্ধে যাব নোৱাৰে । পিছদিনা চুমিয়ে কাপোৰ কানি বান্ধি লৈছিল আৰু শেষ ভাত সাজ ৰান্ধিছিল । যাত্ৰাৰ বাবে সকলো সাজু কৰা হৈছিল ।

তেওঁলোকে গৈ গৈ অৱশেষত পৰ্বতৰ পাদদেশত গৈ উপস্থিত হৈছিল । তেওঁলোকে পৰ্বত বগাই গৈ থাকোতে বাটত থকা শুকান খাগৰিবোৰৰ আগবোৰ চুমিয়ে ভাঙি থৈ গৈছিল । তেওঁ হয়তো সেই বাটেৰে আকৌ ঘূৰি নাহিব পাৰে, কিন্তু তেওঁৰ পুতেকহঁতে যাতে বাটটো চিনিব পাৰে তাৰবাবে তেওঁ সেই চিন ৰাখিছিল । কিছুসময় পিছতে তেওঁলোকে পৰ্বতৰ ওপৰ পাইছিল গৈ আৰু তাতে মাকক বিদায় জনাই তেওঁলোকে এক গধুৰ অন্তৰ লৈ ঘূৰি আহিছিল ।

লাহে লাহে এন্ধাৰ হৈ আহিছিল আৰু বৰফ পৰিব ধৰিছিল। দুই ভায়েকে তললৈ বেগাই দৌৰি আহিছিল। হঠাতে বৰফৰ কণিকাবোৰ ঘনহৈ আহিছিল, সেইবাবে দুই ভাতৃয়ে পথ হেৰুৱাইছিল। পথ বিচাৰি হতাশ হৈ তেওঁলোকে আকৌ পৰ্বতৰ ওপৰলৈ উঠি গৈছিল আৰু মাকক চিঞৰি মাতিছিল। চুমিয়ে ইতিমধ্যে বৰফত চেঁচাপৰি গৈছিল যদিও পুতেকহঁতৰ চিঞৰ শুনি উঠি আহিছিল। তেওঁ পুতেকহঁতক লগত লৈ যিটো পথেৰে পৰ্বতলৈ খাগৰিৰ আগবোৰ ভাঙি উঠি গৈছিল সেই আগভঙা খাগৰিবোৰ অনুসৰণ কৰি সহজতে তললৈ নামি আহিছিল আৰু তাৰপিছত ঘৰলৈ গৈছিল। ইয়াৰ পাছত দুই ভায়েকে মাকক আৰু পৰ্বতলৈ নপঠোৱাৰ সিদ্ধান্ত লৈছিল। মাকক যাতে গাঁৱৰ মানুহে দেখা নাপায় তাৰ বাবে মাকক ঘৰৰ পিছফালে লুকাই ৰাখিছিল। এইদৰে তেওঁলোকে সুখেৰেই আছিল।

এদিনাখন সেই দেশৰ ৰজাই ৰাজ্যৰ সকলো পুৰুষ মানুহকে তেওঁৰ কিবা কাম কৰিবৰ বাবে তেওঁৰ তালৈকে মাতি পঠাইছিল। কোনোবাই যদি কৰিব নোৱাৰে তেওঁক জৰিমনা কৰা হব। ৰজাই প্ৰথমতে তেওঁলোকক কলে, "মোৰ কাৰণে এডাল ছাইৰ ৰছী বনাই আনা।" ইয়ে সকলোকে বিবুদ্ধিত পেলাইছিল।

ইছিৰো আৰু ছিৰোয়ে আহি এই কথাটো মাকক কৈছিল। মাকে এটা হাঁহি মাৰি কৈছিল, "এইটো তেনেই সহজ।" এডাল ৰছীৰ ওপৰত লুনীয়া পাণী প্ৰচুৰ পৰিমানে চতিয়াই দিবা, তাৰপাছত সেইডাল ধাতুৰ পাত এটাৰ ওপৰত থৈ ৰছীডালত জুই লগাই দিবা। তেতিয়া ৰছীডাল ছাই হৈ যাব, কিন্তু লোনে ৰছীডালৰ ছাইবোৰ একগোট কৰি ৰছীৰ আকাৰতে ৰাখিব।

ইছিৰো আৰু ছিৰোৰ বাহিৰে কোনেও এই কামটো কৰিব নোৱাৰিলে আৰু সকলোৱে জৰিমনা ভৰিব লগা হৈছিল।

দ্বিতীয় কামটো আছিল এটা শঙ্খৰ খোলৰ মাজেৰে সূতা এডাল পাৰ কৰি নিব লাগে। সেই পদ্ধতিটো চুমিয়ে জানিছিল। তেওঁ কৈছিল, "প্ৰথমতে এটা পৰুৱা ধৰি তাৰ গাত এডাল সূতা বান্ধি দিবা আৰু শঙ্খৰ ওপৰত থকা ফুটাটোৰে তাক সোমাবলৈ দিবা। তাৰ পাছত শঙ্খৰ মুখত কেইটামান চাউল ৰাখিবা। চাউলৰ প্ৰতি আকৃষ্ট হৈ পৰুৱাটো যেতিয়া মুখৰ ফালে আহিব তাৰ লগে লগে সূতাডালো আহিব। দুয়ো ভায়েকে শঙ্খৰ খোলৰ মাজেৰে সূতা পাৰ কৰি অনা দেখি ৰজাই তেওঁলোকৰ প্ৰতি অতিকৈ সন্তুষ্ট হৈছিল।

তৃতীয় কামটো আছিল এনে এটা ঢোল আনিব লাগিব, যিটো নবজোৱাকৈ শব্দ হব লাগিব। দুই ভায়েকে ঘৰলৈ গৈ এইটো কথাও মাকক সুধিছিল। চুমিয়ে কৈছিল, "দুইফালে ফোপোলা এটা ড়াঙৰ চুঙা লবা। তাৰ দুইমূৰে চামৰা লগাই দিবা। কিন্তু চামৰা দুটা ভালদৰে লগোৱাৰ আগতে তাৰ ভিতৰত মৌমাখি কিছুমান ৰাখিবা। ৰজাই যেতিয়া ঢোলটো দাঙি চাব তেতিয়া মৌমখিবোৰে ভয়তে উৰি চামৰাত খুন্দিয়ালে শব্দ হব।

ইছিৰো আৰু ছিৰোয়ে তিনিওটা কাম ভালদৰে সমাধা কৰা বাবে ৰজাই তেওঁলোকক খুব ভাল পাইছিল। কিন্তু তেওঁলোকে ৰজাক কৈছিল যে তেওঁলোকক কোনো পুৰস্কাৰ নালাগে মাথোঁ তেওঁলোকৰ লগত মাকক থাকিব দিব লাগে। তেওঁলোকে স্বীকাৰ কৰি কৈছিল যে. যদিও তেওঁলোকৰ মাকৰ বয়স ৭০ বছৰ হৈছে তেওঁলোকে আইন উলঙ্ঘা কৰি মাকক তেওঁলোকৰ লগতে ৰাখিছে।

তেতিয়া ৰজাই অকল তেওঁলোকক ক্ষমা কৰাই নাছিল, আইনখনো পুনৰ বিবেচনা কৰিছিল। গাওঁবাসীৰ জৰিমনা বোৰো ঘূৰাই দিছিল। তেওঁ চুমিক সন্মানেৰে সৈতে তেওঁৰ উপদেষ্টা পাতিছিল।

বয়সস্থসকলক তেওঁলোকৰ জ্ঞানৰ কাৰণে সন্মান কৰিবা।

ভাৰতৰ বিষয়ে জানি লোৱা

প্ৰশ্নাৱলী

চেক্সপিয়েৰৰ পিছতে ("Beware the ldes arch" julius caesar) আমি কব পাৰোনে "নৱেম্বৰৰ কথা সোঁৱৰণ কৰিবা"? কাৰণ, ভাৰতবৰ্ষত ১৪ নৱেম্বৰৰ দিনটো হ'ল শিশু দিৱস । সেই গোটেই মাহটোতে শিশু সকলে বিভিন্ন অনুষ্ঠানত যোগ দিয়ে । শিশু সম্বন্ধীয় পৌৰাণিক কাহিনীবোৰ প্ৰায়ে আমি প্ৰকাশ কৰো । তলত উল্লেখ কৰা শিশুসকলক চিণাক্ত কৰিব পাৰিবানে ?

১. এজন ৰাজকুমাৰে বনলৈ গৈছিল আৰু তাৰ পাছত পিতাকৰ উত্তৰাধিকাৰী হৈ ৩৬,০০০ বছৰ ৰাজত্ব কৰিছিল । তাৰপাছত তেওঁ এক লোকলৈ গৈছিল, য'ত তেওঁ এতিয়াও জীয়াই থকা বুলি বিশ্বাস কৰা হয় । ৰাজকুমাৰজন কোন আছিল ? তেওঁৰ পিতাকৰ নাম কি ?

২. এজন মুনিয়ে পুত্ৰ বাঞ্ছা কৰিছিল । তেতিয়া তেওঁক সোধা হৈছিল, তেওঁক এজন দীৰ্ঘজীৱী মূৰ্খ পুত্ৰ লাগে নে কম দিন জীয়াই থকা গুণবান পুত্ৰ লাগে । মুনিয়ে পিছৰজন লাগে বুলি কৈছিল। তেওঁৰ পুত্ৰৰ নাম আৰু মুনিজনৰ নাম কোৱা ?

৩. এজন দৈত্য ৰজাৰ পুত্ৰই পিতাকৰ কথা অবামাননা কৰিছিল । গতিকে ৰজাই পুতেকক বধ কৰাৰ আদেশ দিছিল । বহু উপায় অবলম্বন কৰিও তেওঁক মাৰিব নোৱাৰিলে । প্ৰতি বাৰেই তেওঁৰ আৰাধ্য দেৱতাই ৰক্ষা কৰিছিল । সেই আশ্চৰ্যজনক ল'ৰাজনৰ নাম কি ? তেওঁৰ ৰক্ষাকৰ্ত্তা কোন আছিল ?

৪. তেওঁ এজন ৭ বছৰীয়া ল'ৰা আছিল । তেওঁৰ পিতৃয়ে এটা যজ্ঞ কৰিছিল আৰু যজ্ঞৰ শেষত পুৰোহিত সকলক গৰু দান দিছিল । ল'ৰাজনে দেখিছিল গৰুবোৰ বুঢ়া আৰু লেৰেলা । তেতিয়া পুতেকে পিতাকক সুধিছিল "তুমি মোক কালৈ দিবা ?" তেতিয়া পিতাকে কৈছিল "মৃত্যু দেৱতাক"। তেতিয়া যমৰজাই ল'ৰাজনৰ আগত দেখা দি তেওঁক অমৰত্বৰ গূঢ় ৰহস্যৰ কথা কৈছিল ? ল'ৰাজন কোন আছিল ? তেওঁৰ পিতাকৰ নাম কি ?

৫. কিছুমান ৰাজকুমাৰ বনলৈ চিকাৰ কৰিবলৈ গৈছিল । তেওঁলোকৰ লগত যোৱা কুকুৰে এটা ক'লা ল'ৰা দেখি খুব ভুকিছিল । তেতিয়া ল'ৰাজনে শৰ মাৰি কুকুৰটোৰ মুখ বন্ধ কৰি দিছিল । ৰাজকুমাৰসকলে যেতিয়া তেওঁৰ পৰিচয় আৰু গুৰু কোন সুধিছিল, তেতিয়া তেওঁ গুৰুৰ নাম কৈছিল আৰু তাতে গুৰুকো দেখিবলৈ পাইছিল । ল'ৰাজনৰ নাম কি ? ৰাজকুমাৰসকল কোন আছিল ?

৬. এজন বালকে বাঘৰ পোৱালিৰ দাঁত গণিবলৈ যোৱা দেখি ৰজা এজন আচৰিত হৈছিল । তেওঁ আৰু বেচি আচৰিত হৈছিল যেতিয়া তেওঁক কোৱা হৈছিল সেইজন তেওঁৰে পুত্ৰ । ল'ৰাজনৰ নাম কি ? ৰজাজন কোন আছিল ? (উত্তৰ অহা মাহত)

অক্টোবৰ সংখ্যাৰ প্ৰশ্নাৱলীৰ উত্তৰো ডিচেম্বৰ সংখ্যাত প্ৰকাশ কৰা হব ।

ভাৰত কথা

এক মহান সভ্যতাত এভূমুকি ।
যুগে যুগে সত্যৰ বাবে গৌৰৱময় অনুসন্ধান

২০. আস্তিক আৰু নাস্তিক

"সেই যে সভাখনত উপস্থিত আছিলা, তাৰে মই বহুতকে জানো । তেওঁলোক নিজৰ জ্ঞানক লৈ অত্যন্ত গৌৰৱী । আচলতে তেওঁলোকে একোকে নাজানে," অধ্যাপক দেৱনাথৰ বোৱাৰীয়েক জয়শ্ৰীয়ে সন্দীপৰ লগত তৰ্ক বিতৰ্ক কৰি আছিল ।

"কিন্তু মা, মই তেওঁলোকৰ মত সমৰ্থন কৰা নাছিলো । দৰাচলতে মই তেওঁলোকৰ মতৰ বিৰোধিতা কৰিছিলো আৰু যুক্তি দিছিলো যে প্ৰতিটো সৃষ্টিৰ মূলতে এজন সৃষ্টিকৰ্ত্তা আছে, যেনেদৰে বেৰত আঁৰি থোৱা চিত্ৰখনৰ এজন চিত্ৰশিল্পী আছে ।" সন্দীপে কৈছিল ।

এনেতে অধ্যাপক দেৱনাথ ড্ৰইং ৰুমলৈ সোমাই আহিছিল আৰু মাক পুতেকৰ মাজত হোৱা তৰ্ক বিতৰ্কৰ কাৰণ বুজিব পাৰিছিল । সন্দীপহঁতৰ স্কুলৰ এজন শিক্ষক নাস্তিক আছিল, যিয়ে ঈশ্বৰৰ অস্তিত্বত বিশ্বাস নকৰিছিল । মাজে সময়ে তেওঁ বন্ধু বান্ধৱ আৰু ছাত্ৰ সকলক মাতি তেওঁৰ ঘৰত আলোচনা চক্ৰ পাতিছিল । তাত নাস্তিকতাবাদৰ দৰ্শন সম্পৰ্কে আলোচনা কৰা হৈছিল ।

"বাপু সন্দীপ, তুমি যি যুক্তি দেখুৱাইছা, এখন চিত্ৰ আঁকিবলৈ হলে এজন চিত্ৰকৰ লাগিব, এই কথাটোৱে মোক এজন বিজ্ঞানী আৰু তেওঁৰ বন্ধুৰ মাজত হোৱা কথোপকথনলৈ সোঁৱৰাই দিয়ে । বিজ্ঞানীজনে ভগবানৰ অস্তিত্ব বিশ্বাস কৰিছিল; কিন্তু তেওঁৰ বন্ধুজন নাস্তিক আছিল । এই লৈ তেওঁলোকৰ মাজত বহুতো যুক্তি তৰ্ক

বিশ্বাবসু

হৈছিল । এদিনাখন নাস্তিকজনে বিজ্ঞানীজনৰ কোঠাত সোমাই তেওঁ টেবিলৰ ওপৰত চিকমিকিয়া ধাতুৰে নিৰ্মিত সৌৰজগতৰ এটা সুন্দৰ মডেল দেখিবলৈ পাইছিল ।

"এইটো খুব সুন্দৰ হৈছে, কোনে তৈয়াৰ কৰিছে ?" নাস্তিকজনে সুধিলে ।

"কোনেও তৈয়াৰ কৰা নাই, নিজে নিজে হৈছে, "বিজ্ঞানীজনে উত্তৰ দিলে ।

"তুমি মিছা কৈছা । কোৱাচোন কোনে তৈয়াৰ কৰিছে, ময়ো এটা তৈয়াৰ কৰিবলৈ দিম।

"বন্ধু, যদি তুমি বিশ্বাস কৰা নভোমণ্ডলৰ বৃহৎ সৌৰজগত সৃষ্টিকৰ্ত্তা-নোহোৱাকৈ আপোনা আপুনি জন্ম হৈছে, তেতিয়াহলে এই অকণমান মডেলটো সেই একেদৰে জন্ম হোৱা বুলি কিয় বিশ্বাস নকৰা ?" বিজ্ঞানীজনে কলে । আৰু তাতে তেওঁলোকৰ কথাবতৰাৰ শেষ হ'ল ।

"ভগবান বিশ্বাস নকৰা মানুহো যে থাকিব পাৰে মই প্ৰথমতে ভবাই নাছিলো । তেতিয়াহলে তেওঁলোকে কাক বিশ্বাস কৰে ?" মনৰ বেদনা প্ৰকাশ কৰি জয়শ্ৰীয়ে প্ৰশ্ন কৰিলে ।

"বাচা, তুমি বাৰু ভাবা নে যিবোৰে ভগবানৰ নামত শপত খায় তেওঁলোকে সঁচাকৈয়ে ভগবানক বিশ্বাস কৰে ? তেওঁলোকে প্ৰায়ে এইটো অন্ধবিশ্বাস জনক অভ্যাস বুলি ধৰি লয় । যিকোনো তথাকথিত ভগবান বিশ্বাসীয়ে নাস্তিকতাবাদী এজনতকৈ জ্ঞান অথবা বিচাৰ বুদ্ধিৰ ফালৰ পৰা শ্ৰেষ্ঠ নহয় ।" অধ্যাপক দেৱনাথে তেওঁৰ শ্ৰোতা বোৱাৰীয়েক জয়শ্ৰী আৰু তেওঁৰ ল'ৰা ছোৱালী দুজনৰ আগত কলে।

"কিন্তু ভাৰতৰ গৌৰৱময় অতীতে আমাক যে ভগবান বিশ্বাসৰ মহান পৰম্পৰাৰ কথাকে কয় সেইটো সঁচা নহয় নে ? জয়শ্ৰীয়ে সুধিলে ।

"দৰাচলতে সেইটো হয় । সত্যৰ অন্বেষণ আৰু জীৱনৰ অৰ্থৰ অনুসন্ধান কৰাই আমাৰ পৰম্পৰা । কিন্তু আমাৰ পৰম্পৰাত কোনো অযৌক্তিক ধাৰণাৰ স্থান নাই । আচলতে ভাৰতবৰ্ষ এনে এখন ঠাই য'ত প্ৰথমতে নাস্তিকবাদী ধাৰণাৰ উদ্ভৱ হৈছিল আৰু কিছু পৰিমাণে বিস্তাৰো কৰিছিল । সেইটো প্ৰচাৰ কৰিছিল আখ্যান প্ৰসিদ্ধ পণ্ডিত চাৰ্বাতে । তেওঁৰ অনুগামী সকলক কোৱা হয় চাৰ্বাকী । তেওঁৰ বাহিৰেও আৰু অন্যান্য বহুতো নাস্তিকবাদী আৰু বস্তুবাদী দাৰ্শনিক আছিল, যেনে ধৰা বৃহস্পতি ।"

"বৃহস্পতি, ককা ? তেওঁ বাৰু দেৱতাসকলৰ পুৰোহিত নাছিল নে ?" চামেলীয়ে আচৰিত হৈ সুধিলে ।

মই যিজন বৃহস্পতিৰ কথা কৈছো তেওঁ অন্য এজন পণ্ডিত । ইয়াৰ উপৰি অজিত আৰু সঞ্জয় নামৰ দুজন বিখ্যাত বস্তুবাদী দাৰ্শনিক আছিল । চাৰ্বাকৰ পিচতে আমি আন এজন দাৰ্শনিকৰ কথা

কব পাৰোতেওঁ হ'ল গোশালা, যিয়ে অজীৱিকাৰ পুৰণি মতমাদ পুনৰ প্ৰচলন কৰিছিল । তেওঁৰ কথাটো অলপ দুখলগা ধৰণৰ আছিল ।

"কি দুখলগা ধৰণৰ পিতা ?" জয়শ্ৰীয়ে সুধিছিল ।

তেতিয়া অধ্যাপক দেৱনাথে গোশালাৰ কাহিনীটো কলেঃ

গোশালা আছিল জৈন্য ধৰ্মৰ সমৰ্থক মহাৱীৰ জীনাৰ সমসাময়িক । প্ৰথমতে মহাৱীৰ আৰু গোশালা বৰ বন্ধু আছিল । কিন্তু কাহিনী মতে গোশালাই মহাৱীৰক ঈৰ্ষা কৰিছিল । এদিনাখন তেওঁলোক যেতিয়া এখন হাবিৰ মাজেৰে গৈ আছিল, মহাবীৰে এনেয়ে কেইটামান কল থকা এডাল লহপহীয়া সেইজীয়া লতাৰ ফালে তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিছিল ।

"সেইফালে চোৱাচোন বন্ধু, সেই যে কলি বোৰ দেখিছা দুই এদিনৰ ভিতৰতে সেইবোৰ ফুলি ফুল হব ! প্ৰকৃতিৰ কি অলৌকিক ঘটনা," মহাৱীৰে কলে ।

"সেই বিষয়ে তুমি নিশ্চিত নে ?" গোশালাই বিৰোধিতা কৰাৰ মনোভাবেৰে সুধিলে ।

মহাবীৰে তেওঁৰ সঙ্গীৰ বিৰোধিতা কৰাৰ স্বৰ শুনি আচৰিত হৈছিল । তেওঁ গুৰুত্বহীনভাবে এনেয়ে কথাটো কৈছিল । কিন্তু সেইটোৱে গৈ গুৰুত্বপূৰ্ণ হল গৈ । তেওঁ এজন ভৱিষ্যদ্বক্তা আছিল । তেওঁ অলপ সময় চকুদুটা মুদি থাকি তাৰপিছত কলে, "হয়, মই নিশ্চিত, এই কলিবোৰ ফুলি সুন্দৰ ফুল হয় ।"

গোশালাই মাথোঁ এটা কৌতুকপূৰ্ণ হাঁহি মাৰিলে, তাৰ বাহিৰে একো নকলে ।

যিখন আশ্ৰমত তেওঁলোক দুয়ো ৰাতি থকাৰ কথা সেই আশ্ৰমখন তাৰ পৰা বেচি দূৰত নাছিল। মহাৱীৰ যেতিয়া শুই আছিল, মাজৰাতি গোশালাই উঠি আহি সেই লতা থকা গছডালৰ ওচৰলৈ গৈছিল । তেওঁ লতাডাল টানি চিঙি আনি এটা গাঁতত পেলাই দিছিল আৰু আশ্ৰমলৈ ঘূৰি আহি শুই আছিল ।

দুদিন পিছত সেই একে বাটেৰে মহাৱীৰ আৰু গোশালা ঘূৰি আহিছিল । মহাৱীৰে লতাডালৰ বিষয়ে যি কথা কৈছিল সম্ভৱত তেওঁ

পাহৰি গৈছিল । কিন্তু সেই ঠাইখন পোৱাৰ অলপ আগতে গোশালাই এটা হাঁহি মাৰি মহাৱীৰে কোৱা কথাটো সেঁৱৰাই দি কৈছিল, "মই কওঁ, তোমাৰ সেই কলিবোৰ ফুলি আৰু ফুল নহব !"

"তুমি সেইবুলি ভাবা নে ?" মহাৱীৰে সুধিলে ।

"মই সেইবুলি ভবাৰ কোনো প্ৰশ্ন নুঠে মই এই বিষয়ে নিশ্চিত ।" গোশালাই কলে ।

অলপ পিছতে তেওঁলোকে সেই ঠাইখন পাইছিল । কিন্তু কি আচৰিত, সেই উভালি পেলোৱা লতাডালে ৰাতি হোৱা বৰষুণৰ পানী পাই জীয়াই উঠিছিল আৰু কলিবোৰ ফুলি ধুনীয়া ফুল হৈছিল ।

মহাৱীৰে কোনো কথা নকৈ মাথো ফুলবোৰৰ ফালে দেখুৱাই দিলে । গোশালাৰ কিন্তু ভয়ানক খং উঠিছিল । তেওঁ ক্ষোভতে মহাৱীৰক বেয়া বেয়া কথা শুনাইছিল । "যদি সকলো কথাই আগতে ঠিক কৰি থোৱা হয়, আমি কাম কৰাৰ আৱশ্যক কি ? আমাৰ জীৱনৰ অৰ্থ কি ?" তেওঁ এইবুলি কৈ মহাৱীৰক তাতে এৰি থৈ গ'ল ।

দিন যোৱাৰ লগে তেওঁ মহাৱীৰৰ প্ৰতি আৰু বেচি বিদ্ৰোহী হবলৈ ধৰিলে । তেওঁ সকলো সময়তে মহাৱীৰৰ কথাবোৰৰ বিৰোধিতা কৰাত লাগি গ'ল । এবাৰ তেওঁ দুষ্ট যাদুবিদ্যাৰে মহাৱীৰক মাৰিবলৈ চেষ্টা কৰিছিল । কিন্তু যিহেতু মহাৱীৰে নিজৰ অলৌকিক শক্তিৰ দ্বাৰ সুৰক্ষিত হৈ আছিল, সেয়ে গোশালাই কৰা যাদু তেওঁৰ গাত নালাগি পুনৰ ঘূৰি গোশালাৰ গাতে লাগিছিল । গোশালা বেমাৰত পৰি পাগল হৈ গৈছিল আৰু কিছুদিন পিছত তেওঁৰ মৃত্যু হৈছিল।

"চোৱাচোন বাৰু, চকুচৰহা মানুহে নিজৰ জীৱনলৈ কেনেকৈ সৰ্বনাশ মাতি আনে !" ইয়াকে কৈ অধ্যাপক দেৱনাথে কাহিনী সমাপ্ত কৰিলে ।



দেৱী ভগৱত

সূতে কবলৈ ধৰিলে ব্ৰহ্মাৰ প্ৰাৰ্থনা অনুসাৰে যোগনিদ্ৰা গুচি যোৱাৰ পিছত বিষ্ণুৰ নিদ্ৰা ভঙ্গ হ'ল। তেওঁৰ এই কথা শুনি মুনিসকলে আপত্তি কৰি কবলৈ ধৰিলে-"আমি শুনিছিলো ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ সৃষ্টি স্থিতিৰ কাৰক। আমি ইয়াকো শুনিছো এই তিনিওজনৰ ভিতৰত বিষ্ণু সৰ্বোত্তম। গতিকে বিষ্ণু যেতিয়া যোগনিদ্ৰাত সুপ্ত হৈ আছিল তেতিয়া তেওঁৰ শক্তি আৰু তেজস্বিতাৰ কি হৈছিল ? আদ্যা-শক্তিয়ে তেওঁতকৈও বেচি শক্তি কৰপৰা পালে ? আমি শুনি আহিছো বিষ্ণুয়ে হ'ল সমস্ত কাৰণৰ কাৰক। কিন্তু আপুনিতো কব ধৰিছে আদ্যা-শক্তিয়েই হ'ল সমস্ত কাৰণৰ মূল। আমি বুজিব পৰা নাই সত্য কোনটো ?

তেতিয়া সূতে এইবুলি কলে :

"মুনিগণ আপোনালোকৰ প্ৰশ্নৰ উত্তৰ অতি মনোযোগেৰে শুনিব। নাৰদ আদি মহামুনিসকলেও আদ্যা-শক্তিৰ অসীম প্ৰভাৱৰ কথা জানিব নোৱাৰা বাবে বিষ্ণুকেই সৰ্বশক্তিমান বুলি কৈছে। কিন্তু এইটো কেৱল তেওঁলোকৰ ভ্ৰমহে। এইদৰে তেওঁলোকৰ বিষয়েও ভিন্ন ভিন্ন অভিমত আছে। কিছুমানে যদি শিৱক ভগবান বুলি কয় কিছুমানে কয় সূৰ্যক। কিছুমানে যদি অগ্নিক সেই স্থান দিয়ে কোনোৱে দিয়ে চন্দ্ৰক। তেওঁলোকে নিজৰ মতৰ পৰা বাহিৰলৈ আহিব নোখোজে। যিয়ে যি ধৰণে প্ৰমাণ নকৰক কিয় আদ্যা-শক্তিয়ে হ'ল আচল শক্তি। এই শক্তি বিষ্ণু, শিৱ, সূৰ্য, বায়ু, অগ্নিৰ ভিতৰতো দেখা যায়।"

এনে শক্তিৰ দ্বাৰা নিদ্ৰা ভঙ্গ কৰাৰ পিছত সাৰ পাই বিষ্ণুয়ে ব্ৰহ্মাক দেখি কলে, "পুত্ৰ, তপস্যা এৰি ইয়ালৈ কিয় আহিছা ? তোমাৰ চিন্তাৰ কাৰণ কি ?"

"এতিয়া মই কেনেকৈ তপস্যা কৰিম ? ইটো কেনেকৈ সম্ভৱ হব ? তোমাৰ দুই কাণেৰে মধু কৈটেভ নামৰ দুটা ৰাক্ষসৰ জন্ম হৈছে। সিহঁতে

২. মধু কৈটভ বধ - শুকৰ জন্ম



প্ৰথমতে বিষ্ণু আৰু মধু ৰাক্ষসৰ মাজত তয়াময়া যুদ্ধ আৰম্ভ হ'ল । সেই যুদ্ধ আকাশৰ পৰা দেৱীয়ে চাই আছিল । মধু ভাগৰি পৰাত কৈটভে বিষ্ণুৰ লগত মল্লযুদ্ধ কৰিবলৈ ধৰিলে । দুয়ো ৰাক্ষসে সৰ্বশক্তি প্ৰয়োগ কৰি বিষ্ণুৰ লগত যুদ্ধ কৰিবলৈ ধৰিলে । লাহে লাহে বিষ্ণুয়ে শক্তিহীনতা অনুভব কৰিবলৈ ধৰিলে । তেওঁ সিদ্ধান্ত কৰিব পৰা নাই ৰাক্ষসহঁতক কেনেকৈ বধ কৰে । এতিয়া তেওঁ নিজৰ ৰক্ষাৰ কথাহে চিন্তা কৰিবলৈ ধৰিলে । বিষ্ণুয়ে চিন্তিত হোৱা দেখি ৰাক্ষসহঁতে কলে, "যদি তোমাৰ যুদ্ধ কৰিবলৈ শক্তি নাই আমাৰ দাস হোৱা । আমাক আঠুকাঢ়ি প্ৰণাম কৰা । তুমি তাকে নকৰিলে প্ৰথমতে তোমাক বধ কৰিম, তাৰ পাছত ব্ৰহ্মাক।"

বিষ্ণুয়ে নৰম স্বৰে দুই ৰাক্ষসক কলে, "ভাগৰুৱা জনক, পলাতক জনক, ভীত জনক, যুদ্ধক্ষেত্ৰত পৰি যোৱাজনক বধ কৰাতো বীৰধৰ্ম নহয় । তোমালোক দুজন, আৰু মই অকলে । কিছুসময় বিশ্ৰাম লৈ পিছত তোমালোকৰ লগত যুদ্ধ কৰিম । তোমালোক দুজন বাৰু যুদ্ধ ধৰ্মত অনভিজ্ঞ নেকি ?"

'ঠিক আছে, বিশ্ৰাম কৰা । আমিও বিশ্ৰাম লও ।" দুয়ো ৰক্ষসে কলে । ইয়াৰ পিছত বিষ্ণুয়ে দিব্যদৃষ্টিৰে জানিব পাৰিলে দুয়ো ৰাক্ষসেই বৰদান প্ৰাপ্ত । তেওঁ নিজে নিজে কবলৈ ধৰিলে, "মিছাতে মই তেওঁলোকৰ লগত যুদ্ধ কৰিলো । তেওঁলোকে বৰ পোৱা বাবে তেওঁলোকৰ মৃত্যু নহয় । তেওঁলোক মৃত্যুৰ পৰা মুক্ত । এতিয়া তেওঁলোকক কেনেদৰে বধ কৰা যায় ?" শেষত তেওঁ জগদম্বাক স্মৰণ কৰিলে ।

'হে মাতা, তোমাৰ সহায় অবিহনে এই ৰাক্ষসক বধ কৰাতো মোৰ বাবে সম্ভৱ নহয় । নহলে মোকেই তেওঁলোকে মাৰি পেলাব ।

মোক মাৰি পেলাব বুলি ধমক দিছে । সিহঁতে যুদ্ধ কৰিবলৈ ফেপেৰি পাতি আছে।" ব্ৰহ্মাই কলে।

'এইটো কথাতে ভয় খাইছা ? মোৰ হাতত কত ডাঙৰ ডাঙৰ ৰাক্ষসৰ মৃত্যু হৈছে!" বিষ্ণুয়ে এই দৰে কৈ থাকোতে দুয়ো ৰাক্ষস আহি তাত উপস্থিত হ'ল আৰু ব্ৰহ্মাৰ ফালে চাই কবলৈ ধৰিলে "ইয়াতে আহি লুকাই আছা ? তোমাক বিচাৰি উলিয়াতো আমাৰ বাবেকি ইমান ডাঙৰ কাম ? তোমাক কোনে ৰক্ষা কৰিব পাৰিব ? অকলে নমৰা কিয়, আনক লগত লৈ যাব কিয় বিচাৰিছা ?"

বিষ্ণুয়ে ব্ৰহ্মাক তেওঁৰ পিছৰ ফালে আহিবলৈ সংকেত দি ৰাক্ষস দুটাক কলে, "মুখত যিহকে আহিছে মদমত্ত হৈ তাকে বলকিছা । ৰবা, এতিয়াই তোমালোকক ঠিক লগাম ।" ইয়াকে কৈ বিষ্ণুয়ে ৰাক্ষসৰ লগত যুদ্ধ কৰিবলৈ সাজু হ'ল ।

তুমিয়ে ৰাক্ষসক বৰ দিছিলা । তুমিয়ে এতিয়া কব লগিব এই ৰাক্ষসহঁতক কেনেদৰে বধ কৰা যায় ।” বিষ্ণুয়ে মনতে জগদম্বাক সুধিলে ।

বিষ্ণুৰ অৱস্থা দেখি দেৱীয়ে এটা হাঁহিমাৰি কলে “মই নিজৰ মায়াৰ বলেৰে ৰাক্ষসহতক মোহিত কৰি ৰাখিম, তাৰপাছত তুমি সিহঁতৰ ওপৰত বিজয় প্ৰাপ্ত হবা ।

ৰাক্ষসহঁতে বিষ্ণুক কবলৈ ধৰিলে, পৰাজয়ৰ কাৰণে ইমান চিন্তা কৰিছা কিয় । জয়-পৰাজয় যোদ্ধাৰ জীৱনৰ এক স্বাভাৱিক ঘটনা । তোমাৰ হাতত কিমান ৰাক্ষস পৰাজিত হোৱা নাই নে ? জয় জানো চিৰস্থায়ী ?”

ৰাক্ষসৰ কথা শুনি বিষ্ণুয়ে ক্ৰোধিত হৈ মুষ্টিৰে জোৰে আঘাত কৰিলে । তেজ বমি কৰি দুয়ো ৰাক্ষসে নিজৰ সৰ্বশক্তি প্ৰয়োগ কৰি বিষ্ণুৰ বুকুত আঘাত কৰিলে । তাৰ পাছত দুয়োপক্ষৰ মাজত ভীষণ মুষ্টিযুদ্ধ হয় । অতি শ্ৰান্ত হৈ বিষ্ণুয়ে আকাশৰ ফালে চোৱাত দেৱীক দেখিবলৈ পালে।

সেই সময়ত দেৱীয়ে ৰাক্ষসৰ ওপৰত কামদেৱৰ বাণৰ দৰে দৃষ্টি নিক্ষেপ কৰিলে । তেতিয়া ৰাক্ষসহঁতে যুদ্ধৰ কথা পাহৰি গৈ মোহৰ বন্ধনত বন্দী হ'ল । এই অৱস্থাত বিষ্ণুয়ে ৰাক্ষসহঁতক কলে, “মই কিমান ৰাক্ষসৰ লগত যুদ্ধ কৰিছো, কিন্তু তোমালোকৰ দৰে নিপুণ যোদ্ধা মই দেখা নাই । তোমালোকৰ যুদ্ধ নৈপুণ্য দেখি মই অতি আনন্দিত । তোমালোকৰ মনত যদি কিবা ইচ্ছা আছে কোৱা, মই পূৰণ কৰিম।”

দেৱীৰ প্ৰভাবৰ কাৰণে মায়ামোহত বন্দী ৰাক্ষসহতে বিষ্ণুৰ কথা শুনি ক্ৰোধিত হৈ কলে, “আমি তোমাৰ পৰা কি বৰ বিচাৰিবৰ আছে ? তোমাক যদি কিবা বৰ লাগে আমিহে তোমাক দিব পাৰিম ।”

“তেতিয়াহলে মই বিচৰা বৰ দিবা ? মোৰ যুদ্ধ নৈপুণ্য দেখি তোমালোকে যদি আনন্দিত

হৈছা মোৰ হাতত মৃত্যু বৰণ কৰা ।” বিষ্ণুয়ে কলে ।

বিষ্ণুয়ে এই বৰ বিচৰা দেখি দুয়ো ৰাক্ষস স্তম্ভিত হৈ গ'ল । ইয়াৰ পিছত কোনো নভবা নিচিন্তাকৈ তেওঁলোকে কলে, “এটা কথা মনত ৰাখিবা, তুমি আমাক বৰ দিব খুজিছা । তেতিয়াহলে আমাক এই বৰ দিয়া আমাক এনে এখন বিশাল ঠাইত মাৰিবা য'ত অলপো পানী নাথাকে । এই চৰ্তত আমি তোমাৰ হাতত মৰিবলৈ ৰাজি আছো ।”

এই কথা শুনি হাঁহিমাৰি বিষ্ণুয়ে নিজৰ উৰুপ্ৰদেশ বিস্তৃত কৰি দি কলে, “হে ৰাক্ষস, এতিয়া আহা ।”

দুয়োৰাক্ষসে নিজৰ শৰীৰ, বিষ্ণুৰ বিস্তৃত উৰুতকৈও ডাঙৰ কৰি দিলে । ৰক্ষসে শৰীৰ বঢ়াই দিয়াত বিষ্ণুয়েও নিজৰ উৰু আৰু বিশাল কৰি দিলে । চাওঁতে চাওঁতে বিষ্ণুৰ উৰুয়ে ৰাক্ষসৰ শৰীৰতকৈ ডাঙৰ হৈ গ'ল । তেতিয়া

বিষ্ণুয়ে নিজৰ চক্ৰক স্মৰণ কৰিলে । তাৰ দ্বাৰা ৰাক্ষসহঁতক বধ কৰিলে । সিহঁতৰ মস্তিষ্ক পানীত গৈ পৰিল আৰু তাতেই ৰাক্ষসৰ মেদেৰে এটা দ্বীপৰ সৃষ্টি হ'ল । তেতিয়াৰ পৰা ভূমিৰ নাম হ'ল মেদিনি ।

ব্যাসৰ তপস্যা

সূতৰ কথা শুনাৰ পিছত মুনিসকলে কলে, “আপুনি আমাক বহুতো কাহিনীকে শুনালে, কিন্তু ব্যাসৰ কথা নকলে, যিয়ে পুত্ৰ প্ৰাপ্তিৰ বাবে তপস্যা কৰিবলৈ ওলাই গৈছিল ।”

তেতিয়া সূতে ব্যাসৰ তপস্যাৰ বিষয়ে এইদৰে কলে :

নাৰদে কোৱা মন্ত্ৰ জপ কৰি স্বৰ্ণগিৰিৰ ওপৰৰ কৰ্ণিকাৰ বনত ব্যাসে তপস্যা আৰম্ভ কৰিলে । নিজৰ পূৰ্ণ শক্তি প্ৰয়োগ কৰি যেতিয়া তেওঁ তপস্যা কৰিবলৈ ধৰিলে তেতিয়া ভূমি আৰু আকাশ কঁপি উঠিল ।

তেতিয়া দেৱতাসকলে ভয় খাই শিৱৰ ওচৰলৈ গৈ মিনতি কৰি কলে, “ব্যাসে ভয়ানক ভাবে তপস্যাত মগ্ন হৈ আছে । অনুমান হৈছে আমাৰ বহুত বিপত্তি হব । আমাক ৰক্ষা কৰক।”

তপস্বীসকলৰ অপকাৰ কৰা উচিত নহয় । তেওঁলোকে আনৰো অপকাৰ নকৰে । ব্যাসে পুত্ৰৰ কাৰণে মোক স্মৰণ কৰি আছে । সেইবাবে তেওঁ তপস্যাত মগ্ন হৈ আছে ।” শিৱই দেৱতাসকলক এই বুলি বুজনি দি ব্যাসৰ আগত গৈ দেখা দিলে । শিৱই ব্যাসৰ ইচ্ছা পূৰ্ণ কৰিলে। তেতিয়া ব্যাস আশ্ৰমলৈ উভতি গ'ল ।

তেওঁ অগ্নি প্ৰজ্বলিত কৰি লৈ এইবুলি কলে, “এনেকুৱা কোনো স্ত্ৰী ওলাবনে, যিয়ে অগ্নিৰ সমান পুত্ৰ জন্ম দিব পাৰে ? যিয়েই হওক স্ত্ৰী এক প্ৰতিবন্ধক ।” এইদৰে ভাবি থাকোতে তেওঁ আকাশত ধৃতাচীক দেখিলে । ওচৰতে কামদেৱকো দেখিবলৈ পালে । ব্যাসে কামদেৱৰ

প্ৰভাৱলৈ আহিছিল। পিছত তেওঁ নিজকে নিজে কবলৈ ধৰিলে, "তেওঁ মোক ঠগিবলৈকে আহিছে কিজানি। তেওঁৰ সৈতে সুখী জীৱন কটাও যদি সেইটো কি বেয়া হব ? মোক বিশ্বাস কৰি, মোক নিজৰ বুলি ধৰি লৈ তেওঁ মোক সুখী কৰিব পাৰিবনে ? কি তেওঁ মোক পুৰুৰৱাৰ দৰে নকৰেতো, যিদৰে উৰ্বশীয়ে বিৰহ বেদনাতে কটাই দিছিল ?"

ধৃতাচীৰ মনতো এই কথাৰে ভয় হৈছিল, কোনো কথাৰে ব্যাসে তেওঁক শাপ নিদিয়োতো। তেওঁ এটা ভাটো চৰাই হৈ উৰি গ'ল। ফলস্বৰূপে অগ্নিৰ কাৰণে অনা হোম খৰিৰ পৰাই শুকৰ জন্ম হ'ল। ব্যাসে শুকক দেখিয়ে কবলৈ ধৰিলে, "এইটো কি অদ্ভুত। এইটো নিশ্চয় শিৱৰ কাৰণেই সম্ভৱ হৈছে।" ইয়াৰ পিছত তেওঁ নিজৰ পুত্ৰক গঙ্গা নদীলৈ লৈ গৈ স্নান কৰালে। আকাশত দেৱ দুন্দুভি বাজি উঠিল। পৃথিৱীৰ ওপৰত পুষ্প বৰ্ষণ হবলৈ ধৰিলে। অপ্সৰা সকলে নৃত্য কৰিবলৈ ধৰিলে।

ভাটো চৰাইৰ ৰূপ ধাৰণ কৰিব পৰা স্ত্ৰীৰ কাৰণে যিহেতু পুত্ৰ জন্ম হৈছে, সেয়েহে ব্যাসে পুত্ৰৰ নাম শুক ৰাখিলে। শুক লাহে লাহে ডাঙৰ হবলৈ ধৰিলে। শুকৰ বাবে আকাশৰ পৰা হৰিণৰ ছাল, দণ্ড আৰু কমণ্ডলু আহি পৰিল। ব্যাসে তেওঁৰ পুত্ৰক বৃহস্পতিৰ ওচৰত বেদ অভ্যাস কৰিবলৈ পথালে।

বিদ্যা শিক্ষা শেষ হোৱাৰ পিছত শুক পিতাকৰ ওচৰলৈ ঘূৰি আহিল। অধ্যয়ন সমাপ্ত কৰি উভতি অহা পুত্ৰক দেখি ব্যাসৰ মনত আনন্দ লাগিল। ব্যাসে পুতেকৰ বিয়া পাতিব খুজিছিল। কিন্তু পুতেকে বিয়া কৰাবলৈ অস্বীকাৰ কৰিলে।

"মনক বশ কৰি ৰাখি ইয়াক নিৰ্মল আৰু স্বচ্ছ কৰি ৰখাই মুক্তিৰ পথ। মুক্তিৰ কাৰণে আৰু কোনো বন্ধনৰ আৱশ্যক নাই। ন্যায় পথেৰে ধন উপাৰ্জন কৰা, মিছা কথা নোকোৱা, অতিথিক শুশ্ৰূষা কৰা, যোগ্যজনক দান দিয়া, এইবোৰ হ'ল গৃহস্থি ধৰ্মৰ কৰ্ত্তব্য। এই কৰ্ত্তব্য পালন কৰিয়ে তেওঁলোকে মুক্তি পায়। সেই কাৰনে বশিষ্ঠ আদি মুনিসকলে গৃহস্থাশ্ৰম মানি লৈছে। তুমিও সুযোগ্য কন্যা বিবাহ কৰাই তোমাৰ পিতৃক সন্তুষ্ট কৰা।" ব্যাসে শুকক কলে।

ইমান বুজোৱাৰ পিছতো শুকৰ মন বৈৰাগ্যৰ প্ৰতিয়ে আকৰ্ষিত হৈ থাকিল। এই কথা জানিব পাৰি ব্যাসে পুনৰ পুতেকক কলে, "বাচা, মই বহুদিন আগতে দেৱী ভাগৱত ৰচনা কৰিছো, যিয়ে মুক্তি দিব পাৰে। সেই পুথি পঢ়ি তুমি জ্ঞানী হোৱা।" তাৰপিছত ইয়াৰ বিষয়ে কবলৈ ধৰিলে। **(ক্ৰমশঃ)**

কৃষ্ণভূপতি

“প্ৰভু, আপুনি যি ভাবিছে মই এজনী ক্ষত্ৰিয় কন্যা । অকল সেইটোৱে নহয় মই আপোনাৰ মোমায়েক চন্দন বৰ্মাৰ শহুৰেকৰ ঘৰৰ মানুহ । যেতিয়া আপোনাৰ মোমায়েকে বিয়া কৰাইছিল তেতিয়াৰ পৰা মোৰ পিতা গোপাল সেনৰ লগত তেওঁৰ বন্ধুত্ব স্থাপন হৈছিল । চন্দন বৰ্মাই বিচাৰিছিল মোৰ পিতা আহি যেন তেওঁৰ লগত থাকে । তেতিয়াৰ পৰা আমাৰ পৰিয়াল ৰজাৰ অতিথি হিচাবে কুশদ্বীপতে থাকি গ’ল ।

মোৰ জন্মও কুশদ্বীপতে হৈছে । তাৰ মন্ত্ৰীৰ কন্যা জ্যোৎস্নাও মোৰ লগৰে । চন্দন বৰ্মা, তাৰ মন্ত্ৰী আৰু মোৰ পিতাৰ মাজত ভাল বন্ধুত্ব আছিল ।

আপোনাৰ পিতাকৰ মৃত্যুৰ খবৰ পোৱাৰ পিছতে মহাৰাজ চন্দনবৰ্মা আপোনাৰ ইয়ালৈ আহিছিল । আমি অতি ব্যাকুলতাৰে সৈতে তেওঁ ঘূৰি অহালৈ অপেক্ষা কৰি আছিলো । কিন্তু তেওঁ মূল্যবন্তক ৰাজপ্ৰতিনিধি হিচাবে নিযুক্ত কৰিলে । মহাৰাজৰ এই নিযুক্তিত আমি খুব নিৰাশ হৈছিলো ।

মূল্যবন্তই কিছুদিন বিশ্বাসভাজন ব্যক্তি হিচাবেই কাম কৰিছিল । কিন্তু ক্ৰমে তেওঁৰ স্বভাৱৰ পৰিবৰ্তন হবলৈ ধৰিলে । তেওঁৰ স্বভাৱৰ পৰিবৰ্তনৰ কথা মোৰ পিতাই জানিব পাৰিছিল । তেওঁ এইটো ভাল পোৱা নাছিল। পিতাই ভাবিছিল মূল্যবন্তৰ বেয়া স্বভাৱৰ কথা একেলগে প্ৰমাণ সহিত

মহাৰাজক অবগত কৰিব । এই ক্ষেত্ৰত তেওঁ খুব সাৱধান আছিল । পিতাই মূল্যবন্তৰ সকলোবোৰ কথা বিতং ভাবে জনাই মহাৰাজক দিবলৈ এখন চিঠি লিখিছিল । সেই চিঠিখন পাৰ চৰাইৰ দ্বাৰা মলয় দ্বীপলৈ পঠাব বিচাৰিছিল । পাৰ চৰাইৰ দ্বাৰা চিঠি পঠোৱা কাম এজন অধিকাৰীৰ দায়িত্বত আছিল । কিন্তু দুৰ্ভাগ্যবশতঃ পিতাই জানিব পৰা নাছিল যে সেই অধিকাৰীজন মূল্যবন্তৰ মানুহ । সেই চিঠিখন মহাৰাজ চন্দন বৰ্মাৰ পৰিবৰ্তে মূল্যবন্তৰ হাতলৈ গ'ল। তেওঁ মোৰ পিতাক মাতি নি তাতেই বধ কৰিলে আৰু কোনেও নজনাকৈ শটো পুতি থলে ।



ইয়াৰ পিছত মূল্যবন্তই আমালৈ এইবুলি খবৰ পঠালে যে এটা বিশেষ জৰুৰী কামতে পিতাক মলয় দ্বীপলৈ পঠাইছে আৰু উভতি আহোতে তেওঁৰ পলম হব । প্ৰথমতে আমি সঁচা বুলিয়ে ভাবিচিলো । কিন্তু লাহে লাহে আমাৰ সন্দেহ হবলৈ ধৰিলে । মোৰ অনুমান হৈছিল নিশ্চয় ইয়াত কিবা ষড়যন্ত্ৰ আছে । কিন্তু সেই অৱস্থাত মই কিয়েই বা কৰিব পাৰিম ।

লাহে লাহে মূল্যবন্তৰ বেয়া কাম বোৰে সীমা চেৰাই যাবলৈ ধৰিলে । এটা এটাকৈ তেওঁৰ পাপ কামবোৰৰ কথা প্ৰকাশ হবলৈ ধৰিলে । তেওঁৰ দুষ্কৰ্মবোৰৰ কথা মানুহৰ মাজত আলোচনাৰ বিষয় হৈ পৰিল । মূল্যবন্তই যে নিজে ৰজা হোৱাৰ সপোন দেখিছে এই কথাবোৰ মানুহে ভয়তে খোলা খুলিকৈ পৰা নাছিল । কিন্তু মহাৰাজ চন্দনবৰ্মাক ভাল পোৱা কিছুমান অধিকাৰীয়ে দৃঢ়তাৰে সৈতে মূল্যবন্তৰ কামৰ বিৰোধিতা কৰিছিল । সেয়াই তেওঁলোকৰ কাল হ'ল । মোৰ পিতাৰ যি দশা হৈছিল তেওঁলোকৰো সেই একেই দশা হল । পাপ কামনো আৰু কিমানদিন লুকাই থাকিব ? লাহে লাহে আমি জানিব পাৰিলো পিতাৰ অৱস্থা কি হৈছে । বিশ্বাসী লোকৰ দ্বাৰা পিতাৰ মৃত্যু হোৱাৰ কথা জানিব পাৰি মনৰ দুখতে মা বেমাৰত পৰিল আৰু কিছুদিন পিছত তেওঁৰো মৃত্যু হ'ল ।

এতিয়া আমাৰ পৰিয়ালত মই অকলে থাকি গলো । মোৰ নিজৰ বুলিবলৈ কোনো নাই । মোৰ অন্তৰত মূল্যবন্তৰ বিৰুদ্ধে প্ৰতিহিংসাৰ জুই জ্বলিবলৈ ধৰিলে । মই



মোৰ উপায়হীনতাৰ কথা কথা জানিব পাৰিছিলো। মই বুজিব পাৰিছিলো অকলে মই একো কৰিব নোৱাৰিম । মই ঘৰৰ পৰা পলাই আহি এই হাবিত প্ৰৱেশ কৰিলো ।

এই হাবিত ভীল জাতিৰ মানুহ থাকে । তেওঁলোক যুদ্ধ বিদ্যাত অতি পাকৈত । সৰুৰে পৰা মই তৰোৱাল চলাব জানিছিলো। মহাৰাজ চন্দনবৰ্মাই মোৰ তৰোৱাল চলোৱাৰ কৌশল দেখি মোৰ প্ৰশংসাত পঞ্চমুখ হৈছিল। মই পুৰুষৰ বেশ ধাৰণ কৰি ভীলসকলৰ যুদ্ধ কৌশলো শিকি ললো । তাৰ পৰা কুশদ্বীপৰ ৰাজধানীলৈ গৈ মহাৰাজ চন্দনবৰ্মাৰ আগমনৰ প্ৰতীক্ষা কৰিবলৈ ধৰিলো ।

মোৰ অনুমান আছিল মহাৰাজ চন্দনবৰ্মা যেতিয়া উভতি আহিব মূল্যবন্তই কোনো প্ৰকাৰে তেওঁৰ ৰাজ্য ওভতাই নিদিব আৰু তেতিয়া দুয়োৰে মাজত যুদ্ধ হ'ব । মই সিদ্ধান্ত কৰিছিলো মই মহাৰাজৰ পক্ষত থাকি যিকোনো প্ৰকাৰে মূল্যবন্তক বধ কৰিম । মোৰ সম্পূৰ্ণ বিশ্বাস আছিল এইটো এদিন সত্যত পৰিণত হ'ব । এই আশাতে মই মোৰ বান্ধৱী এজনীৰ ঘৰত চদ্মবেশত থাকিবলৈ ললো ।

মই যেনেদৰে ভাবিছিলো বহুদিনৰ পিছত মহাৰাজ চন্দনবৰ্মা দেশলৈ ঘূৰি আহিছিল । কিন্তু যুদ্ধ কৰাৰ কোনো আৱশ্যক নহল, কাৰণ মূল্যবন্তৰ কৃতঘ্নতা আৰু বিশ্বাস ঘাটকতাই মহাৰাজৰ মনত খুব আঘাত দিলে আৰু সেই কাৰণে হৃদৰোগত আক্ৰান্ত হৈ তেওঁৰ মৃত্যু হয় । কোনো ৰক্তপাত নোহোৱাকৈয়ে মূল্যবন্তই কুশদ্বীপৰ সিংহসান লাভ কৰিলে । মহাৰাণীয়ে বুজিব নোৱাৰিলে কোন আত্মীয় আৰু কোন দ্ৰোহী । তেওঁ সপৰিয়ালে আপোনাৰ দেশলৈ গুচি আহে ।

মূল্যবন্ত আৰু তেওঁৰ সঙ্গীসকলে খবৰলৈ জানিব পাৰিলে মহাৰাণী মলয়দ্বীপ গৈ পাইছে। মোৰ চকুৰ আগতে ঘটা এই ঘটনাই মোৰ মনৰ আশাত চেচা পানী ঢালিলে ।

এই পৰিস্থিতিত মই প্ৰথমতে ভাবিব পৰা নাছিলো আগলৈ মই কি কৰিম । সেই সময়ত মই আপোনাৰ পৰাক্ৰমৰ কথা শুনি আছিলো। মোৰ অনুমান হৈছিল আপুনিয়েই একমাত্ৰ ব্যক্তি হ'ব যাৰ অনুগ্ৰহত মোৰ লক্ষ্য

পূৰণ কৰিব পাৰিম । মই অনুমান কৰিছিলো আপুনি চুপচাপ বহি থকা ব্যক্তি নহয় । আপুনি মোমায়েকৰ হত্যাকাৰীক শাস্তি দিহে এৰিব, আৰু সেই শাস্তি হব প্ৰাণদন্ড । এই আশা লৈয়ে মই এই হাবিলৈ আহিছো, কিয়নো আপুনি কুশদ্বীপলৈ গলে এই পথেৰেই যাব লাগিব । মই এইটোও জানিছিলো অদূৰ ভৱিষ্যতে আপুনি ইয়ালৈ আহিব আৰু মোৰ এইটোও আশা আছিল মই আপোনাৰ সেনাবাহিনীত ভৰ্ত্তি হম ।

প্ৰতিহিংসৰ জ্বালা গুচাবলৈ ইমানদিনে আপোনাৰ প্ৰতীক্ষা কৰি আহিছো ।

কল্পাৰ দ্বীপ জয় কৰি বিশাল সৈন্যবাহিনীৰে সৈতে আপুনি কুশদ্বীপৰ ফালে আগবাঢ়ি অহা শুনি মোৰ মনত আনন্দ সীমা নাছিল । ভগবানৰ কৃপাত মই যিটোৱে মনত ভাবিছো সেইটোৱে হৈছে । ইয়াৰ পিছত যি কৰিছো মই কোনো কথাই লুকুৱা নাই । মই অকলে যিটো কাম কৰিব পৰা নাই আপোনাৰ সহায়তে কৰিব পাৰিম। প্ৰথমৰ পৰাই আপুনি মোক আদৰ কৰিছে, চোৱা চিতা কৰিছে, ইয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো ।" এইবুলি কৈ কলা-কৌমুদীয়ে নিজৰ কাহিনী সমাপ্ত কৰিলে।

কৃষ্ণভূপতিয়ে কৌমুদীৰ কথা খুব মনোযোগেৰে শুনিলে আৰু ইয়াৰ পিছত কলে, "জানিয়েই হওক বা অজানিতেই হওক মই তোমাৰ মনৰ আশা পূৰণ কৰিছো। ইমান ডাঙৰ সহায় কৰাৰ পিছত কেৱল ধন্যবাদেই যথেষ্ট নে ?"



ৰজাৰ কথা শুনি অধীৰ হৈ কৌমুদীয়ে কলে, "মই স্বীকাৰ কৰো কেৱল ধন্যবাদেৰে আপোনাৰ ঋণ পৰিশোধ কৰিব নোৱাৰো । আপুনি মোক যি সহায় কৰিছে, যি আদৰ সমান কৰিছে তাৰ বাবে মই আপোনাৰ ওচৰত কৃতজ্ঞ । আপুনি যি কাম কৰিবলৈ কয় সেই কাম কৰিবলৈ মই সাজু আছো ।"

ৰজাই হাঁহিমাৰি কলে, "মই কৃষ্ণভূপতি । কলা আৰু যুদ্ধবিদ্যাত অসামান্য প্ৰতিভাশালী সাক্ষাত সত্যভামাক মই কি আদেশ দিব পাৰো ।"

কৌমুদীয়ে কথাষাৰৰ অন্তৰ্নিহিত অৰ্থ বুজিব পাৰি হাঁহি এটা মাৰি কলে, "আপুনি যি আদেশকে দিয়ে তাকে পালন কৰিম ।"



কৌমুদী, তোমাক মোৰ ভাল লাগিছে। মই তোমাক মোৰ ৰাণী কৰিব বিচাৰো। কিন্তু ইয়াত এটা কথা আছে। মোৰ মাৰ ইচ্ছা মই জ্যোৎস্নাক ৰাণী কৰিব লাগে। মই মাক কথাও দিছিলো মই তেওঁৰ মনৰ ইচ্ছা পূৰণ কৰিম। সেয়েহে মই এতিয়াই যদি তোমাক গন্ধৰ্ব বিবাহো কৰাও তথাপি তুমি পাটৰাণী হব নোৱাৰিবা। মোৰ ইষ্টদেৱী হৈহে থাকিবা। যদি তুমি এই কথা মানি লোৱা এতিয়াই আমি দম্পতি হব পাৰো।"

কলাকৌমুদীয়ে ৰজাৰ কথা শুনি নিৰুৎসাহিত নহৈ অতি কোমল স্বৰেৰে কলে, "নাই মোৰ কোনো পাটৰাণী হোৱাৰ ইচ্ছা নাই মোৰ সিংহসনৰ আধা ভাগ লোৱাৰ ইচ্ছা, আপোনাৰ হৃদয়ত অকণ ঠাই পালে মোৰ অপাৰ ভাগ্য বুলি ভাবিম।"

অতি আনন্দিত হৈ কৃষ্ণভূপতিয়ে তেতিয়াই কৌমুদীক গন্ধৰ্ব বিবাহ কৰালে। কিন্তু এই বিয়াৰ কথাটো গোপনে ৰাখিলে।

মলয়দ্বীপলৈ ঘূৰি আহোতে ৰজাই কৌমুদীকো লগত লৈ আহিল। মাকৰ আগত ৰজাই এইবুলি কৌমুদীৰ পৰিচয় দিলে যে, এইজনী গোপালসেনৰ কন্যা। সেই সময়ত তাত উপস্থিত থকা সকলে কৌমুদীৰ কুশল বাতৰি ললে।

দুদিনমান পিচত কৃষ্ণভূপতিয়ে কৌমুদীক বিয়া কৰোৱাৰ ইচ্ছাৰ কথা মাকৰ আগত কলে। যিদিনাখন কৃষ্ণভূপতিয়ে মাকক কৌমুদীৰ সৈতে পৰিচয় কৰাই দিছিল সেইদিনাই মাকে অনুমান কৰিছিল ইয়াৰ মাজত কিবা ৰহস্য আছে। কিছুসময় তেওঁ মনে মনে থাকিল। তাৰ পিছত কলে - "বাচা, তোমাৰ সিদ্ধান্তত মোৰ অমত নাই, কিন্তু জ্যোৎস্নাৰ কি হব ? যুদ্ধৰ পৰা ঘুৰি অহাৰ পিছত তেওঁ তোমাৰ লগত কুশদ্বীপৰ বিষয়ে কথা হৈছে নেকি ?"

"হয় কথা হৈছো। মই দেখিছো তেওঁৰ মনত কোনো স্ফুৰ্ত্তি নাই। মই ইয়াৰ বিষয়ে জানিবৰ চেষ্টা কৰিলো। কিন্তু একো নকলে। সেয়েহে মই আপোনাক সুধিব খুজিছো তেওঁৰ এই উদাসীনতাৰ কাৰণ কি হব পাৰে।" কৃষ্ণভূপতিয়ে কলে।

সুনন্দাদেৱীয়ে পুতেকৰ মুখলৈ এবাৰ চাই কলে, "বাচা, জ্যোৎস্নাক বিয়া কৰোৱাৰ কথা তুমিও কোৱা নাই তেওঁ

নিজেও কোৱা নাই । এই প্ৰস্তাৱটো মইহে দিছিলো । মই তোমাক এটা কথা সোধো, তুমি কিন্তু তাৰ উত্তৰ খোলাখুলিকৈ দিবা । কেতিয়াবা বাৰু জ্যোৎস্নাক বিয়া কৰোৱাৰ কথা তোমাৰ মনত জাগিছেনে ?"

মাকৰ এই প্ৰশত কৃষ্ণভূপতি স্তম্ভিত হৈ ৰৈ গ'ল আৰু অলপ পাছত কলে "মা, মোৰ মনত এই ইচ্ছা কেতিয়াও জগা নাই । আপুনিহে তেওঁক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিছিল । মাৰ আদেশ পালন কৰিহে মই তাত সন্মতি দিছিলো । মোৰ অনুমান হৈছে জ্যোৎস্নাৰ বিষয়ে কিবা কবলৈ আপুনি খুব ইচ্ছুক ।"

পুতেকৰ কথা শুনি সুনন্দাদেৱীৰ এনে লগিল, যেন তেওঁৰ মূৰৰ পৰাহে এটা বোজা নামি গ'ল । "বাচা কৃষ্ণ তুমি খুব ভাগ্যবান। তুমি নিজৰ কাৰণে যোগ্য কন্যা লগত লৈ আহিছা । যিহেতু কুশদ্বীপ এতিয়া শান্ত হৈছে জ্যোৎস্নাই তালৈকে উভতি যাব বিচাৰিছে । তোমাৰ ৰাণী হোৱাৰ তেওঁৰ ইচ্ছা নাই ।" মাকে কলে ।

এই কথা শুনি কৃষ্ণভূপতিৰ মনত খুব আনন্দ লাগিল । তেওঁ কলে, "মা, আপুনি কোৱা মতেময়ে অকল ভাগ্যবান নহয়, জ্যোৎস্নাও ভাগ্যৱতী । যিদিনাই তেওঁ কুশদ্বীপলৈ যাব খোজে সেইদিনাই মই তেওঁলোকৰ যোৱাৰ ব্যৱস্থা কৰি দিম । বাটত যাতে কোনো বিপদ মহয় তাৰ বাবে লগত কিছুমান সৈন্যও পঠাই দিম ।

"মই ভবা নাছিলো ইমান ডাঙৰ সমস্যা এটাৰ ইমান সহজতে সমাধান হব ।" সুনন্দাদেৱীয়ে স্বস্তিৰ নিশ্বাস লৈ কলে ।

কৃষ্ণভূপতিয়ে তেতিয়া এটা হাঁহি মাৰি কলে, "মা, ইয়াৰ লগতে মোৰো এটা ডাঙৰ সমস্যা সমাধান হ'ল । মই আগতে কলাকৌমুদীক কৈছিলো তেওঁ ৰাজমহিষী হব নোৱাৰিব, মাথোঁ এগৰাকী স্ত্ৰী হৈহে থাকিব পাৰিব । কিন্তু তেওঁ এতিয়া অকল মোৰ স্ত্ৰীয়ে নহয়, ৰাজমহিষীও । এই শুভ বাতৰিটো মই এতিয়াই তেওঁক দি আহো ।" এইবুলি কৈ কৃষ্ণভূপতি তাৰপৰা বেগাবেগিকৈ ওলাই গ'ল ।

"কুশল হওক মোৰ পুত্ৰ," বুলি কৈ সুনন্দাদেৱীয়ে পুতেকক আশীৰ্বাদ দিলে ।

চান্দমামাৰ নিবেদন
৪
অজেয় গৰুড়
চিত্ৰ: পাণি
সেনাপতি নৰেন্দ্ৰদেৱে গৰুড়ক ধৰিবলৈ অসফল হ'ল । নৰেন্দ্ৰদেৱ আৰু তেওঁৰ পুত্ৰ ৰবীন্দ্ৰদেৱে লগ হৈ এক চাল খেলিছিল, য'ত ৰবীন্দ্ৰদেৱে নিজেই পতাকাৰ স্তম্ভত ওলমি আছিল আৰু লাজ পাইছিল । গৰুড়ক এখন নাৱত অচেতন হৈ পৰি থকা অৱস্থাত পোৱা গ'ল আৰু ৰাজপ্ৰাসাদলৈ লৈ এহা হ'ল । যেতিয়া ৰবীন্দ্ৰই তেওঁৰ মুখাখন খুলি দিলে নিজৰ পিতাকক দেখি স্তম্ভিত হ'ল । ৰজা খুব আনন্দিত হ'ল । ইয়াৰ সকলো সুনাম আদিত্যক দিলে । নৰেন্দ্ৰদেৱৰ বিৰোধিতা কৰিবলৈ ৰজাই আদিত্যক প্ৰধানমন্ত্ৰী পাতিলে ।
প্ৰধানমন্ত্ৰী আদিত্যই সকলো শ্ৰেষ্ঠ সভাসদৰে এখন সভা পাতিলে ।
চন্দ্ৰপুৰীত পুনৰ শান্তি স্থাপন হোৱাত ৰজা আনন্দিত হ'ল ।
কিছুসময়ৰ বাবেতো আমি গৰুড়ৰ বিষয়ে জনাই নাছিলো ।
আদিত্যই দলপতিৰ দৰে কাম কৰি থাকিল । সেনাপতি তেওঁৰ প্ৰতি ঈৰ্ষান্বিত হ'ল ।
গৰুড়াই পুনৰ আক্ৰমণ কৰিব । তেওঁ মাথোঁ সুযোগ বিচাৰি আছে । মই তোমাক এই কথা কলো ।
...আৰু মই প্ৰশাসন চম্ভালিম ।
এনে কি ! আপুনি আইন ব্যৱস্থাৰ ওপৰত চকু দিব ।
যদি তেওঁ মোৰ হাতলৈ আহে, মই চিৰাচিৰ কৰি দিম ।

প্ৰধানমন্ত্ৰীৰ ঘৰ । যেতিয়া আদিত্যই পিতাকৰ আশীৰ্বাদ লৈ আছিল, সেইসময়তে কিবা শব্দ শুনিবলৈ পালে ।
আহা ! চিলনী ! নিশ্চয় কিবা খবৰ আছে ।
এইখন ৰামসিংহই পঠাইছে । ৰবীন্দ্ৰই এক নতুন পৰিকল্পনা কৰিছে, যাৰদ্বাৰা নতুন নীতিক ভুল বুলি প্ৰমাণিত কৰিব পাৰে আৰু ইয়াৰ কাৰণ গৰুড় ।
এইটোৱে কি বাতৰি লৈ আহিছে ।
যেতিয়া তেওঁ চিঠিখন পঢ়ি আছিল, তেওঁ অৰুণাক ভিতৰলৈ অহা দেখিলে ।
তোমালৈ শুভেচ্ছা আদিত্য !
ধন্যবাদ অৰুণা ! আজি কালি তুমি ক'ত ?
মই আজি কালি নতুনকৈ প্ৰতিস্থিত বোৰৰ ভিতৰত ৰামসিংহক চোৰাচিতা কৰি আছো । কিন্তু ...
...ৰবীন্দ্ৰদেৱৰ মানুহে সেইফালেও বিৰক্ত কৰি আছে । আমি শুনিবলৈ পাইছো ৰবীন্দ্ৰ আৰু তেওঁৰ পিতাকে মিলি কিবা বিপদজনক পৰিকল্পনা তৈয়াৰ কৰি আছে ।
ষড়যন্ত্ৰ ?

যাৰদ্বাৰা সকলো ফালৰ পৰা বাধা দিব পাৰি ।
আৰু পৰিকল্পনা ? যেনেদৰে....
চিপাহী আৰু অন্য লোক ওচৰৰ ৰাজ্যৰ পৰা লোৱা হব ।
...ৰজা আৰু প্ৰধানমন্ত্ৰীক হত্যা আৰু দোষী গৰুড় ! পৰিচালনাৰ বাবে গোটেই ৰাজ্যৰ বাঘজৰী ধৰা আৰু সভাসদ সকলক দেখুৱাব লাগিব এয়া ৰজাৰ প্ৰতি বিশ্বসযোগ্যতা, তেওঁক ফাকি দিয়া !
তুমিয়ে মোক কথাটো কলা, ভাবেই হ'ল অকণা !
এইটো পূৰ্ণিমাৰ ৰাতি । পূজা কৰিব লাগিব ।
নিজৰ প্ৰতি নজৰ ৰাখিবা ।
তোমাৰ পিতাৰ কথা এতিয়াও মোৰ কানত বাজি আছে । তোমাক যেনেদৰে চন্দ্ৰপুৰীৰ ৰক্ষাৰ বাবে নিৰ্বাচিত কৰা হৈছে ভগবান গৰুড়ই তোমাক ৰক্ষা কৰিব । এতিয়া মই যাওঁ ।
যেতিয়াৰ পৰা মই ভগবান গৰুড়ৰ পূজা কৰিছো এইটো মোৰ সপ্তম পূৰ্ণিমাৰ ৰাতি ।

হে ভগবান গৰুড় ! আপোনাৰ আশীৰ্বাদত মোক মোৰ পিতৃৰ স্থান পূৰণ কৰিবলৈ কোৱা হৈছে । এতিয়া আপুনিয়েই এই দেশক বিদ্ৰোহীৰ হাতৰ পৰা ৰক্ষা কৰিব লাগিব ।
তেওঁ নিজৰ কথা সম্পূৰ্ণ কৰাৰ আগতে হঠাতে গোটেই ঘৰটো পোহৰে ভৰি পৰিল ।
আদিত্য, ভয় নকৰিবা! তোমাক কোনেও অণিষ্ট কৰিব নোৱাৰিব ।
মোৰ নিহিত শক্তিয়ে তোমাক তেতিয়ালৈকে ৰক্ষা কৰিব, যেতিয়ালৈকে তুমি ইয়াক নিজৰ স্বাৰ্থৰ বাবে ব্যৱহাৰ নকৰা । বীৰত্বৰে নিজৰ মাতৃভূমিক ৰক্ষা কৰা ।
আদিতাই দেখিবলৈ পালে এটা পাখি থকা মূৰ্ত্তি ওচৰলৈ আহি আছে ।
যেতিয়াই তেওঁ এই পবিত্ৰ আত্মাৰ শব্দ শুনিবলৈ পালে, আদিতাই দেখিলে সেই পাখি থকা মূৰ্ত্তি বতাহত উৰিক্ৰমে ডাঙৰ হৈ গৈ আছে ।
(ক্ৰমশঃ)

বাক্যত প্ৰকাশ কৰা

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা ।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,

৮২, ডিফেন্স আফচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব । পুৰস্কাৰ পাওঁতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব !

অভিনন্দন

চেপ্তেম্বৰ সংখ্যাৰ পুৰস্কাৰ বিজয়ী

গীতাঞ্জলী গোস্বামী

মাৰফৎ - শ্ৰী দীনেশ চন্দ্ৰ গোস্বামী

গাওঁ-পাটাসত্ৰ, পো:-পাটাছাৰকুছি

বৰপেটা, অসম

বিজয়ী বাক্য

অকলে খেলি নালাগে ভাল

একেলগে খেলি পাওঁ বৰ ।

চান্দমামাৰ বছৰেকীয়া বৰঙণি

সাধাৰণ ডাকযোগে ভাৰতত ১২০.০০ টকা

Payment in favour of CHANDAMAMA INDIA LIMITED

No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam


Are you a fan of Garuda, the masked hero
with magical powers?
Enjoy the exciting
exploits of Garuda!
Garuda
The Invincible
Don't miss the Garuda comics in Chandamama anymore!
Subscribe to Chandamama today!
Chandamama Annual Subscription within India Rs. 120/-
Send your remittances by DD or MO favouring CHANDAMAMA INDIA LIMITED, to
No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097.
E-mail : subscription@chandamama.org

CHANDAMAMA (Assamese) NOVEMBER 2001 Regd. with RNI. No. 30278/76
Registered No. TN/Chief PMG-870/2001